www.asombarta.in
শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক
PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

প্ৰতিকূলতাই কোনো কোনো মানুহক প্ৰায় ভাঙি দিয়ে, আকৌ এচাম মানুহ আছে, যিসকলে প্ৰতিকূলতাই ভাঙি পেলোৱাটো জীৱনৰ প্ৰত্যাহ্বান বুলি গ্ৰহণ কৰে। — উইলিয়াম এ'বাৰ্ড।

# অসম বাৰ্তা

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

প্ৰথম বছৰ ▫ সংখ্যা- ১২৪ ▫ বৃহস্পতিবাৰ ▫ ১২ ফেব্ৰুৱাৰী, ২০২৬ চন ▫ Volume/Year- I ▫ Issue- 124 ▫ Thursday ▫ 12th February, 2026 ▫ Asom Barta, Majuli ▫ PRGI Reg. No.- ASASS/25/A2361 ▫ Price- Rs. 10 ▫ Total Page- 8

২৫ বছৰৰ পিছত সোণালী যুগৰ পথ প্ৰশস্ত, অৰ্থড' চাহৰ নেতৃত্ব



## অসমৰ চাহ ৰপ্তানি ৪০ মিলিয়ন কেজিলৈ বৃদ্ধি

**ষ্টাফ ৰিপৰ্টাৰ, দিছপুৰ, ১২ ফেব্ৰুৱাৰী ঃ** অসমৰ চাহ উদ্যোগত এক ঐতিহাসিক পুনৰুজ্জীৱন দেখা গৈছে। ২০২৫-২৬ বিত্তীয় বছৰত ৰাজ্যখনৰ পৰা চাহৰ ৰপ্তানি ৪০ মিলিয়ন কেজিলৈ বৃদ্ধি পাইছে, যিটো ২৫ বছৰৰ পিছত প্ৰথমবাৰৰ বাবে ঘটা এক উল্লেখযোগ্য সফলতা। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ▫ ৬ পৃষ্ঠাত

▪ প্ৰকৃত দোষীক চিনাক্ত কৰি উচিত শাস্তি প্ৰদানৰ দাবী ▪

## দ্বিতীয়বাৰৰ বাবে ন্যায়িক আয়োগত সাক্ষ্য প্ৰদান গৰিমা শইকীয়া গাৰ্গৰ



জুবিনে যদি ন্যায় নাপায়, তেতিয়াহ'লে অসমত কোনে ন্যায় পাব? - গৰিমা শইকীয়া

**অসম বাৰ্তা, গুৱাহাটী, ১২ ফেব্ৰুৱাৰী ঃ** জনপ্ৰিয় সংগীত শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ তদন্তৰ বাবে গঠিত এজনীয়া ন্যায়িক আয়োগৰ সন্মুখত ▫ ৬ পৃষ্ঠাত

উচ্চতম ন্যায়ালয়ে মনোবল বৃদ্ধি কৰিলে ৰাজ্য চৰকাৰৰ

### অধিক কঠোৰ হ'ব বনভূমিত উচ্ছেদ অভিযান

৩০ দিন নহয়, ১৫ দিনৰ জাননী দি বনভূমিত চলাব পাৰিব উচ্ছেদ অভিযান

**ষ্টাফ ৰিপৰ্টাৰ, মহানগৰ, ১২ ফেব্ৰুৱাৰী ঃ** অসমৰ বনভূমিৰ পৰা বেদখলকাৰী ▫ ৬ পৃষ্ঠাত

### আজিবাংলাদেশৰ বিদ্ৰোহৰ পিছত প্ৰথম সংসদীয় নিৰ্বাচন

গণতন্ত্ৰ-সংখ্যালঘু অধিকাৰৰ পৰীক্ষা

**অনলাইন ডেস্ক, অসম বাৰ্তা, ১১ ফেব্ৰুৱাৰী ঃ** বাংলাদেশত বৃহস্পতি বাৰে এক অতি গুৰুত্বপূৰ্ণ ৰাষ্ট্ৰীয় ▫ ৬ পৃষ্ঠাত

সংযোজন হ'ব গৌৰৱৰ পত্নীয়ে পাকিস্তানৰ পৰা পোনপটীয়াকৈ দৰমহা লোৱাৰ স্বীকাৰোক্তি আৰু ৰাৱালপিণ্ডি ভ্ৰমণৰ তথ্য ঃ মুখ্যমন্ত্ৰী

# সংশোধন হ'ব গৌৰৱৰ পাক সংযোগৰ প্ৰতিবেদন



**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ১২ ফেব্ৰুৱাৰী ঃ** কংগ্ৰেছ সাংসদ গৌৰৱ গগৈৰ পত্নী এলিজাবেথ ক'লবাৰ্ণৰ পাকিস্তানী সংযোগ সন্দৰ্ভত অসম আৰক্ষীৰ বিশেষ তদন্তকাৰী দল (SIT)ৰ প্ৰতিবেদনত নতুন তথ্য সংযোজন কৰা হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বুধবাৰে দিছপুৰত অনুষ্ঠিত সংবাদমেলত এই তথ্য প্ৰকাশ কৰি কয় যে, গৌৰৱ গগৈয়ে ৯ ফেব্ৰুৱাৰীত দিয়া সংবাদমেলত স্বীকাৰ কৰা দুটা গুৰুত্বপূৰ্ণ তথ্য এছ আই টিৰ প্ৰতিবেদনত যোগ কৰি সংশোধনী ঘটোৱা হ'ব। মুখ্যমন্ত্ৰীয়ে স্পষ্ট কৰি কয়, ▫ ৬ পৃষ্ঠাত


### গছ নকটাকৈয়েই উন্নয়ন সম্ভৱ; চৰকাৰলৈ যাদৱ পায়েঙৰ আহ্বান

উন্নত দেশৰ দৰে প্ৰযুক্তি ব্যৱহাৰ কৰক! ৫৮টা চৰ-চাপৰিত গছ ৰোপণৰ আহ্বান


**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১২ ফেব্ৰুৱাৰী ঃ** পদ্মশ্ৰী প্ৰাপ্ত অৰণ্য মানৰ যাদৱ ▫ ৬ পৃষ্ঠাত

মৰাণৰ ৰাজপথত যুদ্ধ বিমানৰ এয়াৰ শ্ব', জৰুৰী অৱতৰণ সুবিধাৰ উদ্বোধন

## ১৪ ফেব্ৰুৱাৰীত কুমাৰ ভাস্কৰ বাৰ্মা সেতু মুকলি কৰিব প্ৰধানমন্ত্ৰীয়ে



**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ১২ ফেব্ৰুৱাৰী ঃ** ১৪ ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব। বুধবাৰে দিছপুৰত অনুষ্ঠিত সংবাদমেলত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ▫ ৬ পৃষ্ঠাত




▪ ৰাইজৰ দলৰ জৰুৰী কৰ্ণধাৰ বৈঠকত ল'ব অনুমোদন ▪

## বিৰোধীৰ ঐক্য সন্দৰ্ভত মূল দায়িত্ব ভূপেন বৰাক



শুকুৰবাৰে গুৱাহাটীত ভূপেন বৰা-অখিল গগৈৰ মাজত বৈঠক; স্থিৰ সিদ্ধান্তৰ সম্ভাৱনা

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১২ ফেব্ৰুৱাৰী ঃ** ২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচনৰ পূৰ্বে বিৰোধী শিবিৰত মিত্ৰতাৰ প্ৰক্ৰিয়াই নতুন গতি লাভ কৰিছে। কংগ্ৰেছে ৰাইজৰ দলৰ সভাপতি তথা বিধায়ক অখিল গগৈৰ সৈতে আসন ▫ ৬ পৃষ্ঠাত

২০১৩ চনত ৰুজু হোৱা দুটাকৈ গোচৰৰ ফাইল পুনৰ মুকলি

## অখিল গগৈৰ বিৰুদ্ধে পুনৰ দেশদ্ৰোহৰ গোচৰ

লখিমপুৰৰ আদালতত শুনানিত হাজিৰ হৈ মুখ্যমন্ত্ৰীক কটাক্ষ অখিল গগৈৰ



**ষ্টাফ ৰিপৰ্টাৰ, লখিমপুৰ, ১২ ফেব্ৰুৱাৰী ঃ** ৰাজ্যৰ ৰাজনৈতিক মঞ্চত পৰস্পৰৰ তীব্ৰ সমালোচক হিচাপে পৰিচিত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু বিধায়ক অখিল গগৈৰ মাজত অভূতপূৰ্ব এক মন্তব্য শুনিবলৈ দিয়া গৈছে। বুধবাৰে লখিমপুৰ আদালত ভৱনৰ সন্মুখত সংবাদমাধ্যমৰ আগত অখিল গগৈয়ে কয় ▫ ৬ পৃষ্ঠাত

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ স্বীকাৰোক্তি

## বিজেপি কৰ্মীৰ অভিযোগৰ ভিত্তিতে ২.৪৩ লাখতকৈ অধিক সন্দেহজনক ভোটাৰৰ নাম কৰ্তন



অসম চুক্তিৰ পিছত সৰ্ববৃহৎ ভোটাৰ কৰ্তন

**ষ্টাফ ৰিপৰ্টাৰ, দিছপুৰ, ১২ ফেব্ৰুৱাৰী ঃ** অসমৰ চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশৰ পিছতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এক গুৰুত্বপূৰ্ণ তথ্য প্ৰকাশ কৰিছে। তেওঁ স্পষ্টভাৱে স্বীকাৰ কৰিছে যে বিজেপি কৰ্মী আৰু সমৰ্থকসকলে দাখিল কৰা অভিযোগৰ ভিত্তিতে ▫ ৬ পৃষ্ঠাত

▪ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আগমনৰ পূৰ্বে সফল পৰীক্ষা ▪

## মৰাণৰ ৰাজপথত নামিল বায়ুসেনাৰ যুদ্ধ বিমান

উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথম জৰুৰী অৱতৰণ সেৱা (ELF) উদ্বোধনৰ প্ৰস্তুতি সম্পূৰ্ণ

**অসম বাৰ্তা, মৰাণ, ১২ ফেব্ৰুৱাৰী ঃ** অসমৰ ৰাজপথত ইতিহাস সৃষ্টি কৰি প্ৰথমবাৰৰ বাবে ভাৰতীয় বায়ুসেনাৰ কেইবাখনো যুদ্ধ বিমানে অৱতৰণ কৰিলে। ডিব্ৰুগড় জিলাৰ মৰাণৰ চাৰিলেনযুক্ত ৰাজপথৰ এটা অংশত এই পৰীক্ষামূলক অৱতৰণ সম্পন্ন হৈছে। এই কাৰ্যসূচী ১৪ ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আগমন ▫ ৬ পৃষ্ঠাত



### সভাপতি গৌৰৱ গগৈৰ সৈতে দহগৰাকী নেতাৰ অংশগ্ৰহণ

# দৰং জিলাত কংগ্ৰেছৰ পৰিৱৰ্তন যাত্ৰা

**অসম বাৰ্তা, মঙলদৈ, ১০ ফেব্ৰুৱাৰী ঃ** নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত শাসনাধিস্থিত বিজেপি দলে পুনৰ গাদী দখলৰ প্ৰচেষ্টাৰে প্ৰধান বিৰোধী দল কংগ্ৰেছৰ ওপৰত বিভিন্ন আৰোপ লগোৱাৰ প্ৰয়াস কৰি আহিছে যদিও কংগ্ৰেছ দলেও হাত সাবটি বহি থকা নাই। গৌৰৱ গগৈৰ নেতৃত্বত অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে অহা নিৰ্বাচনত উচিত প্ৰত্যুত্তৰ দিয়াৰ অৰ্থে মাৰ বান্ধি উঠিছে। গৌৰৱ গগৈয়ে ৰাজ্যজুৰি চাৰিদিনীয়া কাৰ্যসূচীৰে ৰূপায়ণ কৰা 'পৰিৱৰ্তন এক যাত্ৰা' শীৰ্ষক ৰেলীৰ অংশ হিচাপে দেওবাৰে দৰং জিলাত এই যাত্ৰা কৰে। এই পৰিবৰ্তন যাত্ৰাত অংশগ্ৰহণ কৰে প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈৰ লগতে দহগৰাকী ৰাষ্ট্ৰীয় তথা প্ৰদেশ কংগ্ৰেছৰ নেতা ক্ৰমে জীতেন্দ্ৰ সিং, পৃথ্বীৰাজ সাথে, অলকা অম্বাৰ, মনোজ চৌহান, সাংসদ প্ৰদ্যুৎ বৰদলৈ, সাংসদ ৰকিবুল হুছেইন, বিৰোধী দলপতি দেৱব্ৰত শইকীয়া, প্ৰাক্তন সাংসদ আব্দুল খালেক, ৰিপুন বৰা, মীৰা বৰঠাকুৰ, দৰং জিলা কংগ্ৰেছৰ সভাপতি ৰিজুমণি তালুকদাৰ আদি উপস্থিত থাকে। দলটোৱে দলগাঁও, খাৰুপেটীয়াত পদযাত্ৰা কৰাৰ পাছত দুপৰীয়া পথৰুঘাটৰ কৃষক শ্বহীদ বাকৰিত উপস্থিত হৈ শ্বহীদ সকলক শ্ৰদ্ধাঞ্জলি জনাই পোনেপোনে ঢলপুৰলৈ যায়। তাৰ পাছত মঙলদৈলৈ উভতি আহি চহৰখনত সদলবলে পদযাত্ৰা কৰে। দলগাঁৱত এই যাত্ৰাত অংশ গ্ৰহণ কৰি সৰ্ব ভাৰতীয় মহিলা কংগ্ৰেছৰ সভানেত্ৰী অলকা অম্বাৰে কয়, 'হিমন্ত বিশ্ব শৰ্মা, আপুনি আপোনাৰ চকি বচাওক, অসম আমি বচাম, গৌৰৱ গগৈৰ পাকিস্তানৰ লগত সম্পৰ্ক নাই, অমিত শাহৰ পুত্ৰৰ লগতহে আছে।' প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে ছিপাঝাৰ সমষ্টিৰ পাথৰিঘাটত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি এচ আৰ টিৰ প্ৰতিবেদন ওপৰত কৰা সংবাদ মেল সম্পৰ্কে মন্তব্য কৰি কয় যে আঢ়ৈ ঘণ্টা ধৰি মুখ্যমন্ত্ৰীয়ে সাংবাদিকসকলৰ আগত মোৰ বিষয়ে ব্যাখ্যা কৰিলে যাতে ফ্লপ চিনেমাখন ৰাইজৰ মাজলৈ লৈ যাব পাৰে। কিন্তু শেষত সাংবাদিককেই বিশ্বাস কৰাব নোৱাৰিলে, এই কথা সাংবাদিকৰ প্ৰশ্ন শুনিলেই জানিব পাৰি। তেওঁ সাংবাদিকৰ প্ৰশ্নৰ উত্তৰ দিব পৰা নাই। মই আগতেই কৈছো এইটো ফ্লপ হ'ব। দহ ছেপ্টেম্বৰত যিখিনি কথা ক'ব বিচাৰি ছয় মাহ শুই থাকিল ইমানেই যদি গুৰুত্বপূৰ্ণ আছিল ছয় মাহ কি কৰি আছিল মুখ্যমন্ত্ৰী য়ে বুলি প্ৰশ্ন কৰে গৌৰৱ গগৈয়ে। এতিয়া নিৰ্বাচন কাষ চাপিছে, আমি তেওঁলোকৰ ১২ হাজাৰ বিঘা মাটিৰ কথা উলিয়াইছো, পৰিবৰ্তন যাত্ৰা চাই ৰাইজ ওলাই আহিছে, মানুহে পৰিবৰ্তন বিচাৰিছে, ৰাইজে নতুন বৰ অসম চাব বিচাৰে সেই কাৰণে নিৰ্বাচনৰ ২ মাহ আগত এই বোৰ উলিয়াইছে। আমি তিনি দিন ধৰি যাত্ৰা কৰি তিনি হাজাৰ বিঘা মাটি ফাদিল কৰিবলৈ সক্ষম হৈছোঁ। তেওঁলোকৰ চিনেমা ফ্লপ, আমাৰ যাত্ৰা হিট। আজি ছিপাঝাৰ আহিছোঁ, দহ ছেপ্টেম্বৰত বিনন্দ শইকীয়াক দিল্লীত যোগদান কৰাইছিলো আৰু আজি চিনেমা ফ্লপৰ দিনা ছিপাঝাৰত যাত্ৰা কৰিছো বুলিও মন্তব্য কৰে গৌৰৱ গগৈয়ে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অসমৰ ৰাইজৰ ৰাজনৈতিক জ্ঞান বিবেকক সন্মান কৰিব শিকক, ৰাইজ সজাগ, ৰাইজে জানে বুলি গগৈয়ে মন্তব্য কৰি মোক ইমান ডাঙৰ নেতা বনোৱাৰ বাবে মুখ্যমন্ত্ৰীক ধন্যবাদ দিছোঁ বুলিও তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে। ছিপাঝাৰৰ পৰা গৌৰৱ গগৈ সহ কংগ্ৰেছ দলটি মঙলদৈলৈ আহি গধূলি পদব্ৰজে চহৰখন পৰিভ্ৰমণ কৰি এখন ৰাজহুৱা সভা সম্বোধন কৰে। গৌৰৱ গগৈৰ এই পৰিবৰ্তন যাত্ৰাই কংগ্ৰেছক নিশ্চিতভাবে লাভাবান্বিত কৰিব বুলি ৰাজনৈতিক মহলে মন্তব্য কৰিছে।

## চাহ বাগিচাৰ শ্ৰমিকক প্ৰ-পত্ৰ বিতৰণ

**অসম বাৰ্তা, যোৰহাট, ১০ ফেব্ৰুৱাৰী ঃ** ২০০ বছৰীয়া ইতিহাস সম্পন্ন অসমৰ চাহ শিল্পই ৰাজ্যখনৰ অৰ্থনীতিত এক বিশেষ গুৰুত্ব প্ৰদান কৰি আহিছে যদিও চাহ শিল্পৰ লগত জড়িত শ্ৰমিক তথা তেওঁলোকৰ পৰিয়ালে বছৰ বছৰ ধৰি বিভিন্ন সমস্যাৰ লগত সংগ্ৰাম কৰি আহিবলগীয়া হৈছে। এনে পৰিস্থিতিত শ্ৰমিক তথা পৰিয়ালৰ সুৰক্ষাৰ স্বাৰ্থত ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন অসম চৰকাৰে অসমৰ চাহ বাগিচাৰ শ্ৰমিক সকলৰ বাবে লেবাৰ লাইন ভূমিৰ বন্দৱস্তীৰ ব্যৱস্থা কৰাটো নিশ্চতভাৱে প্ৰশংসনীয় পদক্ষেপ। শ্ৰমিক সকলৰ ভূমিৰ বন্দৱস্তীৰ ক্ষেত্ৰত ভূমি পট্টা প্ৰদানৰ বাবে অফ লাইন প্ৰ-পত্ৰ বিতৰণ কাৰ্যসূচীৰ অংশ হিচাপে সমগ্ৰ অসমৰ লগতে যোৰহাট জিলাৰ তিতাবৰ ৰাজহ চক্ৰৰ অন্তৰ্গত চুঙীৰ ৰঙাজান চাহ বাগিচাত আজি জিলা প্ৰশাসনৰ উদ্যোগত অফ লাইন প্ৰ-পত্ৰ বিতৰণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। এই উদ্দেশ্যে বাগিচাৰ কাৰ্যালয়ত অনুষ্ঠিত ৰাজহুৱা সভাত তিতাবৰ পৌৰসভাৰ ৱাৰ্ড মেম্বাৰ ৰাজীৱ দত্তই মুখ্য অতিথি হিচাপে উপস্থিত থাকি ৰাজ্যচৰকাৰে বাগিচাৰ শ্ৰমিকসকলৰ বাবে গ্ৰহণ কৰা বিভিন্ন আঁচনি সম্পৰ্কে উল্লেখ কৰে। ৰাজু ৰাওৱে আঁত ধৰা, তিতাবৰ ৰাজহ চক্ৰৰ মঞ্জিৎ হাজৰিকা, বাগিচাৰ পৰিচালক লক্ষ্মীনন্দন বৰা, গাঁও প্ৰধান অমূল্য শইকীয়া, বাগিচা সংঘৰ সভাপতি-সম্পাদকে বিশেষ সহযোগিতা আগবঢ়োৱা সভাত জিলা প্ৰশাসনৰ প্ৰতিনিধিৰ উপস্থিতিত বাগিচাখনৰ লেবাৰ লাইনৰ ৬৭টা পৰিয়ালক অফলাইন প্ৰ-পত্ৰ বিতৰণ কৰা হয়। ইয়াৰ পূৰ্বে প্ৰ-পত্ৰ বিতৰণ কাৰ্যসূচী শুভাৰম্ভ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আগবঢ়োৱা ভাষণৰ দৃশ্য-শ্ৰাব্য মাধ্যমেৰে পোনপটীয়া সম্পচাৰ প্ৰদৰ্শন কৰা হয়।

## শিৱসাগৰত ড° আম্বেদকাৰ ফাউণ্ডেশ্যনৰ উদ্যোগত শিক্ষাৰ্থীৰ বিনামূলীয়া কম্পিউটাৰ প্ৰশিক্ষণ কেন্দ্ৰ মুকলি

**ষ্টাফ ৰিপৰ্টাৰ, শিৱসাগৰ, ১০ ফেব্ৰুৱাৰী ঃ** শিৱসাগৰৰ আগশাৰীৰ স্বেচ্ছাসেৱী অনুষ্ঠান ড° বি আৰ আম্বেদকাৰ ফাউণ্ডেশ্যনৰ উদ্যোগত আজি আৰ্থিকভাৱে পিছপৰা শিক্ষাৰ্থী সকলৰ বাবে এটি বিনামূলীয়া কম্পিউটাৰ প্ৰশিক্ষণ কেন্দ্ৰ শুভ উদ্বোধন কৰা হয়। শিৱসাগৰ জিলা পৰিষদ কমপ্লেক্সত আজি আয়োজিত উদ্বোধনী অনুষ্ঠানৰ উদ্দেশ্যে ব্যাখ্যা কৰি ড° আম্বেদকাৰ ফাউণ্ডেশ্যনৰ সভাপতি প্ৰাঞ্জল দাসে কয় যে শিৱসাগৰৰ NCMS কম্পিউটাৰ ইন্সটিটিউটৰ সহযোগিতাত এই কেন্দ্ৰত শিক্ষাৰ্থী সকলক এবছৰীয়া পাঠ্যক্ৰম বিনামূলীয়াকৈ প্ৰদান কৰা হ'ব। NCMS ইন্সটিটিউটৰ প্ৰতিষ্ঠাপক অধ্যক্ষ তথা সমাজকৰ্মী মিলন গগৈ আৰু জ্যেষ্ঠ প্ৰশিক্ষক প্ৰৱীণ দাসে বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি বৰ্তমান সময়ত শিক্ষাৰ্থী সকলৰ বাবে তথ্য প্ৰযুক্তি কাৰিকৰী খণ্ডৰ জ্ঞান অতীৱ প্ৰয়োজনীয় বুলি উল্লেখ কৰে। অনুষ্ঠানত সমাজকৰ্মী সুমন্ত দত্ত, ৰাজেশ চন্দাক, সাংবাদিক প্ৰাঞ্জল ৰাজগুৰু আৰু বিদ্যুত দাসে শুভেচ্ছামূলক বক্তব্য প্ৰদান কৰে। এই অনুষ্ঠানত সীমান্ত হাজৰিকা, সাংবাদিক হিমাংশু নেওগ, উমেশ বালদোৱা, প্ৰাঞ্জল পূজাৰী, পংকজ বৰুৱা, ৰঞ্জিতা গগৈ দাস, সুভদ্ৰা হাজৰিকা, দীপা দাস আৰু বিভিন্ন শিক্ষানুষ্ঠানৰ ভালেমান ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

## মুকালমুৱাৰ বৰলীয়াৰপাৰত আমছুৰ নলবাৰী জিলা সমিতিৰ উদ্যোগত মুখ্যমন্ত্ৰীৰ প্ৰতিমূৰ্তি দাহ

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ১০ ফেব্ৰুৱাৰী ঃ** আমছুৰ কেন্দ্ৰীয় কাৰ্যালয়ৰ উচ্চ পৰ্যায়ৰ বৈঠকত আমছুৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি ইমতিয়াজ হুছেইনৰ নিৰ্দেশমৰ্মে অসমৰ প্ৰতিখন জিলা সমিতিয়ে মুখ্যমন্ত্ৰীৰ প্ৰতিমূৰ্তি দাহ কাৰ্যসূচী পালন কৰে। সমগ্ৰ অসমৰ লগতে আমছুৰ নলবাৰী জিলা সমিতিয়ে মুকালমুৱাৰ বৰলীয়াৰপাৰত এই প্ৰতিমূৰ্তি দাহ কাৰ্যসূচী পালন কৰে। ভাৰতীয় জনতা পাটি অসম প্ৰদেশৰ অফিচিয়েল ছ'চিয়েল মিডিয়া একাউণ্টত এক্স হেণ্ডেলত এটা কৃত্ৰিম বুদ্ধিমত্তাৰ দ্বাৰা সৃষ্টি কৰা অত্যন্ত ঘৃণামূলক ভিডিঅ' আপলোড কৰিছিল। এইডিডিঅ'ত অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ৰাইফল ধৰি দুজন সংখ্যালঘু মুছলমান ব্যক্তিৰ প্ৰতি পয়েণ্ট ব্লেংক ৰেঞ্জ অৰ্থাৎ শূন্য দূৰত্বৰ পৰা গুলীচালনা কৰা দেখুওৱা হৈছে। ভিডিঅ'টোত ঘৃণা বিয়পোৱাৰ লগতে কেপচন আছিল "No Mercy", অৰ্থাৎ মুছলমান লোকৰ কোনো ক্ষমা নাই। এই ভিডিঅ'ৰ পিছতে অসমৰ লগতে দেশজুৰি তীব্ৰ সমালোচনা, ক্ষোভ আৰু গৰিহণাৰ দিয়াৰ পিছতে ডিলিট কৰে এই ভিডিঅ'। মুখ্যমন্ত্ৰীৰ দৰে সাংবিধানিক পদত অধিষ্ঠিত ব্যক্তিৰ নামত এই ধৰণৰ সাম্প্ৰদায়িক ঘৃণা প্ৰচাৰ আৰু সংখ্যালঘু সম্প্ৰাদায়ৰ প্ৰতি হিংসাত্মক মনোভাৱ প্ৰকাশ কৰা কাৰ্যক গৰিহণা দি ইয়াৰ প্ৰতিবাদত আমছুয়ে সমগ্ৰ অসমৰ লগতে নলবাৰী জিলা সমিতিয়ে মুকালমুৱাৰ বৰলীয়াৰপাৰত এই কাৰ্যসূচী পালন কৰে। সংখ্যালঘুৰ ওপৰত অত্যাচাৰ নচলিব, হিমন্তৰ অত'পালি বন্ধ কৰক, হিমন্ত বিশ্ব শৰ্মা মূৰ্দাবাদ, হিমন্ত বিশ্ব শৰ্মা গ' বেক, বিজেপি চৰকাৰ গ' বেক, আমছু জিন্দাবাদ, We Want Justic আদি শ্লোগানেৰে ৰাজপথ উত্তাল কৰি তোলে। এই কাৰ্যসূচীৰ জৰিয়তে অসমৰ মুখ্যমন্ত্ৰীক ভৱিষ্যতে ধৰ্ম নিৰপেক্ষ মুখ্যমন্ত্ৰী হিচাপে কাম কৰিবলৈ সকীয়নি প্ৰদান কৰে আমছুৰ নলবাৰী জিলা সমিতিৰ ভাৰপ্ৰাপ্ত সভাপতিয়ে। অনুষ্ঠানটোত উপস্থিত থাকে আমছুৰ কেন্দ্ৰীয় সমিতিৰ সহ সাধাৰণ সম্পাদক আমিৰুল ইছলাম, আমজাদ হুছেইন, নলবাৰী জিলা সমিতিৰ ভাৰপ্ৰাপ্ত সভাপতি মহিদুল ইছলাম, সাধাৰণ সম্পাদক ৰশিদ লতিফৰ লগতে জিলা সমিতি, আঞ্চলিক সমিতিৰ বিষয়ববীয়াসকল।

**দুই শতাধিক জ্যেষ্ঠ ব্যক্তিক সম্বৰ্ধনাৰ লগতে উন্নয়নমূলক পুথি উন্মোচন**

## মৰিয়নিত জ্যেষ্ঠ নাগৰিক সভা

**অসম বাৰ্তা, মৰিয়নি, ১০ ফেব্ৰুৱাৰী ঃ** অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বিশেষ পৰামৰ্শ অনুসৰি তথা মৰিয়নি সমষ্টিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীৰ উদ্যোগত আজি মৰিয়নিৰ নকছাৰী নৱ বিকাশ সংঘত এখন 'জ্যেষ্ঠ নাগৰিক সভা' সফলতাৰে সম্পন্ন হয়। সমাজৰ অভিজ্ঞ আৰু জ্যেষ্ঠ ব্যক্তিসকলৰ প্ৰতি সন্মান জনোৱাৰ উদ্দেশ্যেই এই অনুষ্ঠানটোৰ আয়োজন কৰা হৈছিল। সভাত মৰিয়নি অঞ্চলৰ প্ৰায় দুই শতাধিক জ্যেষ্ঠ ব্যক্তিক ফুলাম গামোচাৰে উষ্ম আদৰণি জনাই সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সমাজখন গঢ়াত তেওঁলোকৰ ত্যাগ আৰু অৱদানক এই অনুষ্ঠানৰ জৰিয়তে শ্ৰদ্ধাৰে সোঁৱৰণ কৰা হয়। অনুষ্ঠানৰ অন্যতম আকৰ্ষণ আছিল মৰিয়নিৰ সামগ্ৰিক উন্নয়নৰ খতিয়ান সম্বলিত এখন বিশেষ পুথি উন্মোচন। এই পুথিখনত যোৱা কেইবছৰত মৰিয়নি সমষ্টিত হোৱা বিভিন্ন উন্নয়নমূলক কাম-কাজ আৰু ভৱিষ্যতৰ পৰিকল্পনাসমূহ বিস্তাৰিতভাৱে লিপিবদ্ধ কৰা হৈছে। বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে তেওঁৰ ভাষণত উল্লেখ কৰে যে জ্যেষ্ঠ নাগৰিকসকল আমাৰ সমাজৰ পথপ্ৰদৰ্শক। মুখ্যমন্ত্ৰীৰ নিৰ্দেশনা মৰ্মে তেওঁলোকৰ আশীৰ্বাদ ল'বলৈ আৰু মৰিয়নিৰ উন্নয়নৰ অগ্ৰগতিৰ কথা তেওঁলোকক অৱগত কৰিবলৈ এই বিশেষ পদক্ষেপ গ্ৰহণ কৰা হৈছে। নকছাৰীৰ নৱ বিকাশ সংঘত অনুষ্ঠিত এই সভাত স্থানীয় ৰাইজে ব্যাপক উৎসাহেৰে অংশগ্ৰহণ কৰে। জ্যেষ্ঠ নাগৰিকসকলে তেওঁলোকক জনোৱা এই বিশেষ সন্মানৰ বাবে চৰকাৰ তথা স্থানীয় বিধায়কক ধন্যবাদ জ্ঞাপন কৰে।

### বিধায়ক ৰেকিবুদ্দিনৰ ষড়যন্ত্ৰ আখ্যা অভিযুক্ত আব্দুৰ ৰেজ্জাকৰ

# গৰৈমাৰীত কংগ্ৰেছৰ প্ৰাক্তন পঞ্চায়ত সভাপতিক গ্ৰেপ্তাৰ

### টেণ্ট হাউচৰ সা-সামগ্ৰীৰ ভাড়াৰ প্ৰাপ্য ধন আদায় নিদিয়া আৰু হত্যাৰ ভাবুকি প্ৰদানৰ অভিযোগ

**অসম বাৰ্তা, গৰৈমাৰী, ১০ ফেব্ৰুৱাৰী ঃ** টেণ্ট হাউচৰ ভাড়া বাবদ পাবলগীয়া ধন আদায় নিদিয়া, অশ্লীল গালি-গালাজৰ লগতে হত্যাৰ ভাবুকি প্ৰদান কৰাৰ অভিযোগত কালি গ্ৰেপ্তাৰ কৰা ছমৰীয়া সমষ্টিৰ অন্তৰ্গত আচলপাৰা গাঁও পঞ্চায়তৰ কংগ্ৰেছৰ প্ৰাক্তন পঞ্চায়ত সভাপতিক গৰৈমাৰী আৰক্ষীয়ে আজি আদালতলৈ প্ৰেৰণ কৰে যদিও আদালতে অভিযুক্ত আব্দুৰ ৰেজ্জাকক জামিনত মোকলাই দিয়ে। উল্লেখ্য যে মাজৰটোপৰ 'টেণ্ট হাউচ'ৰ স্বত্বাধিকাৰী মনোৱাৰ হুছেইনে আব্দুৰ ৰেজ্জাকৰ বিৰুদ্ধে টেণ্ট হাউচৰ ভাড়া বাবদ পাবলগীয়া ধন আদায় নিদিয়া, অশ্লীল গালি-গালাজৰ লগতে হত্যাৰ ভাবুকি প্ৰদান কৰাৰ অভিযোগ উত্থাপন কৰি গৰৈমাৰী থানাত এজাহাৰ দাখিল কৰে। উক্ত এজাহাৰৰ ভিত্তিত ০৯/২০২৬ নম্বৰত এটা গোচৰ পঞ্জীয়ন কৰি গৰৈমাৰী আৰক্ষীয়ে কালি গ্ৰেপ্তাৰ কৰি আজি আব্দুৰ ৰেজ্জাকক আদালতত হাজিৰ কৰে যদিও আদালতে ৰেজ্জাকৰ জামিন মঞ্জুৰ কৰে। ইফালে কংগ্ৰেছৰ প্ৰাক্তন গাঁও পঞ্চায়তৰ সভাপতি আব্দুৰ ৰেজ্জাকক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰাত বৃহত্তৰ গৰৈমাৰী অঞ্চলত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উল্লেখযোগ্যযে -গৰৈমাৰীৰ আচলপাৰা গাঁও পঞ্চায়তৰ সভাপতি আব্দুৰ ৰেজ্জাক নৱগঠিত ছমৰীয়া সমষ্টিত কংগ্ৰেছৰ স্থানীয় প্ৰাৰ্থী দাবী কৰাৰ বাবে ছয়গাঁও সমষ্টিৰ বিধায়ক ৰেকিবুদ্দিন আহমেদে নিজৰ সমৰ্থক এজনৰ হতুৱাই ষড়যন্ত্ৰ মুলকভাৱে মিছা গোচৰ জাপি দিছে বুলি আব্দুৰ ৰেজ্জাকে দাবী কৰে। ইপিনে গৰৈমাৰী আৰক্ষীয়ে আজি আদালতলৈ নিয়াৰ পূৰ্বে সাংবাদিকৰ আগত আব্দুৰ ৰেজ্জাকে কাকো ভয় নকৰি নৱগঠিত ছমৰীয়া সমষ্টিৰ ৰাইজ তথা যুৱকসকলক ন্যায়ৰ হকে মাত মাতিবলৈ আহ্বান জনায়। এজন ৰেজ্জাকক গ্ৰেপ্তাৰ কৰি বহিৰাগত ৰেকিবুদ্দিন আহমেদে কেতিয়াও ছমৰীয়া সমষ্টিত কাৰো কণ্ঠৰোধ কৰিব নোৱাৰে। বহিৰাগত প্ৰাৰ্থীয়ে যাতে কোনোপধ্যেই ছমৰীয়া সমষ্টিত বিধায়ক হ'ব নোৱাৰে, তাৰ বাবে গৌৰৱ গগৈ, ৰাহুল গান্ধীক ৰেকিবুদ্দিন আহমেদক ছমৰীয়া সমষ্টিত প্ৰাৰ্থিত্ব প্ৰদান নকৰিবলৈ কংগ্ৰেছী আব্দুৰ ৰেজ্জাকে হাতযোৰ কৰি অনুৰোধ জনায়। ইপিনে আব্দুৰ ৰেজ্জাকক আদালতলৈ নিয়াৰ সময়ত একাংশ সমৰ্থকে বিধায়ক ৰেকিবুদ্দিন আহমেদৰ বিৰুদ্ধে গ'বেগ শ্ল'গান দি গৰৈমাৰী থানাৰ সন্মুখত পৰিৱেশ উত্তাল কৰি তোলে।

## এনভাইৰণ্টমেণ্ট এডুকেচন প্ৰগ্ৰাম (EEP)ৰ অধীনত তিনিচুকীয়াত শিক্ষকসকলৰ মাজত কৰ্মশালা সম্পন্ন

**ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা, ১০ ফেব্ৰুৱাৰী ঃ** এনভাইৰণ্টমেণ্ট এডুকেচন প্ৰগ্ৰাম(EEP)ৰ অধীনত অসম বিজ্ঞান প্ৰযুক্তি বিদ্যা আৰু পৰিৱেশ পৰিষদৰ পৃষ্ঠপোষকতাত তিনিচুকীয়াৰ জিলাৰ ৪০খন বিদ্যালয়ৰ মুঠ ৮০ গৰাকী শিক্ষক-শিক্ষয়িত্ৰীক পলুৰ লেটা পুনৰ ব্যৱহাৰ কৰি নান্দনিক তথা শোভাবৰ্ধক সামগ্ৰী প্ৰস্তুত কৰা (Upcycling of waste cocoons into decorative items)ৰ ওপৰত আজি তিনিচুকীয়াৰ লাই পুলিৰ বিবেকানন্দ কেন্দ্ৰ বিদ্যালয়ত এখনি এদিনীয়া প্ৰশিক্ষণ আৰু কৰ্মশালা অনুষ্ঠিত হৈ যায়। দিনজোৰা প্ৰশিক্ষণটোত বিশিষ্ট অতিথি হিচাপে থাকে ভাৰতজন বিজ্ঞান যাত্ৰাৰ উপ-সভাপতি তথা ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহৰ উপদেষ্টা জিতেন শৰ্মা, সমগ্ৰ শিক্ষাৰ তিনিচুকীয়া নগৰ শিক্ষাখণ্ডৰ খণ্ড সমল ব্যক্তি দুৰ্জয় লোচন চেতিয়া, তিনিচুকীয়াৰ সৌমাৰ বিজ্ঞান পৰিৱেশ সংঘৰ সভাপতি মদন দত্ত আৰু গুৰু টেগ বাহাদুৰ একাডেমীৰ শিক্ষক শৈলেন্দ্ৰ মোহন দাস। কৰ্মশালাত মুখ্য সমল ব্যক্তি হিচাপে উপস্থিত থাকে তিনিচুকীয়া জিলা ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহ আৰু আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ তিনিচুকীয়া জিলাৰ সমন্বয়ক দিগন্ত কুমাৰ ভাজনী, অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদৰ প্ৰশিক্ষণপ্ৰাপ্ত অৰূপ ৰয়, সঞ্জয় যাদৱ, বিশিষ্ট উদ্ভাৱক বিজ্ঞানী সুৰেণ বৰুৱা আৰু মাকুম মহাবিদ্যালয়ৰ অধ্যাপক শংকৰ বৰুৱা। প্ৰশিক্ষণত ব্যৱহাৰৰ অযোগ্য বা আঁহ উলিওৱাৰ পিছত ৰৈ যোৱা মুগা, এৰী বা পাট পলুৰ লেটাবোৰ কাটি, ৰং কৰি বা বিভিন্ন আকৃতি দি ধুনীয়া ফুল, গহনা, ৱাল হেঙিং বা উপহাৰৰ সামগ্ৰী কেনেকৈ তৈয়াৰ কৰিব পাৰি তথা লেটাৰ পৰা সূতা উলিওৱাৰ পিছত পোৱা অৱশিষ্ট অংশৰে নতুন আৰু আকৰ্ষণীয় সামগ্ৰী যে বনাব পাৰি সেই সম্পৰ্কে বিশদভাৱে প্ৰশিক্ষণ প্ৰদান কৰা হয়। কাৰ্যসূচীত সহযোগিতা আগবঢ়ায় এনভাইৰণ্টমেণ্ট এডুকেচন প্ৰগ্ৰাম(EEP)ৰ তিনিচুকীয়া জিলাৰ সমন্বয়ক ৰাজদেৱ কৌশিকে। প্ৰশিক্ষণৰ অন্তত সকলো অংশগ্ৰহণকাৰী শিক্ষক-শিক্ষয়িত্ৰীক একোখনকৈ মান পত্ৰ প্ৰদান কৰা হয়।

**▪ চলন্ত বাহনৰ জৰিয়তে চলিব সজাগতা অভিযান ▪**

## ডিমৌত ৰিজাৰ্ভ বেংকৰ উদ্যোগত বিত্তীয় সাক্ষৰতা সপ্তাহৰ শুভাৰম্ভ

**অসম বাৰ্তা, ডিমৌ, ১০ ফেব্ৰুৱাৰী ঃ** ভাৰতীয় ৰিজাৰ্ভ বেংকৰ নিৰ্দেশ মৰ্মে আজিৰে পৰা ডিমৌ উন্নয়ন খণ্ডৰ অন্তৰ্গত বিভিন্ন প্ৰান্তত "বিত্তীয় সাক্ষৰতা সপ্তাহ"ৰ কাৰ্যসূচী আৰম্ভ হৈছে। 'মানী ৱাইজ চেণ্টাৰ ফৰ ফাইনেঞ্চিয়েল লিটাৰেছি' (CFL), ডিমৌৰ উদ্যোগত আৰু নাবাৰ্ডৰ সহযোগত আয়োজিত এই বিশেষ সজাগতা সপ্তাহৰ শুভাৰম্ভণি অনুষ্ঠানটো ডিমৌ বিধানসভা সমষ্টিৰ মহাৰাণী গাঁও পঞ্চায়তৰ প্ৰেক্ষাগৃহত সম্পন্ন হয়। সজাগতা শিবিৰটোত শিৱসাগৰ জিলাৰ অগ্ৰণী বেংকসমূহৰ মুখ্য পৰিচালক (LDM) জীৱাঞ্জু পাল আৰু নাবাৰ্ডৰ জিলা উন্নয়ন পৰিচালক (DDM) কিশোৰ ৰাভা বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। তেওঁলোকৰ লগতে পাঞ্জাৱ নেচনেল বেংকৰ ডিমৌ শাখাৰ পৰিচালক টেছৱেমু আভুন্দ আৰু অসম গ্ৰামীণ বিকাশ বেংকৰ নিতাই পুখুৰী শাখাৰ সহকাৰী প্ৰবন্ধক জুমা হাজৰিকাই অংশগ্ৰহণ কৰি সমবেত শতাধিক ৰাইজক বিত্তীয় লেনদেনৰ বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰে। বিশেষকৈ নাবাৰ্ডৰ DDM আৰু PNB-ৰ শাখা প্ৰবন্ধকগৰাকীয়ে গ্ৰাহকৰ বাবে অত্যন্ত জৰুৰী KYC আপডেট, E-KYC, C-KYC, Re-KYC আৰু একাউণ্ট হাইজিন (Account Hygiene) অৰ্থাৎ একাউণ্টটো কেনেকৈ সঠিকভাৱে পৰিচালনা কৰিব লাগে, সেই বিষয়ে বিতংভাৱে ৰাইজক অৱগত কৰে। এই বিত্তীয় সাক্ষৰতা সপ্তাহৰ অংশ হিচাপে এখন চলন্ত সজাগতা বাহনৰো (Mobile Van) ব্যৱস্থা কৰা হৈছে। এই বাহনখন আজি আনুষ্ঠানিকভাৱে উদ্বোধন কৰে জিলা LDM জীৱাঞ্জু পালে। উল্লেখ্য যে, এই বাহনখনে জিলাখনৰ ভিতৰুৱা অঞ্চলসমূহ ভ্ৰমণ কৰি ৰাইজৰ মাজত বেংকত থকা সঞ্চয় কেনেকৈ সুৰক্ষিত কৰি ৰাখিব লাগে আৰু সঞ্চয় বৃদ্ধিৰ উপায়সমূহ কি কি, সেই সন্দৰ্ভত সজাগতা সৃষ্টি কৰিব। মানী ৱাইজ CFL, ডিমৌৰ কেন্দ্ৰটোৰ অতুল হাজৰিকা, মানস জ্যোতি গগৈ, গৌৰৱ চলিহা আৰু কেপাচিটি বিল্ডিং অফিচাৰ ৰণেন বৰগোহাঁইৰ বিশেষ প্ৰচেষ্টাত নৱজোৱন গাঁও আৰু মহাৰাণী পঞ্চায়ত অঞ্চলত এই কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। অহা ১৩ ফেব্ৰুৱাৰীত সামৰণি পৰিবলগীয়া এই সজাগতা অভিযানে সাধাৰণ গ্ৰাহকক বেংকিং লেনদেনৰ ক্ষেত্ৰত অধিক সজাগ আৰু সচেতন কৰি তুলিব বুলি উদ্যোক্তাসকলে আশাপ্ৰকাশ কৰিছে।

## মঙলদৈত উন্নীতকৰণ জিলা পুথিভঁৰাল ভাৰত ৰত্ন সুধাকণ্ঠ ড° ভূপেন হাজৰিকা প্ৰেক্ষাগৃহ নামেৰে নামকৰণ জিলা পুথিভঁৰালৰ

**অসম বাৰ্তা, মঙলদৈ, ১০ ফেব্ৰুৱাৰী ঃ** মঙলদৈ জিলা পুথিভঁৰালটি উন্নীতকৰণ ৰূপত অলপতে উদ্বোধন কৰিলে বিধায়ক বসন্ত দাসে। বিধায়ক উন্নয়ন পুঁজিৰ ৫০ লাখ টকাৰে উন্নীতকৰণ কৰা হ'ল জিলা পুথিভঁৰালটি। ২০০৫ চনতে নিৰ্মাণ কৰা পুথিভঁৰালটি জহি-খহি যোৱাৰ অৱস্থা হৈছিল। সেয়েহে বিধায়ক বসন্ত দাসে বিধায়ক উন্নয়ন পুঁজিৰ পৰা ৫০ লাখ টকাৰে মঞ্চ, শীত-তাপ নিয়ন্ত্ৰিত যন্ত্ৰ সংযোজনেৰে, সন্মুখৰ চোতাল, খোলা মঞ্চ এটি আদি উন্নীতকৰণ কৰি ভাৰত ৰত্ন সুধাকণ্ঠ ড° ভূপেন হাজৰিকা প্ৰেক্ষাগৃহ নাম দি আধুনিক হিচাপে গঢ়ি তোলা হয়। উদ্বোধনী অনুষ্ঠানত ২০২১-২৬ বৰ্ষৰ কাৰ্যকালত ৰূপায়ণ হোৱা বিভিন্ন উন্নয়নমূলক আঁচনিৰ অৱলোকন, মূল্যাংকন আৰু ভৱিষ্যৎ কাৰ্যপন্থা গ্ৰহণ সম্পৰ্কে এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। অনুষ্ঠানৰ লগত সংগতি ৰাখি প্ৰবীণ ক্ৰীড়াবিদ, ক্ৰীড়া সংগঠক বীৰেন চন্দ্ৰ মেধি, কৃতী শিক্ষয়িত্ৰী, সাহিত্যিক কিৰণ শইকীয়া বড়া, বিশিষ্ট উদ্যোগপতি, সমাজকৰ্মী মুকুল চন্দ্ৰ ডেকা, প্ৰবীণ সাংবাদিক প্ৰশান্ত বৰুৱা, আন্তঃৰাষ্ট্ৰীয় নৃত্য পটীয়সী ভানু ডেকা চহৰীয়া, বিশিষ্ট ৰক্তদাতা, সমাজকৰ্মী শেখৰ মজুমদাৰ, বিশিষ্ট সমাজকৰ্মী তথা নিৰিবিলি বৃদ্ধাবাসৰ পৰিচালক বিনয় শৰ্মা আৰু বিশিষ্ট সমাজকৰ্মী তথা কস্তুৰী শিশু গৃহৰ পৰিচালক ৰশ্মিৰেখা শৰ্মাক সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত জিলা আয়ুক্ত পূবালী গোহাঁই, কোচ ৰাজবংশী উন্নয়ন পৰিষদৰ অধ্যক্ষ কুমাৰ প্ৰণৱ নাৰায়ণ দেব, দৰং জিলা পৰিষদৰ সভাপতি শেৱালি গোস্বামী কলিতা, মঙলদৈ পৌৰসভাৰ পৌৰপতি নিৰ্মালি দেবী শৰ্মা, খাৰুপেটীয়া পৌৰ সভাৰ পৌৰপতি কৃষ্ণা সাহা, ভাৰতীয় জনতা পাৰ্টী, দৰং জিলাৰ সভাপতি মকুণ্ড ডেকা, মঙলদৈ মহাবিদ্যালয় অধ্যক্ষ ড° কমলাকান্ত বড়াৰ লগতে মঙলদৈৰ বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

## ডাঙৰীৰ ফুলবাৰী হাবি প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ মুকলিৰ দাবীত অৱস্থান ধৰ্মঘটৰ কাৰ্য্যসূচী আছুৰ

**অসম বাৰ্তা, ছৈখোৱা, ১০ ফেব্ৰুৱাৰী ঃ** তিনিচুকীয়া জিলাৰ শদিয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত ডাঙৰীৰ ফুলবাৰী হাবি প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰটি বিগত দশক জুৰি উদ্বোধন নকৰাত জাঙুৰ খাই উঠিছে ডাঙৰী আঞ্চলিক ছাত্ৰ সন্থা। ৮১ নং শদিয়া সমষ্টিৰ ৰিধায়ক বলিন চেতিয়াই ফুলবাৰী হাবি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ উদ্বোধন কৰি চিকিৎসা সেৱা মুকলি কৰিব নোৱাৰাৰ চূড়ান্ত ব্যৰ্থতাৰ প্ৰতিবাদত আজি ডাঙৰী আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত ফুলবাৰী গাঁৱৰ ৰাইজ আৰু ধেলাগুৰি ৰাইজৰ প্ৰতিনিধিৰ লগত এখনি যৌথ সভা অনুষ্ঠিত হয়। উক্ত সভাতেই ৰাইজৰ সৰ্বসন্মতিক্ৰমে অহা ১৩ ফেব্ৰুৱাৰী ২০২৬ তাৰিখে শুক্ৰবাৰে জাতি-জনগোষ্ঠী সকলো ৰাইজে একত্ৰিত হৈ অৱস্থান গ্ৰহণ কৰি প্ৰতিবাদ সাব্যস্ত কৰাৰ সিদ্ধান্তগ্ৰহণ কৰা হয়। সদৌ তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ উপ সভাপতি তথা ডাঙৰী আঞ্চলিক ছাত্ৰ সন্থাৰ উপদেষ্টা পূহেশ্বৰ সোণোৱালে বিগত ২০ বছৰে শদিয়া সমষ্টিৰ বিধায়ক একেজন ব্যক্তি অধিষ্ঠিত হৈ থকাৰ পাছটো এখন ক্ষুদ্ৰ স্বাস্থ্য কেন্দ্ৰ কিয় মুকলি কৰিব নোৱাৰিলে তাক লৈ প্ৰশ্ন উৎথাপন কৰে লগতে ফুলবাৰী হাবি প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰটি উদ্বোধন কৰিবলৈ দাবী জনায়।

## নাহৰকটীয়া আমোলাপট্টিৰ বিভিন্ন সমস্যাক লৈ ৰাজহুৱা সভা সম্পন্ন

**অসম বাৰ্তা, নাহৰকটীয়া, ১০ ফেব্ৰুৱাৰী ঃ** ৯২ নং নাহৰকটীয়া বিধানসভা সমষ্টিৰ আৰু নাহৰকটীয়া পৌৰসভাৰ অৰ্ন্তগত ১০ নং ৱাৰ্ডৰ আমোলাপট্টিৰ বাসিন্দা সকলে দীৰ্ঘদিনৰ পৰা ভুগি অহা বিভিন্ন সমস্যা সমূহৰ সন্দৰ্ভত যোৱা ৭ ফেব্ৰুৱাৰীত স্থানীয় অইল ফিল্ডত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। এই সভাত সভাপতিত্ব কৰে নাহৰকটিয়া মহাবিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত উপাধ্যক্ষ নৰেন চাংমাইয়ে। শতাধিক অঞ্চলটোৰ ৰাইজ উপস্থিত থকা সভাখনত আমোলাপট্টিৰ মূল পথটো সম্প্ৰতি জৰাজীৰ্ণ হৈ পৰাত উক্ত পথেদি সাধাৰণ ৰাইজ যাতায়াত কৰাটো দুৰ্বিষহ হৈ পৰিছে। উল্লেখ্য এই পথটো ২০১৯-২০ বৰ্ষত SOPDODS আঁচনিৰ অধীনত ৫১২ মিটাৰ পথ প্ৰায় ২৩, ৯৬, ৫০০ লাখ টকাৰে প্ৰীতম জ্যোতি হাজৰিকা নামৰ এজন ঠিকাদাৰে পিভাৰেজ ব্লক দি নিৰ্মাণ কৰিছিল যদিও অতি নিম্নমানৰ সামগ্ৰীৰে পথটো নিৰ্মাণ কৰা বাবে খুব কম দিনৰ ভিতৰতে পথটোত থকা ব্লক সমূহ ভাঙি যোৱাত পথটোৰেদি চলাচল কৰাত অসুবিধাৰ সৃষ্টি হৈছে। এই পথটোৰেদি দৈনিক কেইবাখনো বিদ্যালয়ৰ ছাত্ৰ ছাত্ৰী বিদ্যালয়লৈ অহা যোৱা কৰাৰ উপৰিও সহস্ৰাধিক সাধাৰণ লোকৰ চলাচল হয়। ইয়াৰ উপৰিও এই পথটোত এটা দিশত মাত্ৰ ২০০ মিটাৰমানহে পূৰ্বৰ কংগ্ৰেছ চৰকাৰৰ দিনত এটি নিম্নমানৰ নৰ্দমা নিৰ্মাণ কৰা হৈছিল যদিও পানী উলাই যোৱাৰ কোনো ব্যৱস্থা নথকাৰ বাবে বাৰিষাৰ দিনত নৰ্দমাৰ লেতেৰা পানী পথৰ ওপৰেদি বাগৰি আহে। এই সভাৰ যোগেদি আমোলাপট্টিৰ মূল পথৰ উপৰিও উপপথ সমূহত আৰ চি চি নৰ্দমা নিৰ্মাণ কৰা, পথটো বহলিকৰণ কৰা আদিৰ লগতে বহুকেইটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰাৰ লগতে শীঘ্ৰে এই সন্দৰ্ভত স্থানীয় বিধায়ক তৰঙ্গ গগৈক সাক্ষাৎ কৰা হ'ব বুলি আয়োজক সমিতিয়ে জানিবলৈ দিয়ে।

**শপতনামা**

পূব শিয়ালমাৰী মৌজাৰ ৩ নং কছাৰী ভেটিটোপ গাঁৱৰ ২৬ আৰু ৯ নং ম্যাদী পট্টাৰ ৩৬, ৩৫ নং দাগে মোৰ নামটো শ্ৰী হবিবুৰ ৰহমান আৰু পিতাৰ নামটো ভুলক্ৰমে ফালু সেখ হৈ আছে। গাঁও প্ৰধানৰ প্ৰমাণ পত্ৰ, শপত নামা, পান কাৰ্ড, ভোটাৰ তালিকাৰ তথ্য মতে মোৰ নামটো হৈছে হবিবুৰ ৰহমান আৰু পিতাৰ শুদ্ধ নাম' মাজুম আলী হ'ব লাগে। AB-16/2026

**AFFIDAVIT**

I do hereby declare that my actual and correct name is Rajib Dutta. But in my Aadhaar Card, my name has been wrongly recorded as Rajib Datta instead of Rajib Dutta. Rajib Dutta and Rajib Datta are the same and one person i.e. myself. AB-17/2026

### বিভিন্ন দিশৰ ৩৭ গৰাকী হিতাধিকাৰীক চেক প্ৰদান

# বিজনীত বড়োলেণ্ড দিৱস উদ্‌যাপন



**অসমবাৰ্তা, বিজনী, ১১ ফেব্ৰুৱাৰী ঃ** চিৰাং জিলাৰ বিজনী চহৰৰ বিজনী জিলা ক্ৰীড়া সন্থাৰ খেলপথাৰত আজি ২৪ সংখ্যক বড়োলেণ্ড দিৱস উদ্‌যাপন কৰা হয়। বিজনী জিলা বিপিএফৰ উদ্যোগত বিটিচি চুক্তিৰ ২৪ বৰ্ষ উপলক্ষে দিনযোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা বড়োলেণ্ড দিৱসৰ কাৰ্যসূচীৰ অংশ হিচাবে পুৱা বডোফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন, মাল্যাৰ্পণ আৰু ৰাষ্ট্ৰীয় পতাকা উত্তোলন কাৰ্যসূচী ৰূপায়ণ কৰে বিটিচিৰ কাৰ্যবাহী সদস্য ধীৰাজ বৰগয়াৰীয়ে। বিজনী মহকুমা ভিত্তিত অনুষ্ঠিত হোৱা বড়োলেণ্ড দিৱসত দুপৰীয়াৰ ভাগত বিটিচিৰ কাৰ্যবাহী সদস্য ধীৰাজ বৰগয়াৰীৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত বিজনীৰ বিভিন্ন অঞ্চলৰ ২০ গৰাকী বড়ো জাতীয় শ্বহীদ পৰিয়ালৰ সদস্যক সম্বৰ্ধনা জনোৱাৰ উপৰিও গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত অনুষ্ঠিত হোৱা বাগুৰুম্বা দহো নৃত্যত অংশগ্ৰহণ কৰা বিজনী অঞ্চলৰ শিল্পী সকলকো সভাত সম্বৰ্ধনা জনোৱা হয়। উক্ত সভাতেই ৯ গৰাকী জ্যেষ্ঠ ব্যক্তিক ১০ হাজাৰ টকাকৈ, ৭ গৰাকী উদ্যোগীক ১০ হাজাৰ টকাকৈ, ৫ গৰাকী যুৱ খেলুৱৈক ২ লাখ টকাকৈ, ৫টা আত্মসহায়ক গোটক ১৫ হাজাৰ টকাকৈ, ৬ গৰাকী বিশেষভাৱে সক্ষম ব্যক্তিক ১০ হাজাৰ টকাকৈ চেক প্ৰদান কৰাৰ লগতে ৫ গৰাকী ব্যক্তিক মাটিৰ পাট্টা প্ৰদান কৰে। ইয়াৰ সমান্তৰালকৈ বড়োলেণ্ড দিৱসৰ লগত সংগতি ৰাখি বিভিন্ন ধৰণৰ সাংস্কৃতিক কাৰ্যক্ৰমৰ লগতে জিলা ক্ৰীড়া সন্থাৰ খেলপথাৰত ভলীবল প্ৰতিযোগিতা অনুষ্ঠিত হয়। আজিৰ কাৰ্যসূচীত মুখ্য অতিথি হিচাপে উপস্থিত থাকে কাৰ্যবাহী সদস্য দেৱহাচাদ বসুমতাৰী। ইফালে উক্ত সভাত বিজনীৰ বিধায়ক অজয় কুমাৰ ৰায়, থুৰিবাৰী সমষ্টিৰ পাৰিষদ খলিলুৰ ৰহমান, মানাহ চেৰফাং সমষ্টিৰ প্ৰাক্তন পাৰিষদ সুভাষ চন্দ্ৰ বসুমতাৰী, প্ৰাক্তন বিধায়ক কমল ব্ৰহ্ম, প্ৰাক্তন বিধায়ক ৰোমিও ব্ৰহ্ম, বিজনী জিলা বিপিএফৰ সভাপতি ৰবিৰাম খাকলাৰীসহ অন্যান্য অতিথিবৃন্দ উপস্থিত থাকে।

# দৰঙৰ ঔতলাত স্বাস্থ্য সজাগতা শিবিৰ চিকিৎসা আৰু ঔষধ প্ৰদান

**অসম বাৰ্তা, মঙলদৈ, ১১ ফেব্ৰুৱাৰী ঃ** দৰঙৰ ঔতলাৰ বেছিমাৰী শিৱ মন্দিৰ প্ৰাঙ্গণত ২৩তম ধন্বন্তৰি সেৱা যাত্ৰা উপলক্ষে সেৱা ভাৰতী পূৰ্বাঞ্চল, নেচনেল মেডিকোজ অৰ্গেনাইজেচন আৰু আয়ুৰ্বেদিক মেডিকেল অৰ্গেনাইজেচনৰ উদ্যোগত আৰু অসম কেন্সাৰ কেয়াৰ ফাউণ্ডেচনৰ সহযোগত শুকুৰবাৰে এটি স্বাস্থ্য সজাগতা শিবিৰ অনুষ্ঠিত হয়। স্বাস্থ্য সজাগতা শিবিৰত কেইবাগৰাকীও অনুষ্ঠিত অভিজ্ঞ চিকিৎসক উপস্থিত থাকি ৰাইজক চিকিৎসা প্ৰদান কৰে আৰু দৰং কৰ্কট কেন্দ্ৰৰ চিকিৎসক নাৰ্ছ উপস্থিত থাকি কেন্সাৰ স্ক্ৰীনিং কৰাৰ লগতে কেন্সাৰ সজাগতা, সাৱধানতা আৰু দৰং কৰ্কট কেন্দ্ৰত উপলব্ধ। চিকিৎসাসমূহৰ বিষয়ে অৱগত কৰে। স্বাস্থ্য সজাগতা - শিবিৰত অহা লোকসকলক চিকিৎসকে চোৱাৰ পিছত ৩টা ঔষধ প্ৰদান কৰে। স্বাস্থ্য সজাগতা শিবিৰত ডাঃ বিবেক ৰঞ্জন, ডাঃ স্নিগ্ধা দাস, ডাঃ শুভ গুপ্তা, ডাঃ আকাশ প্ৰসাদ, ডাঃ কৃষ্ণ প্ৰসাদৰ লগতে দৰং কটি কেন্দ্ৰৰ চিকিৎসক ডাঃ ছহিদুল ইছলাম, নাৰ্জনয়না শৰ্মা, ৰোগী সমন্বয়ক নিৰঞ্জন শইকীয়া আৰু সেৱা ভাৰতী পূৰ্বাঞ্চলৰ তৰফৰ পৰা পৰা সমন্বয়ক বিষ্ণু বসুমতাৰী উপস্থিত থাকে। স্বাস্থ্য সজাগতা শিবিৰত শতাধিক লোক উপস্থিত থাকি চিকিৎসা গ্ৰহণ কৰে আৰু ঔষধ গ্ৰহণ কৰে।

## নাওজান বেতনিত অৰ্ধগলিত অৱস্থাত অচিনাক্ত মৃতদেহ উদ্ধাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, সৰুপথাৰ, ১১ ফেব্ৰুৱাৰী ঃ** সৰুপথাৰ সমজিলাৰ অন্তৰ্গত নাওজান অঞ্চলৰ বেতনি কোৱাৰ্টাৰৰ সমীপৰ ৰে'লৱে লাইনৰ কাষত এটি অচিনাক্ত মৃতদেহ অৰ্ধগলিত অৱস্থাত উদ্ধাৰ কৰা হৈছে। জানিব পৰা তথ্য মতে মৃতদেহটো পোন প্ৰথমে কেইজনমান ৰে'ল লাইনৰ কাষত হাবি কাটি থকা মানুহে প্ৰত্যক্ষ কৰে আৰু তেওঁলোকে তেওঁলোকৰ মহৰিক খবৰ দিয়ে। পৰৱৰ্তী সময়ত তেওঁলোকৰ মহৰীজনে ৰে'ল বিভাগৰ লোকৰ খবৰটো দিয়ে আৰু উক্ত খবৰৰ ভিত্তিত ঘটনাস্থলীত ৰে'লৱে আৰক্ষী উপস্থিত হয়। ৰে'লৱে আৰক্ষীৰ তদন্ত অনুসৰি মৃতদেহটো পুৰুষ ব্যক্তিৰ বুলি জানিব পৰা গৈছে যদিও ৰে'লৱে আৰক্ষীয়ে উল্লিখিত মৃতদেহৰ কোনো পৰিচয় আৰু পৰিয়াল সন্দৰ্ভত কোনো তথ্য লাভ কৰিবলৈ সক্ষম হোৱা নাই। ৰে'লৱে আৰক্ষীয়ে ৰে'লত খুন্দা খায়েই অচিনাক্ত ব্যক্তিজনৰ মৃত্যু হৈছে বুলি অনুমান কৰিছে। পিছত মৃতদেহটো মৰোণোত্তৰ পৰীক্ষাৰ বাবে গোলাঘাট কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে।

# প্ৰিমিয়াৰ লিগ চেম্পিয়নশ্বিপ ক্ৰিকেটত নাজিৰা ক্ৰিকেট একাডেমী চূড়ান্ত বিজয়ী

**অসম বাৰ্তা, নামতি, ১১ ফেব্ৰুৱাৰী ঃ** অসম ক্ৰিকেট সন্থাৰ তত্ত্বাৱধানত নাজিৰা জিলা ক্ৰীড়া সন্থাৰ ক্ৰিকেট বিভাগৰ সহযোগত ক্ৰীড়া সন্থাৰ খেলপথাৰত অনুষ্ঠিত অষ্টম অসম প্ৰিমিয়াৰ লিগ চেম্পিয়নশ্বিপ ক্ৰিকেট প্ৰতিযোগিতাত ক্ৰিকেট ক্লাৱ অফ নাজিৰাৰ দলক ১৭৩ ৰাণত পৰাজিত কৰি নাজিৰা ক্ৰিকেট একাডেমীৰ দলে চূড়ান্ত বিজয়ী খিতাপ অৰ্জন কৰে। খেলৰ প্ৰথম ইনিংচত নাজিৰা ক্ৰিকেট একাডেমীৰ দলে প্ৰথমে বেট ধৰি ৫৫ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ২১৩ ৰাণ সংগ্ৰহ কৰে। দললৈ আব্দুল চাজাদে ৯৬টা বল খেলি ৮৫ ৰাণ আৰু ৰাজেন সৰকাৰে ৪৩টা বল খেলি ৫২ ৰাণৰ বৰঙনি আগবঢ়ায়। বলিঙত ক্ৰিকেট ক্লাৱ অফ নাজিৰাৰ সত্যব্ৰত গগৈ আৰু তনু গগৈয়ে ৩ টাকৈ উইকেট লাভ কৰে। প্ৰত্যুত্তৰত ক্ৰিকেট ক্লাৱ অফ নাজিৰাৰ দলে আটাইকেইটা উইকেট হেৰুৱাই ৭৯ ৰান সংগ্ৰহ কৰে। দললৈ প্ৰণৱ কুমাৰ দাসে ৭২টা বল খেলি ৩৪ ৰাণৰ বৰঙণি আগবঢ়াই। বলিঙত দিপাঞ্জল বৰাই ৪টা উইকেট আৰু ভজন্তা বৰাই ৩টা উইকেট লাভ কৰে। খেলৰ দ্বিতীয় ইনিংচত নাজিৰা ক্ৰিকেট একাডেমীয়ে ৯টাকৈ ১২৫ সংগ্ৰহ কৰে। দললৈ ৰঞ্জন সৰকাৰে ৩২টা বল খেলি ৩৮ ৰাণ আৰু অভিজিৎ গুপ্তাই ৪১টা বল খেলি ৩০ ৰাণৰ বৰঙনি আগবঢ়ায়। বলিঙত ক্ৰিকেট ক্লাৱ অফ নাজিৰাৰ সত্যব্ৰত গগৈয়ে ৭টা উইকেট লাভ কৰে। প্ৰত্যুত্তৰত ক্ৰিকেট ক্লাৱ অফ নাজিৰাৰ দলে ২২ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই৮৬ ৰাণ সংগ্ৰহ কৰে। দললৈ য়াছ শৰ্মাই ৪১টা বল খেলি ৩২ ৰাণৰ বৰঙণি আগবঢ়ায়। বলিঙত নাজিৰা ক্ৰিকেট একাডেমীৰ দিপক হাকলাৰীয়ে ৫টা আৰু দিপাঞ্জল বৰাই ২টা উইকেট লাভ কৰে। খেলত নাজিৰা ক্ৰিকেট একাডেমীৰ দলে ক্ৰিকেট ক্লাৱ অফ নাজিৰাৰ দলক ১৭৩ ৰাণত পৰাজিত কৰি চূড়ান্ত বিজয়ী খিতাপ অৰ্জন কৰে। চূড়ান্ত খেলৰ আম্পায়াৰ আছিল ৰুবুল আলী আৰু মুক্তাৰ হাচান। স্ক'ৰাৰ জাহিদ ৰহমান। খেলৰ অন্তত নাজিৰা জিলা ক্ৰিকেট সন্থাৰ কাৰ্যকৰী সভাপতি আব্দুৰ ৰহমানে আঁতধৰা বঁটা বিতৰণী অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি নাজিৰা জিলা ক্ৰীড়া সন্থাৰ প্ৰতিষ্ঠাপক প্ৰাক্তন সভাপতি তথা অৱসৰী অধ্যাপক তুলসী শেনচোৱা, অসম ক্ৰিকেট সন্থাৰ প্ৰাক্তন সভাপতি তথা নাজিৰা জিলা ক্ৰীড়া সন্থাৰ সভাপতি ৰমেন দত্ত, সাধাৰণ সম্পাদক গোপাল গগৈ, অসম ক্ৰিকেট সন্থাৰ পৰ্যবেক্ষক দেৱজিৎ বৰা আদিকে ধৰি ভালেকেইজনে বক্তব্য দাঙি ধৰাৰ লগতে নাজিৰা জিলা ক্ৰীড়া সন্থাৰ ক্ৰিকেট বিভাগৰ সভাপতি প্ৰাণজিৎ বৰুৱা, সম্পাদক বাসুদেৱ হাজৰিকা, ক্ৰীড়া সংগঠক ইমদাদুল আলী, ৰবীন্দ্ৰ দাস, ভাৰতীয় মজদুৰ সংঘৰ সম্পাদক ভাস্কৰ দাস আদিকে ধৰি ভালেকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে। প্ৰতিযোগিতাত ক্ৰিকেট ক্লাৱ অফ নাজিৰাৰ সত্যব্ৰত গগৈয়ে মেন অৱ দ্যা চিৰিজ, ক্ৰিকেট একাডেমীৰ আজিজুল হকে শ্ৰেষ্ঠ ফিল্ডাৰ, ক্ৰিকেট ক্লাৱ অফ নাজিৰাৰ সত্যব্ৰত গগৈয়ে শ্ৰেষ্ঠ বলাৰ আৰু ঋতুৰাজ কোঁৱৰে শ্ৰেষ্ঠ বেটছমেন বঁটা লাভ কৰে। চূড়ান্ত খেলত ক্ৰিকেট একাডেমীৰ দিপাঞ্জল বৰাই মেন অৱ দ্যা মেচ আৰু ক্ৰিকেট ক্লাৱ অফ নাজিৰাৰ সত্যব্ৰত গগৈয়ে শ্ৰেষ্ঠ খেলুৱৈ বঁটা লাভ কৰে। এই প্ৰতিযোগিতাত চূড়ান্ত বিজয়ী দলক অসম ক্ৰিকেট সন্থাৰ তৰফৰ পৰা ১.৫০ লাখ টকা আৰু নাজিৰা ক্ৰিকেট বিভাগৰ তৰফৰ পৰা প্ৰয়াত নাৰায়ন হাজৰিকা সোঁৱৰণি ট্ৰফী আৰু বিজিত দলক অসম ক্ৰিকেট সন্থাৰ তৰফৰ পৰা ১ লাখ টকা আৰু ক্ৰিকেট বিভাগৰ তৰফৰ পৰা পি কে বৰদলৈ ট্ৰফী প্ৰদান কৰা হয়। বিজয়ী আৰু বিজিত দলক উক্ত ধন গুৱাহাটীত অনুষ্ঠিত হ'ব লগা অনুষ্ঠানত প্ৰদান কৰিব।

# 'দেশতকৈ মামী ডাঙৰ নহয়' শ্লোগানেৰে মাজুলীত কংগ্ৰেছ দলৰ প্ৰতিবাদী কাৰ্যসূচী

**অসম বাৰ্তা, মাজুলী, ১১ ফেব্ৰুৱাৰী ঃ** অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি তথা যোৰহাট লোক সভাসভা সমষ্টিৰ সাংসদ গৌৰৱ গগৈয়ে কালি গুৱাহাটীত সংবাদমেল সম্বোধন কৰি অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে আৰু তেওঁৰ পৰিয়ালৰ বিৰুদ্ধে ভূমি সম্পৰ্কীয় বহু আভিযোগ উত্থাপন কৰিছিল। মুখ্যমন্ত্ৰী আৰু তেওঁৰ পৰিয়ালৰ লোকৰ নামে বেনামে বহু সম্পত্তিৰ অধিকাৰী হোৱাৰ লগতে ১২ হাজাৰ বিঘা ভূমি পৰিয়ালৰ নানান সদস্যৰ নামত ক্ৰয় কৰাৰ অভিযোগ উত্থাপন কৰিছিল গৌৰৱ গগৈয়ে। তাৰ প্ৰতিবাদ কল্পে আৰু ন্যায় বিচাৰি অসম প্ৰদেশ কংগ্ৰেছে সমগ্ৰ ৰাজ্য জুৰি ঘোষণা কৰা প্ৰতিবাদী কাৰ্যসূচীৰ অংশ হিচাপে আজি মাজুলী গড়মূৰত জিলা কংগ্ৰেছে ৰূপায়ণ কৰে প্ৰতিবাদী কাৰ্যসূচী। আজি দুপৰীয়া প্ৰায় ২.৩৯ বজাত মাজুলী কংগ্ৰেছৰ কাৰ্যালয় ৰাজীৱ ভৱনৰ পৰা পৰা অৰ্দ্ধ শতাধিক কংগ্ৰেছ কৰ্মীয়ে সন্মুখত "দেশতকৈ মামী ডাঙৰ নহয়" বেনাৰ লৈ একে শ্লোগানেৰে হাতে হাতে প্লে'কাৰ্ড লৈ গড়মূৰ তিনিআলিত হিমন্ত বিশ্ব শৰ্মা আৰু পৰিয়ালৰ ভূমি সম্পৰ্কীয় অভিযোগৰ প্ৰতিবাদ সাব্যস্ত কৰে। আজিৰ এই প্ৰতিবাদত নেতৃত্বত প্ৰদান কৰে কংগ্ৰেছ নেতা দিনমণি দত্ত, বিষ্ণু কমল পায়েং আৰু জিলা সভাপতি অমল পূজাৰীয়ে।

# আগন্তুক অসম বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত কামৰূপ জিলাৰ ৬ টা বিধানসভা সমষ্টিৰ চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১১ ফেব্ৰুৱাৰী ঃ** ভাৰতৰ নিৰ্বাচন আয়োগৰ নিৰ্দেশনাৰ ওপৰত ভিত্তি কৰি কামৰূপ জিলাৰ জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া দেৱকুমাৰ মিশ্ৰই মঙ্গলবাৰে আগন্তুক অসম বিধানসভাৰ নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত এক সংবাদমেল সম্বোধন কৰি কামৰূপ জিলাৰ অন্তৰ্গত ৬টা বিধানসভা সমষ্টি ক্ৰমে ২৭ নং ছমৰীয়া, ২৮ নং বকো-ছয়গাঁও (অনুসূচীত জাতি), ২৯ নং পলাশবাৰী, ৩০ নং হাজো-শুৱালকুছি (অনুসূচীত জাতি), ৩১ নং ৰঙিয়া আৰু ৩২ নং কমলুপৰ বিধানসভা সমষ্টিৰ বাবে বিশেষ সংক্ষিপ্ত সংশোধনীৰ চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ




কৰে। সংবাদমেলত কামৰূপ জিলা আয়ুক্ত গৰাকীয়ে সদৰি কৰা অনুসৰি কামৰূপ জিলাৰ ৬টা বিধানসভা সমষ্টিৰ সৰ্বমুঠ ভোটাৰৰ সংখ্যা হ'ল ১২, ৪৪, ০৩০ গৰাকী। ইয়াৰে ৬, ২৪, ৫৪০ গৰাকী পুৰুষ, ৬, ১৯, ৪৯০ গৰাকী মহিলা ভোটাৰ। সৰ্বমুঠ চাৰ্ভিচ ভোটাৰৰ সংখ্যা হ'ল ২, ৮৩৭ ইয়াৰে ২, ৭৫৯ গৰাকী পুৰুষ আৰু ৭৮ গৰাকী মহিলা ভোটাৰ। উল্লেখ্য যে বিশেষ সংক্ষিপ্ত সংশোধনী ২০২৫-২৬ৰ সময়ছোৱাত জিলাখনত মুঠ ভোটাৰৰ পঞ্জীয়ন ২৮, ৬৩৫ গৰাকী, মুঠ ভোটাৰৰ নাম কৰ্তন ৫৭, ৫০৪ গৰাকী, মুঠ ভোটাৰৰ শুধৰণী ২৮, ৭৪৭ গৰাকী আৰু মুঠ ভোটাৰৰ স্থানান্তৰ ৩১৪৯ গৰাকী হয় বুলি আয়ুক্ত গৰাকীয়ে সংবাদমেলত লগতে সদৰি কৰে। মঙ্গলবাৰৰ এই অনুষ্ঠানত কামৰূপৰ জিলা উন্নয়ন আয়ুক্ত সুশান্ত কুমাৰ দত্ত, অতিৰিক্ত আয়ুক্তসকল ক্ৰমে গৰ্গমোহন দাস, আদিত্য গগৈ, প্ৰাণজিত কুমাৰ দেৱ, পলাশবাৰী সম-জিলা আয়ুক্ত ৰশ্মি বৰুৱা গগৈ, ৰঙিয়া সম-জিলা আয়ুক্ত দেৱাশিস গোস্বামী, বকো-ছয়গাঁও সম-জিলা আয়ুক্ত প্ৰিয়াংশু ভাৰদ্বাজ, নিৰ্বাচনী বিষয়া ড° ভূপালী কাশ্যপ, ৰাজহ চক্ৰ বিষয়াকে ধৰি স্বীকৃতিপ্ৰাপ্ত ৰাজনৈতিক দলসমূহৰ প্ৰতিনিধিসকল উপস্থিত থাকে। উল্লেখ্য যে বিশেষ সংক্ষিপ্ত সংশোধনীৰ চূড়ান্ত ভোটাৰ তালিকাখন জিলা আয়ুক্ত, সম-জিলা আয়ুক্ত, ৰাজহ চক্ৰ বিষয়া কাৰ্যালয়ত চাব পাৰিব।

৫২টা জাতি-উপজাতিৰ কৃষ্টি-সংস্কৃতিৰে মুখৰিত হ'ল ডিমৌৰ আকাশ-বতাহ

# ডিমৌত চাহ জনগোষ্ঠী জাতীয় মহাসভাৰ বৰ্ণাঢ্য মহাসমাৰোহ সম্পন্ন

**অসম বাৰ্তা, ডিমৌ, ১১ ফেব্ৰুৱাৰী ঃ** অসমৰ চাহ জনগোষ্ঠীয় সমাজখনৰ ঐক্য আৰু সংহতিৰ এক অনন্য নিদৰ্শন কালি দেখিবলৈ পোৱা গ'ল ঐতিহাসিক ডিমৌৰ বুকুত। শিৱসাগৰ জিলা সমিতিৰ উদ্যোগত ডিমৌ ৰাজহুৱা খেলপথাৰত দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে অসম চাহ জনগোষ্ঠী জাতীয় মহাসভাৰ প্ৰথম বাৰ্ষিক মহাসমাৰোহখনি অতি উলহ-মালহেৰে সম্পন্ন হয়। পুৱা উদযাপন সমিতিৰ সভাপতি হৰেশ বাগতি আৰু কাৰ্যকৰী সভাপতি ছবিৰাম বাউৰীৰ উপস্থিতিত শিৱসাগৰ জিলা সমিতিৰ সভাপতি প্ৰহ্লাদ গুৱালাই জাতীয় মহাসভাৰ পতাকা উত্তোলন কৰে।




ইয়াৰ পাছতে জনগোষ্ঠীটোৰ অন্তৰ্গত ৫২টাকৈ জাতি-উপজাতি আৰু সমাজে নিজ নিজ ধৰ্মীয় ৰীতি-নীতিৰে পতাকা উত্তোলন কৰি এক জাতীয় ঐক্যৰ পৰিৱেশ সৃষ্টি কৰে। পতাকা উত্তোলনথলীত উড়িয়া, মুদি, ভূএগ্ৰা, কাহাৰ, ভূমিজ আদিকে ধৰি বিভিন্ন সমাজৰ লোকে নিজৰ পৰম্পৰাগত কৃষ্টি প্ৰদৰ্শন কৰে। মহাসমাৰোহৰ অন্যতম আকৰ্ষণ আছিল বৰ্ণিল সাংস্কৃতিক শোভাযাত্ৰা। ডিমৌৰ মূল পথত উলিওৱা এই শোভাযাত্ৰাই সমগ্ৰ অঞ্চলটোৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হয়। চাহ জনগোষ্ঠীৰ বৈচিত্ৰ্যময় সংস্কৃতিৰ প্ৰতিফলনে ডিমৌৰ পৰিৱেশ উৎসৱমুখৰ কৰি তোলে। ইয়াৰ পূৰ্বে সত্যকাম পাণ্ডৱৰ দ্বাৰা গছপুলি ৰোপণ আৰু বিষয়ববীয়াসকলৰ নেতৃত্বত শ্বহীদ তৰ্পণ কাৰ্যসূচী ৰূপায়িত হয়। আবেলি প্ৰহ্লাদ গুৱালাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা মুকলি সভাত নিৰ্দিষ্ট বক্তা হিচাপে ভাষণ প্ৰদান কৰে মহাসভাৰ প্ৰতিষ্ঠাপক সম্পাদক শিৱ প্ৰসাদ ভদ্ৰাই। সভাত স্থানীয় বিধায়ক সুশান্ত বৰগোহাঁইয়ে অংশগ্ৰহণ কৰি চাহ জনগোষ্ঠীটোক অসমীয়া জাতিৰ এক অভিন্ন অংগ হিচাপে অভিহিত কৰে। জিলা সভাপতি প্ৰহ্লাদ গুৱালাই ভাষণত উল্লেখ কৰে যে জনগোষ্ঠীটোৰ বিভিন্ন জাতি-উপজাতিৰ মাজত ঐক্য গঢ়ি তুলি তেওঁলোকৰ দীৰ্ঘদিনীয়া সমস্যাৰাজি সমাধানৰ বাবে মাৰ বান্ধি থিয় হোৱাটোৱে এই মহাসভাৰ মূল লক্ষ্য। উক্ত মুকলি সভাৰ মঞ্চতে ছবিৰাম বাউৰীক সভাপতি আৰু দ্বীপজ্যোতি গুৱালাক সম্পাদক হিচাপে লৈ নৱগঠিত ৫২ জনীয়া ডিমৌ আঞ্চলিক সমিতিখনৰ শপত গ্ৰহণ সম্পন্ন হয়। লগতে জননী ৰাজগড় (সভানেত্ৰী) আৰু উষা কৰ্মকাৰৰ (সম্পাদিকা) নেতৃত্বত মহিলা আঞ্চলিক সমিতিখনৰো শপত গ্ৰহণ অনুষ্ঠান অনুষ্ঠিত হয়। দিনটোৰ শেষৰ ফালে জনগোষ্ঠীয় কৃষ্টিনৃত্যৰ প্ৰতিযোগিতাই সমবেত ৰাইজক মোহিত কৰে।

# বাহনা মহাবিদ্যালয়ত স্পিকমেকৰ উদ্যোগত ৰাষ্ট্ৰীয় পৰ্যায়ৰ শিল্পীৰ ভাৰত-নাট্যম প্ৰদৰ্শন

**অসম বাৰ্তা, নিমাতীঘাট, ১১ ফেব্ৰুৱাৰী ঃ** ভাৰতীয় শাস্ত্ৰীয় সংগীতৰ গৌৰৱময় ঐতিহ্য আৰু সৰ্বজনীনতাৰ প্ৰসাৰ আৰু প্ৰচাৰৰ বাবে সমগ্ৰ দেশজুৰি সংস্কৃতিৰ কৰ্ষণ কৰা পুৰণি সংস্থা স্পিকমেক (SPICMACAY)ৰ ডিব্ৰুগড় অধ্যায়ৰ সহযোগত কালি বাহনা মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত ভাৰতনাট্যমৰ এক অনন্য অনুষ্ঠান প্ৰদৰ্শন হয়। হীৰক জয়ন্তী বৰ্ষ উদ্‌যাপন কৰা মহাবিদ্যালয়খনৰ উদ্যোগত অনুষ্ঠিত নৃত্যানুষ্ঠানত ভাৰতনাট্যম প্ৰদৰ্শন কৰে সংগীত নাটক একাডেমীৰ বিছমিল্লাহ খাঁ যুৱ পুৰস্কাৰ বিজয়ী প্ৰথিতযশা নৃত্যশিল্পী লক্ষ্মী পাৰ্থসাৰথি আত্ৰেয়ই। বিগত চাৰি দশকতকৈও অধিক কাল ভাৰত নাট্যমৰ সাধনা কৰা আৰু দূৰদৰ্শনৰ এ-গ্ৰেডৰ শিল্পীৰ মৰ্যাদাপ্ৰাপ্ত দেশ- বিদেশত নৃত্য প্ৰদৰ্শন কৰা শিল্পীগৰাকীৰ প্ৰায় দু ঘণ্টা জোৱা দৃষ্টিনন্দন ভাৰতনাট্যম পাঁচশতাধিক ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীয়ে উপভোগ কৰে। তিনিগৰাকী বাদ্যসংগতকাৰী তথা গায়িকা কৰ্ণাটকী সংগীতৰ একনিষ্ঠ সাধক আৰু ভায়লিন বিশাৰদ এলা সংগীতা দিলীপ, ভাৰতনাট্যম শিল্পী তথা নৃত্য পৰিচালিকা বিদ্যা ৰবিন্দ্ৰন আনন্দ আৰু খ্যাতনামা মৃদংগ শিল্পী কুমাৰী অশ্বিনী শ্ৰীনিবাসনে বাদ্যযন্ত্ৰৰ সমলয় আৰু সুৰৰ ঝংকাৰে অনুষ্ঠানত সহযোগিতা আগ বঢ়ায়। ইংৰাজী বিভাগৰ মূৰব্বী অজিত কুমাৰ বৰাই আঁত ধৰা অনুষ্ঠানত মহাবিদ্যালয়ৰ হৈ শিল্পীসকলক ফুলাম গামোচা আৰু স্মাৰকেৰে আদৰণি জনায় অধ্যক্ষ ড° চুম্বিত চলিহা, উপাধ্যক্ষা ড° পৰিনীতা বৰা, সহযোগী অধ্যাপক ড° মধুস্মৃতা বৰুৱা চাংকাকতি আৰু উদ্ভিদবিদ্যা বিভাগৰ মূৰব্বী ড° সংগীতা দাসে। স্পিকমেকেৰ ডিব্ৰুগড় সংকুলৰ সভানেত্ৰী তথা ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষা ড° ৰজী কোঁৱৰে অনুষ্ঠানটোৰ লক্ষ্য আৰু উদ্দেশ্য সম্পৰ্কে ব্যাখ্যা কৰে। পৰিৱেশনকাৰী নৃত্য তথা বাদ্যসংগতকাৰীসকলৰ চমু পৰিচয় প্ৰদান কৰে ষষ্ঠ যান্মাষিকৰ ছাত্ৰ বেদান্ত কুমাৰ শাণ্ডিল্যই। স্মৰ্তব্য, ছাত্ৰ-ছাত্ৰী তথা যুৱসমাজক ভাৰতীয় শাস্ত্ৰীয় সংগীত তথা সংস্কৃতিৰ উপাদানসমূহৰ গৌৰৱ গাঁথাৰ বৈচিত্ৰ্যময় দিশবোৰৰ প্ৰতি আকৰ্ষিত কৰিবলৈ ১৯৭৭ চনতে দিল্লীৰ ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানত ড° কিৰণ শেঠে জন্ম দিছিল Society for Promotion of Indian Classical Music and Culture Amongst Youth (SPICMACAY)ৰ। দেশজুৰি প্ৰসাৰিত এই স্পিকমাকেই বিভিন্ন বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক শাস্ত্ৰীয় সংগীতৰ পৰিৱেশনৰ লগতে পৰিৱেশিত নৃত্যাংশৰ সাৱলীল ব্যাখ্যা আগবঢ়াবৰ বাবে বাচকবনীয়া পৰিবেশ্য কলা কুশলীক প্ৰেৰণ কৰে। অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলে শিল্পীসকলৰ লগত মত বিনিময় কৰে আৰু অনন্য সুন্দৰ অনুষ্ঠানটিৰ বাবে ধন্যবাদ জ্ঞাপন কৰে।

# দৰং জিলাত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ

**অসম বাৰ্তা, দেওমৰনৈ, ১১ ফেব্ৰুৱাৰী ঃ** দৰং জিলাৰ আয়ুক্তৰ কাৰ্যালয়ৰ সভাগৃহত এক অনুষ্ঠানত ভাৰতৰ নিৰ্বাচন আয়োগে নিৰ্দিষ্ট কৰি দিয়া সময়সূচী অনুসৰি আজি জিলাখনৰ অন্তৰ্গত তিনিটা বিধানসভা সমষ্টিৰ 'চূড়ান্ত ভোটাৰ তালিকা, ২০২৬' প্ৰকাশ কৰা হয়। বিভিন্ন ৰাজনৈতিক দলৰ জিলা পৰ্যায়ৰ বিষয়ববীয়াৰ উপস্থিতিত চূড়ান্ত ভোটাৰ তালিকাখন প্ৰকাশ কৰাৰ পিছত জিলা আয়ুক্ত তথা জিলা নিৰ্বাচন বিষয়া পূৱালী গোহাঁয়ে সাংবাদিকক এই তালিকাখনত অন্তৰ্ভুক্ত মুঠ ভোটাৰৰ সংখ্যা, নতুন ভোটাৰৰ সংখ্যা আদিৰ বিষয়ে অৱগত কৰে। জিলা আয়ুক্ত গৰাকীয়ে সাংবাদিকসকলৰ আগত কয় যে এই চূড়ান্ত ভোটাৰ তালিকা অনুসৰি দৰং জিলাত সৰ্বমুঠ ভোটাৰৰ সংখ্যা হৈছে ৭, ১৭, ৫৪০ গৰাকী। ইয়াৰে ৩, ৬৩, ৮৫২ গৰাকী পুৰুষ, ৩, ৫৩, ৬৭১ গৰাকী মহিলা আৰু ১৭ গৰাকী তৃতীয় লিংগৰ ভোটাৰ। এই চূড়ান্ত ভোটাৰ তালিকা অনুসৰি ৪৯ নং ছিপাঝাৰ বিধানসভা সমষ্টিত মুঠ ভোটাৰৰ সংখ্যা ২, ০১, ৮৮৩ গৰাকী। ইয়াৰে ১, ০৩০৫০ গৰাকী পুৰুষ, ৯৮, ৮২৯ গৰাকী মহিলা আৰু তৃতীয় লিংগৰ ৪ গৰাকী ভোটাৰ আছে। ৫০ নং মঙলদৈ বিধানসভা সমষ্টিত মুঠ ভোটাৰৰ সংখ্যা ২, ০০৩৭৩ গৰাকী। ইয়াৰে পুৰুষ ভোটাৰ ১, ০১, ১৬১ গৰাকী, মহিলা ভোটাৰ ৯৯, ২০৯ গৰাকী আৰু তৃতীয় লিংগৰ ৩ গৰাকী ভোটাৰ আছে। ৫১ নং দলগাঁও বিধানসভা সমষ্টিৰ মুঠ ভোটাৰৰ সংখ্যা হৈছে৩, ১৫, ২৮৪ গৰাকী। ইয়াৰে পুৰুষ ভোটাৰ হৈছে ১, ৫৯, ৬৪১ গৰাকী, মহিলা ভোটাৰ ১, ৫৫, ৬৩৩ গৰাকী আৰু তৃতীয় লিংগৰ ১০গৰাকী। ২০২৬ চনৰ খচৰা ভোটাৰ তালিকাত ৭, ৩৭, ৩১৬জন ভোটাৰ থকাৰ বিপৰীতে জিলাখনত ১৯, ৭৭৬জন ভোটাৰ হ্ৰাস হৈছে। ইচ্ছুক ব্যক্তিয়ে ছিপাঝাৰ সমজিলা আয়ুক্তৰ কাৰ্যালয়, জিলা নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়, মঙলদৈ, দৰং আৰু দলগাঁও সমজিলা আয়ুক্তৰ কাৰ্যালয়ত ভোটাৰ তালিকা পৰিদৰ্শন কৰিব পাৰিব। উক্ত কাৰ্যালয়সমূহৰ উপৰিও চূড়ান্ত নিৰ্বাচনী তালিকা সমূহ নিজ নিজ ভোটগ্ৰহণ কেন্দ্ৰৰ সংশ্লিষ্ট বুথ স্তৰৰ বিষয়াসকলৰ ওচৰতো পৰিদৰ্শনৰ বাবে উপলব্ধ হ'ব। যদি কোনো ব্যক্তিৰ নাম ভোটাৰ তালিকাৰ পৰা ভুলকৈ বাদ দিয়া হৈছে, তেতিয়া তেনে ব্যক্তিয়ে জনপ্ৰতিনিধিত্ব আইন, ১৯৫০ ৰ ২৪ নং ধাৰাত এনে বাদ দিয়াৰ বিৰুদ্ধে নিৰ্দ্ধাৰিত সময়সীমাৰ ভিতৰত জিলা নিৰ্বাচনী বিষয়াৰ আগত আবেদন দাখিল কৰিব পাৰিব অথবা নিৰ্বাচনী তালিকাৰ সাৰাংশ পুনৰীক্ষণ বা নিৰন্তৰ উন্নীতকৰণৰ সময়ত যিকোনো সময়তে নিৰ্বাচনী পঞ্জীয়ন বিষয়াৰ সন্মুখত তেওঁৰ নাম নিৰ্বাচনী তালিকাত অন্তৰ্ভুক্ত কৰাৰ বাবে প্ৰ-পত্ৰ ৬ দাখিল কৰিব পাৰিব। এই ভোটাৰ তালিকা প্ৰকাশ অনুষ্ঠানত নিৰ্বাচনী বিষয়া নিবেদিতা বৰঠাকুৰৰ লগতে বিভিন্ন ৰাজনৈতিক দলৰ প্ৰতিনিধিসকল উপস্থিত থাকে।

# জাতি-জনগোষ্ঠীৰ নৃত্যৰে মুখৰিত ভেৰগাঁৱৰ ২৪ সংখ্যক বড়োলেণ্ড দিৱস

**ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ১১ ফেব্ৰুৱাৰী ঃ** বিটিচিৰ মুখ্য কাৰ্যবাহী হাগ্ৰামা মহিলাৰীয়ে বিটিচিৰ সৰ্বাংগীণ বিকাশৰ হকে লগতে সকলো জাতি-জনগোষ্ঠীৰ সমমৰ্যাদা, সম উন্নয়ন, শান্তি সম্প্ৰীতি অক্ষুণ্ণ ৰাখিবলৈ আপ্ৰাণ চেষ্টা কৰিছে। ওদালগুৰি জিলাৰ ভেৰগাঁও মহকুমাধিপতিৰ পেৰেডগ্ৰাউণ্ডত বিটিচি প্ৰাদেশীয় পৰিষদৰ তত্ত্বাৱধানত ২৪ সংখ্যক বড়োলেণ্ড দিৱস উদ্‌যাপনত মুখ্য অতিথি হিচাপে উপস্থিত থাকি আজি অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী চৰণ বড়োৱে এইদৰে কয়। তেখেতে আৰু কয় যে প্ৰতিটো মহকুমাতে বড়োলেণ্ড দিৱস উদ্‌যাপন কৰা হৈছে। বিটিচিৰ মুখ্য কাৰ্যবাহী হাগ্ৰামা মহিলাৰীৰ সপোন এই অঞ্চলত বসবাস কৰা সকলোৱে সৈতে একতা, শান্তিৰে সমভাৱে সকলোকে আগবঢ়াই নিবলৈ প্ৰয়াস অব্যাহত ৰাখিছে। বিটিচি অঞ্চলক সুৰক্ষিত কৰাত অগ্ৰাধিকাৰ দি আহিছে। হাগ্ৰামা মহিলাৰীয়ে সকলো জাতি-জনগোষ্ঠী একেলগ হৈ আগবঢ়াই লৈ যাবলৈ অংগীকাৰবদ্ধ বুলিও মন্ত্ৰী চৰণ বড়োৱে উল্লেখ কৰে। জাতি-জনগোষ্ঠীৰ নৃত্য শিল্পীসকলে বাগৰুম্বা নৃত্য, গোৰ্খালী নৃত্য, ৰাভা লোক নৃত্য, ধামাল নৃত্য পৰিৱেশনেৰে বড়োলেণ্ড দিৱস উদযাপন মুখৰিত কৰি তোলে। উক্ত অনুষ্ঠানতে সাহিত্যিক, বুদ্ধিজীৱী, যুৱলেখক, শিক্ষাবিদ, ক্ৰীড়াবিদ, সাংস্কৃতিক কৰ্মী, বিপুলভাৱে সম্বৰ্ধনা জনায়। উক্ত অনুষ্ঠানত অসম বিধান সভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, কেবিনেট মন্ত্ৰী চৰণ বড়ো, বিধায়ক দুৰ্গা দাস বড়ো, বিটিচিৰ কাৰ্যবাহী সদস্য লৌমশ্ৰাউ দৈমাৰী, বিটিচিৰ পাৰিষদ অৰ্জুন দৈমাৰী, দাউবাইছা বড়ো, দিগন্ত বৰুৱা, পল টপ্প', প্ৰাক্তন বিধায়িকা কমলী বসুমতাৰী, প্ৰাক্তন বিধায়ক মহেশ্বৰ বড়ো, প্ৰাক্তন কাৰ্যবাহী সদস্যদ্বয় জগদীশ সৰকাৰ, বনজাৰ দৈমাৰী, মহকুমাধিপতি ৰিংখাং মুছাহাৰী, মহকুমা আৰক্ষী বিষয়া ভিনচেন ভাইফেই উপস্থিতি থাকে। সাংবাদিক প্ৰফুল্ল কুমাৰ বড়োই আঁত ধৰা উক্ত অনুষ্ঠানতে ভেৰগাঁও মহকুমাৰ অন্তৰ্গত বিটিচিৰ পাঁচ সমষ্টিৰ দহজন জ্যেষ্ঠ ব্যক্তিক দহ হেজাৰ টকাকৈ, বিশেষভাৱে সক্ষম পাঁচজনক দহ হেজাৰ টকাকৈ, আত্মসহায়ক গোটক আৰ্থিক অনুদান আৰু আইবিএছৰ চেক বিতৰণ কৰে। আনহাতে কেবাগৰাকী ব্যক্তিক মাটি পট্টা বিতৰণ কৰা লগতে ৰাজ্যিক তথা ৰাষ্ট্ৰীয় পৰ্যায়ত খেল খেলি সুনাম কঢ়িয়াই অনা খেলুৱৈসকলকো সম্বৰ্ধনা জ্ঞাপন কৰে, ২৪ সংখ্যক বড়োলেণ্ড দিৱস উদ্‌যাপন সমিতিৰ সভাপতি মনোনীত পাৰিষদ ৰতন চন্দ্ৰ ৰাভা, আহ্বায়ক সোণাৰাম বসুমতাৰী আৰু বিটিচিৰ সচিব উইলবাৰ্ন দৈমাৰীয়ে বড়োলেণ্ড দিৱস সফল কৰি তোলা বাবে ৰাইজক আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। পুৱাৰ ভাগত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে বিটিচিৰ কাৰ্যবাহী সদস্য লৌমশ্ৰাউ দৈমাৰীয়ে। বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মদেৱলৈ বিটিচিৰ মনোনীত পাৰিষদ ৰতন চন্দ্ৰ ৰাভাই গভীৰ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰে। বড়োলেণ্ড আন্দোলনত প্ৰাণ আহুতি দিয়া মহান শ্বহীদসকলক বিধায়ক দুৰ্গা দাস বড়োৱে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। বড়োলেণ্ড দিৱস উপলক্ষে সাহিত্য, চিত্ৰাংকন, ভলীবল, প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। আনহাতে কেবিনেট মন্ত্ৰী চৰণ বড়োৱে নামজলাহ-বৰাখাট সংযোগী পথৰ নৈনে নদীৰ পকী দলং আৰু বিটিচিৰ কাৰ্যবাহী সদস্য লৌমশ্ৰাউ দৈমাৰীয়ে ডেৰাগুৰি প্ৰাথমিক বিদ্যালয় সংযোগী দিমিলা নদীৰ পকী দলং নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰে।

### আমছুৰ অস্তিত্বক লৈ প্ৰশ্ন; ৰকিবুল হুছেইনলৈ চেলেঞ্জ আৰু বঙাইগাঁৱৰ নিৰ্বাচনী সমীকৰণ ফাদিল মুখ্যমন্ত্ৰীৰ

# বেইমানী ১২ বিঘা মাটি আছে বুলি প্ৰমাণ কৰক, নহ'লে ৫০০ কোটিৰ মানহানি; কংগ্ৰেছৰ বিৰুদ্ধে গৰজি উঠিল মুখ্যমন্ত্ৰী

**অসম বাৰ্তা, বঙাইগাঁও, ১০ ফেব্ৰুৱাৰী ঃ** ৰাজ্যৰ ৰাজনীতিত এতিয়া বাকযুঁজ তুংগত। আজি বঙাইগাঁৱত উপস্থিত হৈ মুখ্যমন্ত্ৰী ডক্টৰ হিমন্ত বিশ্ব শৰ্মাই কংগ্ৰেছ দল আৰু আমছুক লক্ষ্য কৰি কেইবাটাও বিস্ফোৰক মন্তব্য আগবঢ়ায়। বিশেষকৈ কংগ্ৰেছে মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে অনা ১২ বিঘা ভূমিৰ অভিযোগক লৈ মুখ্যমন্ত্ৰীগৰাকীয়ে তীব্ৰ প্ৰত্যাহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে সংবাদ মাধ্যমৰ আগত কয়, "মোৰ ক'ত বেইমানী ১২ বিঘা মাটি আছে কংগ্ৰেছে প্ৰমাণ দিব লাগিব। এই তথ্য তেওঁলোকে আদালতত দিব লাগিব, নহ'লে ৫০০ কোটি টকাৰ মানহানিৰ গোচৰত পৰিবলৈ সাজু থাকক। " ইয়াৰ লগতে তেওঁ ৰকিবুল হুছেইনকো চেলেঞ্জ জনাই কয় যে যদি তেওঁৰ বিৰুদ্ধে কিবা তথ্য আছে, তেন্তে সেয়া ৰাজহুৱা কৰক। আমছুৰ বিৰুদ্ধেও সৰৱ হৈ পৰে মুখ্যমন্ত্ৰী। তেওঁ কয়, "আমছু মানে কি? আমছু বুলি কিবা পাৰ্টী আছে নেকি?" আনহাতে, গৌৰৱ গগৈৰ প্ৰসংগত তেওঁ কয় যে এগৰাকী সাংসদ হিচাপে তেওঁক অসম চৰকাৰে সম্পূৰ্ণ সুৰক্ষা প্ৰদান কৰিছে, কিন্তু কংগ্ৰেছৰ ৰেলীত কংগ্ৰেছীয়েই মাৰপিট কৰিব বিচাৰি থকাৰ ভয়ংকৰ তথ্য পোহৰলৈ আহিছে। ইতিমধ্যে তেনে পৰিকল্পনা কৰা এজনক আৰক্ষীয়ে আটক কৰিছে। মুখ্যমন্ত্ৰীৰ মতে, কংগ্ৰেছৰ সভাত সুৰক্ষা নাই বুলি ৰাইজক দেখুৱাবলৈ এটা চক্ৰই চেষ্টা চলাইছে। মুখ্যমন্ত্ৰীয়ে এক নতুন তথ্য ফাদিল কৰি কয় যে কংগ্ৰেছে 'Inclusive Mind' নামৰ এটা পাৰ্টী বা গোটক অসমলৈ আনিছে। সুনীল কাংগুল নামৰ এজন ব্যক্তিয়ে এই সমগ্ৰ পৰিকল্পনা আৰু ষড়যন্ত্ৰ কৰি থকাৰ ভয়ংকৰ তথ্য মুখ্যমন্ত্ৰীৰ হাতত থকা বুলি তেওঁ দাবী কৰে। আগন্তুক নিৰ্বাচনক লৈ বঙাইগাঁৱৰ ৰাজনৈতিক অংকও স্পষ্ট কৰে মুখ্যমন্ত্ৰীয়ে। জিলাখনৰ কোনকেইটা সমষ্টিত বিজেপিয়ে নিৰ্বাচন খেলিব আৰু কোনকেইটা অগপক এৰি দিয়া হ'ব, সেই বিষয়ে ইংগিত দি তেওঁ কয় যে কেইবাটাও সমষ্টিত বিজেপিয়ে 'চিপৰাং' মাৰিব অৰ্থাৎ নিজৰ স্থিতি অতি শক্তিশালী কৰিব। বিৰোধীৰ ভেটি কঁপাই কেনেকৈ নিৰ্বাচনী বৈতৰণী পাৰ হ'ব লাগে, তাৰ বাবে বিজেপি সম্পূৰ্ণ সাজু বুলিও তেওঁ মন্তব্য কৰে।

# ৰহা শংকৰদেৱ শিশু বিদ্যা নিকেতনৰ ২৯তম্ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

**অসম বাৰ্তা, ৰহা, ১০ ফেব্ৰুৱাৰী ঃ** বৰ্ষ ১৯৯৮ ত স্থাপিত ৰহা শংকৰদেৱ শিশু বিদ্যা নিকেতনৰ ২৯তম প্ৰতিষ্ঠা দিৱস আজি পালন কৰা হয়। ২৮বৰ্ষ সম্পূৰ্ণ কৰি ২৯তম্ বৰ্ষত পদাৰ্পন কৰা ৰহা শংকৰদেৱ শিশু বিদ্যা নিকেতনৰ ২৯তম প্ৰতিষ্ঠা দিৱস উপলক্ষে আজি পুৱা নিকেতন পৰিচালনা সমিতিৰ সদস্যা তথা ৰহা উচ্চতৰ মাধ্যমিক বিদ্যালয় ৰ প্ৰাক্তন অধ্যক্ষা বিজয়া গগৈ আৰু সম্পাদক সোমেশ্বৰ বৰদলৈ দ্বাৰা পতাকা উত্তোলন আৰু উষা মেধি দ্বাৰা বন্তি প্ৰজ্বলনেৰে আৰম্ভ হোৱা প্ৰতিষ্ঠা দিৱস উপলক্ষে ছাত্ৰ-ছাত্ৰী সকলৰ দ্বাৰা শাৰীৰিক পদৰ্শন কৰাৰ লগত পৰিচালনা সমিতিৰ প্ৰাক্তন সম্পাদক ড° দীনেশ হাজৰিকা দ্বাৰা মা সৰস্বতীৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু ছাত্ৰ-ছাত্ৰী, আচাৰ্য আচাৰ্য্যা সকলৰ দ্বাৰা সৰস্বতী বন্দনা, নিকেতন গীত আৰু বন্তি প্ৰজ্বলন বন্দনা পৰিবেশনেৰে আৰম্ভ হোৱা মুকলি সভাত ৰহা বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰৰ প্ৰাক্তন অধ্যক্ষা ড° নিৰলা দেৱী সহ উপস্থিত বিশিষ্ট ব্যক্তি সকলৰ দ্বাৰা সম্বোধন কৰাৰ লগতে নিকেতন প্ৰধান আচাৰ্য প্ৰফুল্ল চন্দ্ৰ দাসে নিকেতনৰ ২৯ বছৰীয়া গৌৰৱপূৰ্ন যাত্ৰা ৰ বিষয়ে বক্তব্য প্ৰদান কৰাৰ লগতে নিকেতন প্ৰতিষ্ঠা কালৰ পৰা আজিলৈকে অবদান আগবঢ়োৱা বিশিষ্ট ব্যক্তি সকলক স্মৰণ কৰি নিকেতনত এখন সভা গৃহ ৰ প্ৰয়োজনীয়তা আৰু সভা গৃহ ৰ নাম ৰহাৰ সু সন্তান তথা ৰাজ্যৰ প্ৰথম মুখ্যমন্ত্ৰী লোকপ্ৰিয় ভাৰতৰত্ন গোপীনাথ বৰদলৈ ৰ নামত উছৰ্গা কৰাৰ কথা অবগত কৰে আৰু চৰকাৰলৈ আবেদন কৰা হৈছে বুলি জানিব দিয়ে। লগতে প্ৰতিষ্ঠা দিৱস উপলক্ষে বৰ্ষ ২০২৪-২৫ আৰু ২০২৫-২৬ত কাৰাটে প্ৰতিযোগিতাত সোণৰ পদকলৈ গৌৰৱ কঢ়িয়াই অনা ছাত্ৰ এলবিয়ান বৰদলৈ আৰু যোগাসনত চিল্‌ভাৰ পদক লৈ গৌৰৱ কঢ়িয়াই অনা পৰিণীতা বৰালৈ শুভেচ্ছা জনাই উজ্জ্বল ভবিষ্যতৰ কামনা কৰে আৰু মুকলি সভাত নিকেতনৰ প্ৰাক্তন প্ৰধান আচাৰ্য্য প্ৰয়াত চন্দ্ৰ দাস, নিকেতন পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি প্ৰয়াত ৰমনী কুমাৰ ভূঞা আৰু নগাঁও জিলা আৰ এচএচৰ প্ৰচাৰক পৰাগ ভূঞাৰ বিদেহী আত্মা চিৰশান্তি ৰ বাবে এক মিনিট মৌন প্ৰাৰ্থনা কৰি নিকেতনৰ বাবে আগবঢ়োৱা অবদানক স্মৰণ কৰে। দুপৰীয়া ১বজাত সমাপন হোৱা প্ৰতিষ্ঠা দিৱস মুকলি সভাত নিকেতনৰ উপ প্ৰধান আচাৰ্য্য অনামিকা দাস মেধি, পৰিচালনা সমিতিৰ সদস্য নাৰায়ণ বনিক সহ নিকেতনৰ আচাৰ্য আচাৰ্য্যা, ছাত্ৰ-ছাত্ৰী আৰু পৰিচালনা সমিতিৰ প্ৰতিনিধি উপস্থিত থাকে।

### প্ৰশাসনৰ সিদ্ধান্তক লৈ তীব্ৰ প্ৰতিক্ৰিয়া, নিৰপেক্ষ তদন্তৰ দাবী জোৰদাৰ

# শ্ৰীভূমিত বিধিলঙ্ঘন; সুমনা ৰহমান চৌধুৰীক সামাজিক বৰখাস্ত

**অসম বাৰ্তা, শ্ৰীভূমি, ১০ ফেব্ৰুৱাৰী ঃ** শ্ৰীভূমি জিলাত ভোটাৰ তালিকা সংশোধন প্ৰক্ৰিয়াত বিধিলঙ্ঘনৰ অভিযোগ উত্থাপিত হোৱাৰ পিছতে মহিলা বুথ লেভেল বিষয়াসুমনা ৰহমান চৌধুৰীক সামাজিকভাৱে বৰখাস্ত কৰা ঘটনাই জিলাখনত ব্যাপক চাঞ্চল্যৰ সৃষ্টি কৰিছে। জিলা প্ৰশাসনে গ্ৰহণ কৰা এই সিদ্ধান্তক লৈ বিভিন্ন মহলত প্ৰতিক্ৰিয়া আৰম্ভ হৈছে। প্ৰাপ্ত তথ্য অনুসৰি, শ্ৰীভূমি জিলাৰ উত্তৰ কৰিমগঞ্জ সমষ্টিৰ অন্তৰ্গত কালীগঞ্জ চৌধুৰী বজাৰ প্ৰাথমিক বিদ্যালয়ৰ ভোটকেন্দ্ৰত ভোটাৰ তালিকা সংশোধনৰ সময়ত প্ৰায় ১৩৩জন জীৱিত ভোটাৰৰ নাম কাটনি কৰা হৈছে বুলি অভিযোগ উঠিছে। এই ঘটনাৰ পিছতে সংশ্লিষ্ট এলেকাৰ একাংশ ভোটাৰে জিলা নিৰ্বাচন বিষয়ালৈ লিখিত অভিযোগ দাখিল কৰে। অভিযোগ অনুসন্ধানৰ অন্তৰালত, জিলা প্ৰশাসনে সংশ্লিষ্ট বুথ লেভেল বিষয়াসুমনা ৰহমান চৌধুৰীক দায়িত্বৰ পৰা আঁতৰাই সামাজিক বৰখাস্ত কৰাৰ নিৰ্দেশ জাৰি কৰে। উল্লেখযোগ্য যে, অভিযুক্ত বিষয়াই এই অভিযোগ সম্পূৰ্ণৰূপে অস্বীকাৰ কৰি কয় যে, ভোটাৰ তালিকাৰ পৰিবৰ্তন সম্পূৰ্ণৰূপে উচ্চ বিষয়াৰ নিৰ্দেশ আৰু প্ৰশাসনিক প্ৰক্ৰিয়া অনুসৰি কৰা হৈছিল। এই ঘটনাক কেন্দ্ৰ কৰি ৰাজনৈতিক আৰু সামাজিক মহলত তীব্ৰ প্ৰতিক্ৰিয়া দেখা গৈছে। একাংশ সমাজকৰ্মী আৰু নাগৰিকে অভিযোগ কৰিছে যে, এই সিদ্ধান্ত একপক্ষীয় আৰু নিৰপেক্ষ তদন্ত অবিহনে গ্ৰহণ কৰা হৈছে। তেওঁলোকৰ মতে, নিৰ্বাচনী প্ৰক্ৰিয়াৰ দৰে গুৰুত্বপূৰ্ণ বিষয়ত সঠিক তদন্ত আৰু দায়িত্ব নিৰ্ধাৰণ নকৰাকৈ এজন মহিলা কৰ্মচাৰীক শাস্তি দিয়া অনুচিত। ইফালে, প্ৰশাসনৰ সূত্ৰই জনোৱা মতে, বিষয়টো গভীৰভাৱে তদন্ত কৰা হৈছে আৰু নিৰ্বাচন আয়োগৰ নিৰ্দেশনা অনুসৰিয়েই ব্যৱস্থা গ্ৰহণ কৰা হৈছে। প্ৰয়োজন সাপেক্ষে পৰৱৰ্তী পৰ্যায়ত অধিক তদন্তৰ পথ খোলা আছে বুলিও জানিবলৈ দিয়া হৈছে। এই ঘটনাই শ্ৰীভূমি জিলাৰ নিৰ্বাচনী ব্যৱস্থাপনা আৰু প্ৰশাসনিক স্বচ্ছতাক লৈ নতুন প্ৰশ্ন উত্থাপন কৰিছে। সৰ্বসাধাৰণে এতিয়া নিৰপেক্ষ তদন্ত আৰু দোষী ব্যক্তিৰ বিৰুদ্ধে উপযুক্ত ব্যৱস্থাৰ দাবী জনাইছে।

## টাপাট্টাৰীত অগপৰ সৃজনগ্ৰাম বিধানসভা সমষ্টিভিত্তিত যুৱ পৰিষদৰ দ্বি-বাৰ্ষিক অধিৱেশন সম্পন্ন

**অসম বাৰ্তা, লেংটিছিঙা, ১০ ফেব্ৰুৱাৰী ঃ** আজি টাপাট্টাৰী হাইস্কুল খেলপথাৰ প্ৰাংগণত অগপৰ সৃজনগ্ৰাম বিধানসভা সমষ্টিৰ যুৱ পৰিষদৰ দিনযোৰা কাৰ্যসূচীৰে দ্বি-বাৰ্ষিক অধিৱেশন অনুষ্ঠিত হয়। কাৰ্যসূচী মতে ধলীয় পতাকা উত্তোলন কৰে অগপৰ সৃজনগ্ৰাম বিধানসভা সমষ্টিৰ যুৱ পৰিষদৰ সভাপতি জিয়াউৰ ৰহমান মণ্ডলে। শ্বহীদ বেদিত শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে সৃজনগ্ৰাম বিধান সভা সমষ্টিৰ দলীয় প্ৰাৰ্থী ছহিদুল হকে। জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু পুষ্পাঞ্জলী নিবেদন কৰে সৃজনগ্ৰাম বিধানসভা সমষ্টি কমিটিৰ সভাপতি আব্দুল হকে। আবেলি যুৱ পৰিষদৰ সভাপতি জিয়াউৰ ৰহমান মণ্ডলৰ সভাপতিত্বত অনুষ্ঠিত হোৱা মুকলি সভাত উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক যুগল পাঠকে। সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে ক্ৰমে ছহিদুল হক, আব্দুল হক, আমজাদ আলী, জাহিদুল ইছলাম আৰু উমেশ ঠাকুৰীয়া আদি উপস্থিত থাকি সাংগঠনিক দিশৰ ওপৰত সাৰুৱা ভাষণ প্ৰদান কৰে।

# ডবকাৰ দুখন পৰীক্ষা কেন্দ্ৰত আৰম্ভ হৈছে হাইস্কুল শিক্ষান্ত পৰীক্ষা

**অসম বাৰ্তা, ডবকা, ১০ ফেব্ৰুৱাৰী ঃ** আজিৰ পৰা সমগ্ৰ ৰাজ্যজুৰি আৰম্ভ হৈছে ২০২৫-২৬ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা। এই গুৰুত্বপূৰ্ণ পৰীক্ষাক লৈ ছাত্ৰ-ছাত্ৰী, অভিভাৱক তথা বিদ্যালয় কৰ্তৃপক্ষৰ মাজত দেখা গৈছে যথেষ্ট উৎসাহ আৰু ব্যস্ততা। সমগ্ৰ অসমৰ লগতে হোজাই জিলাৰ ডবকাতো আৰম্ভ হৈছে হাইস্কুল শিক্ষান্ত পৰীক্ষা। হোজাই জিলাৰ ডবকা উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু ডবকা বালিকা উচ্চ মাধ্যমিক বিদ্যালয় এই দুয়োখন বিদ্যালয়ত স্থাপন কৰা পৰীক্ষা কেন্দ্ৰত আজি প্ৰথম দিনটোত শান্তিপূৰ্ণ পৰিৱেশত পৰীক্ষা অনুষ্ঠিত হয়। পৰীক্ষা কেন্দ্ৰসমূহত পৰীক্ষাৰ্থী সকলৰ সুবিধাৰ বাবে সকলো প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলি জানিব পৰা গৈছে। ডবকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ বদৰুল ইছলাম বেগে জানিবলৈ দিয়া মতে এইবাৰ ডবকা উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰীক্ষা কেন্দ্ৰত মুঠ ১৩খন বিদ্যালয়ৰ ৬৯৭জন ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষাত অংশগ্ৰহণ কৰিছে। ইয়াৰ ভিতৰত ২৬৮জন ছাত্ৰ আৰু ৪২৯ গৰাকী ছাত্ৰীয়ে পৰীক্ষা দি আছে। পৰীক্ষা যাতে সুশৃঙ্খল আৰু নিৰাপদভাৱে অনুষ্ঠিত হয় তাৰ বাবে শিক্ষা বিভাগ আৰু বিদ্যালয় কৰ্তৃপক্ষ সম্পূৰ্ণ সজাগ হোৱা পৰিলক্ষিত হয়। আনহাতে ডবকা বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ত স্থাপন কৰা পৰীক্ষা কেন্দ্ৰটোতো দেখা গৈছে একে ধৰণৰ সুশৃঙ্খল পৰিৱেশ। এই পৰীক্ষা কেন্দ্ৰত ৪খন বিদ্যালয়ৰ পৰা অহা মুঠ ৩২৬জন ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষাত অৱতীৰ্ণ হৈছে। ইয়াৰ ভিতৰত ৯৮জন ছাত্ৰ আৰু ২২৮ গৰাকী ছাত্ৰীয়ে পৰীক্ষা দি আছে বোলে বিদ্যালয়খনৰ অধ্যক্ষা বণ্টি শইকীয়াই জানিব দিয়ে। পৰীক্ষাৰ্থী সকলৰ সুবিধাৰ বাবে কেন্দ্ৰ সমূহত পৰ্যাপ্ত পৰিমাণে পৰ্যবেক্ষক, আৰক্ষী ব্যৱস্থা আৰু স্বাস্থ্য সুৰক্ষাৰ ব্যৱস্থাও কৰা হৈছে। ডবকা অঞ্চলৰ দুয়োটা পৰীক্ষা কেন্দ্ৰত আজিৰ দিনটোত কোনো অপ্ৰীতিকৰ ঘটনা নোহোৱাকৈ শান্তিপূৰ্ণভাৱে হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰম্ভ হোৱাত সন্তোষ প্ৰকাশ কৰিছে সকলো পক্ষই। পৰীক্ষাৰ্থী সকলৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰি অভিভাৱক আৰু শিক্ষক সমাজে তেওঁলোকক শুভেচ্ছা জ্ঞাপন কৰিছে।

### SRত বাচি বাচি কেৱল ধৰ্মীয় সংখ্যালঘুৰ ভোট কৰ্তন কৰা হৈছে

# এবিএমছু পানবাৰী আঞ্চলিক সমিতিৰ শপত গ্ৰহণ আৰু জনজাগৰণ সভাত টাইচন হুছেইন

**অসম বাৰ্তা, বিজনী, ১০ ফেব্ৰুৱাৰী ঃ** চিৰাঙৰ বিজনীৰ ভাংনামাৰীত দেওবাৰে অনুষ্ঠিত পানবাৰী আঞ্চলিক এবিএমছু শপত গ্ৰহণ আৰু জনজাগৰণ সভাত সংগঠনটোৰ কেন্দ্ৰীয় সভাপতি টাইচন হুছেইন অংশগ্ৰহণ। পানবাৰী আঞ্চলিক এবিএমছু শপত গ্ৰহণ আৰু জনজাগৰণ সভাত উপস্থিত থাকি সংগঠনটোৰ কেন্দ্ৰীয় সভাপতি টাইচন হুছেইনে সংবাদ মাধ্যমৰ আগত মন্তব্য কৰি কয় যে এছ আৰত বাচি বাচি কেৱল ধৰ্মীয় সংখ্যালঘুৰ ভোট কৰ্তন কৰা হৈছে। মুখ্যমন্ত্ৰীৰ নিৰ্দেশ মৰ্মে ৰাজনৈতিকভাৱে এই কাম কৰিছে নিৰ্বাচন আয়োগে। নিৰ্বাচনী নিয়ম অনুসৰি কৰা নাই এছ.আৰ। ১০ তাৰিখত প্ৰকাশ পাবলগীয়া চূড়ান্ত ভোটাৰ তালিকাত যদি প্ৰকৃত ভাৰতীয় নাগৰিকৰ নাম কৰ্তন হয় সমগ্ৰ অসমতে আন্দোলন গঢ়ি তোলা হ'ব বুলিও হুংকাৰ দিয়ে এবিএমছুৰ সভাপতি টাইচন হুছেইনে। সমাগত বিধানসভা নিৰ্বাচনকলৈ কেন্দ্ৰীয় সমিতিৰ কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হ'ব, কাৰ্যনিৰ্বাহক সভাৰ অন্তত বিটিচিত য'ত য'ত সংখ্যালঘু নেতা জয় কৰাব পৰা যাব তাক লৈ বিস্তাৰিতভাৱে আলোচনা কৰা হ'ব। গৌৰৱ গগৈৰ সন্দৰ্ভত টাইচন হুছেইনে কয় যদি পাকিস্তানী চোৰাংচোৱা কৰা কোনো ব্যক্তি থাকিলে হয় নিশ্চয় আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি জেললৈ প্ৰেৰণ কৰিল হয়। আমি বিচাৰোঁ কেৱল মুখেৰে নহয় উপযুক্ত আইনী ব্যৱস্থা লোক। কিন্তু কোনো এজন ব্যক্তিক ৰাজনৈতিক স্বাৰ্থত যাতে নিজৰ দেশত সত্ৰ হিচাপে পৰিগণিত নকৰে। এবিএমছুৰ পাণবাৰী আঞ্চলিক সমিতিৰ শপত গ্ৰহণ আৰু জনজাগৰণ সভাত এবিএমছুৰ সাধাৰণ সম্পাদক জাইদুল ইছলাম বিজনী জিলা সভাপতি, সম্পাদকসহ অন্যান্য নেতৃবৃন্দ উপস্থিত থাকে।

## শিক্ষা বিষয়া নীৰৱ, ভৱিষ্যত সম্পৰ্কে অভিভাৱক উদ্বিগ্ন

### চৰকাৰী শিক্ষাৰ মানোন্নয়নৰ দাবীৰ মাজতে শিক্ষকৰ অভাৱত কুকুৰাচোৱা প্ৰাথমিক বিদ্যালয়ত শিক্ষাদান বন্ধ

**অসম বাৰ্তা, আমগুৰি, ১০ ফেব্ৰুৱাৰী ঃ** পূৱ যোৰহাট শিক্ষাখণ্ডৰ পূৱ লাহিং (খ) মণ্ডলৰ অন্তৰ্গত কুকুৰাচোৱা প্ৰাথমিক বিদ্যালয়ত শিক্ষাদানত সাংঘাতিক বেমেজালিৰ সৃষ্টি হৈছে। কেইবাদিন ধৰি বন্ধ হৈ আছে বিদ্যালয় খনৰ এটা অংশ। উল্লেখ্য যে দুটা অংশত বিভক্ত হৈ থকা বিদ্যালয়খন দুজন শিক্ষকে পাঠদান কৰি আহিছিল ছটাকৈ শ্ৰেণী। এজন শিক্ষকে ছুটি ললেই এজন শিক্ষক পৰে বিপদত। এই সংক্ৰান্তত বিদ্যালয়ৰ পৰিচালনা সমিতিৰ লগতে অভিভাৱক সকলে পূৱ যোৰহাট শিক্ষাখণ্ডৰ শিক্ষা বিষয়াক লিখিত আবেদন দিছিল যদিও কোনো ধৰণৰ গুৰুত্ব আৰোপ নকৰিলে শিক্ষা বিষয়া গৰাকীয়ে। এতিয়া বিদ্যালয় খনৰ প্ৰধান শিক্ষক প্ৰদীপ ৰাজুৱাৰৰ অৱসৰ লোৱাৰ পাছৰে পৰা বহুদিন এটা অংশ সম্পূৰ্ণ ৰূপে বন্ধ হৈ পৰিছে। এজন শিক্ষকে এটি সৰু কোঠালিতে ছটাকৈ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীক একেলগে দিব লগা হৈছে শিক্ষাদান। যি সময়ত অসম চৰকাৰে চৰকাৰী খণ্ডৰ বিদ্যালয়ৰ শিক্ষাৰ মানদণ্ড উন্নিতকৰণত গুৰুত্ব আৰোপ কৰিছে সেই একে সময়তে কুকুৰাচোৱা প্ৰাথমিক বিদ্যালয়ত এজন শিক্ষকে এটা কোঠাতে পাঠদান কৰিব লগা হৈছে ছয়টা শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীক। সমগ্ৰ বিষয়টো লৈ চিন্তিত হৈ পৰিছে অভিভাৱক সকল। অনতিপলমে আৰু এজন শিক্ষকক নিযুক্তি নিদিলে নিজ সন্তানৰ শিক্ষাৰ স্বাৰ্থত বিদ্যালয়ৰ পৰা আঁতৰাইনিয়াৰো চিন্তা চৰ্চা চলিছে অভিভাৱকৰ মাজত। এই ক্ষেত্ৰত বিদ্যালয়খন বন্ধ নোহোৱাৰ প্ৰতি লক্ষ্য ৰাখি অতি সোনকালেই বিভাগীয় কৰ্তৃপক্ষক চকু দিবৰ বাবে টানি অনুৰোধ জনাইছে বিদ্যালয়ৰ পৰিচালনা সমিতিৰ লগতে স্থানীয় ৰাইজে।

### এম এ বাতেন উচ্চতৰ মাধ্যমিক বিদ্যালয় কেন্দ্ৰত পৰীক্ষাত বহিল ৪৩৮ গৰাকীকৈ পৰীক্ষাৰ্থী


# কটকটীয়া নিৰাপত্তা আৰু তালাচীৰ মাজেৰে হাইস্কুল শিক্ষান্ত পৰীক্ষা

**অসম বাৰ্তা, জনীয়া, ১০ ফেব্ৰুৱাৰী ঃ** সমগ্ৰ ৰাজ্যতেই আজিৰে পৰা আৰম্ভ হৈছে হাইস্কুল শিক্ষান্ত পৰীক্ষা। ৰাজ্যৰ মুঠ ১০৪৬টা পৰীক্ষা কেন্দ্ৰত ৪৩৮৫৬৫ গৰাকীকৈ পৰীক্ষাৰ্থীয়ে এইবেলি হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হৈছে। সমান্তৰালভাৱে ভৱানীপুৰ শিক্ষা খণ্ডৰ অন্তৰ্গত বানিয়াৰাপাৰাৰ ঐতিহ্যমণ্ডিত এম এ বাতেন উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰীক্ষা কেন্দ্ৰত ৪৩৮ গৰাকীকৈ পৰীক্ষাৰ্থীয়ে এইবেলি হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হৈছে। তাৰে ১৬২জন ছাত্ৰ আৰু ২৭৬ গৰাকী ছাত্ৰী। পৰীক্ষা কেন্দ্ৰটোত ছয়খন বিদ্যালয়ৰ মুঠ ৪৩৮ গৰাকী ছাত্ৰ ছাত্ৰী এইবেলি এম এ বেতেন উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰীক্ষা কেন্দ্ৰত পৰীক্ষাত অৱতীৰ্ণ হৈছে। তাৰে এম এ বাতেন উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰা ৩৫ গৰাকী ছাত্ৰ আৰু ৯০ গৰাকী ছাত্ৰী, মুঠ- ১২৫জন ছাত্ৰ-ছাত্ৰী। আদৰ্শ জাতীয় বিদ্যালয়ৰ পৰা ১ গৰাকীকৈ ছাত্ৰী। ডি এইচ নৱ বিকাশ হাইস্কুলৰ পৰা ৩১ গৰাকী ছাত্ৰ আৰু ৫৩ গৰাকী ছাত্ৰী, মুঠ- ৮৪জন ছাত্ৰ-ছাত্ৰী। গৰেমাৰী হাইস্কুল পৰা ১০জন ছাত্ৰ আৰু ৩৭ গৰাকীকৈ ছাত্ৰী, মুঠ- ৪৭ গৰাকী ছাত্ৰ-ছাত্ৰী। কে কে হাইস্কুলৰ পৰা ৭০ গৰাকী ছাত্ৰ আৰু ৭৪ গৰাকী ছাত্ৰী, মুঠ- ১৪৪জন ছাত্ৰ-ছাত্ৰী। কুমুল্লীপাৰা হাইস্কুলৰ পৰা ১৬ জন ছাত্ৰ আৰু ২১ গৰাকী ছাত্ৰী, মুঠ- ৩৭জন ছাত্ৰ-ছাত্ৰী। উল্লেখযোগ্য যে পৰীক্ষা কেন্দ্ৰৰ বাহিৰত ২০০ মিটাৰ দূৰলৈকে যাতে কোনো মানুহে ভিৰ কৰিব নোৱাৰে বা নকল যোগান ধৰি অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি কৰিব নোৱাৰে তাৰ প্ৰতি লক্ষ ৰাখি কটকটীয়া নিৰাপত্তা বেষ্টনী আৰু পৰীক্ষা কেন্দ্ৰত নকলৰ প্ৰয়োভৰ বন্ধ কৰিবলৈ ছাত্ৰ ছাত্ৰীক তন্ন-তন্ন কৈ তালাচীৰ মাজেৰে এইবেলি এম এ বাতেন উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ২০২৬ ৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা অনুষ্ঠিত হয়।

# হাউলীত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ পুত্তলিকা দাহ

**অসম বাৰ্তা, কুমুল্লীপৰা, ১১ ফেব্ৰুৱাৰী ঃ** অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমত ৰাইফল ধৰি দুজন সংখ্যালঘু মুছলমানক উদ্দেশ্যি পইণ্ট-ব্লাংক ৰেঞ্জত গুলীচালনা কৰা আৰু সঘনাই সাম্প্ৰদায়িক মন্তব্য কৰা বা হিংসাত্মক কাৰ্যক উচটনি দিয়াৰ বিৰুদ্ধে আমছুৱে তীব্ৰ গৰিহণা জনোৱাৰ লগতে ১০ ফেব্ৰুৱাৰী আবেলি ৩-৩০ বজাত হাউলী চাৰিআলিত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ পুত্তলিকা দাহ কৰি 'আমছু'ৰ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। উক্ত কাৰ্যসুচীত আমছু'ৰ কেন্দ্ৰীয় সমিতিৰ সহ সাধাৰণ সম্পাদক আব্দুল জুব্বাৰ আলী সহ ভালেসংখ্যক কৰ্মকৰ্তাই উপস্থিত থাকে।

# চামগুৰিত অগপ দলৰ মুখ্য কাৰ্যালয় উদ্বোধন




**অসম বাৰ্তা, ৰূপহীহাট, ১১ ফেব্ৰুৱাৰী ঃ** আগন্তুক বিধানসভা নিৰ্বাচনৰ দিন যিমানেই চমু আহিছে যিমানেই তৎপৰতা বাঢ়িছে প্ৰতিটো ৰাজনৈতিক দলৰ। চামগুৰি সমষ্টিতো অসম গণ পৰিষদ দলে আৰম্ভ কৰিছে ব্যাপক তৎপৰতা। আজি চামগুৰি সমষ্টিৰ ৰূপহী নতুন বজাৰত অগপ দলৰ মুখ্য কাৰ্যালয়ৰ শুভ উদ্বোধন কৰে। প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ছবিত মাল্যাৰ্পণ কৰি কাৰ্যসূচীৰ পাতনি মেলে। অগপ দলৰ কাৰ্যালয় উদ্বোধন অনুষ্ঠানত উপস্থিত থাকে অগপ দলৰ চামগুৰি বিধান পৰিষদৰ সভাপতি আবু বক্কৰ ছিদ্দিক, সম্পাদক ৰহমান, তাজ মাহবুব আহমেদ, খাইৰুল ইছলাম, সাহা আলীৰ লগতে অগপ দলৰ বহু নেতা-কৰ্মী। চামগুৰি বিধান পৰিষদৰ সভাপতি তথা চামগুৰি সমষ্টিৰ অগপ দলৰ সম্ভাব্য প্ৰাৰ্থী আবু বক্কৰ ছিদ্দিকে নিজৰ ভাষণত কয় যে চামগুৰিত অগপ দলৰ সাংগঠনিক ভেটি অধিক শক্তিশালী কৰি তুলিবলৈ আজি কাৰ্যালয় উদ্বোধন কৰা হৈছে। চামগুৰিত অগপ দলৰ ভেটি মজবুত হৈ আছে। আগন্তুক বিধানসভা নিৰ্বচনত অগপ দলে প্ৰাৰ্থী প্ৰক্ষেপ কৰিলে এশ শতাংশ জয় নিশ্চিত বুলি ভাষণত উল্লেখ কৰে। আগন্তুক বিধানসভা নিৰ্বচনৰ বাবে সকলো দলীয় নেতা-কৰ্মীক সাজু হ'বলৈ আহ্বান জনায় অগপ নেতা আবু বক্কৰ ছিদ্দিকে।

### "নিৰোদ চৌধুৰীয়ে বঁটাৰ বাবে কেতিয়াও লেখা-মেলা কৰা নাছিল" - ডাঃ ইন্দিৰা চৌধুৰী

# অভিনেতা, গায়ক সুনিত কুমাৰ বৰাক "সাহিত্য সূৰ্য নিৰোদ চৌধুৰী সোঁৱৰণী বঁটা-২০২৬" প্ৰদান

**ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা, ১১ ফেব্ৰুৱাৰী ঃ** "নিৰোদ চৌধুৰীয়ে বঁটাৰ বাবে কেতিয়াও লেখা-মেলা কৰা নাছিল। তেওঁ যে কিবা আশা কৰি লেখা-মেলা কৰিছিল এনে নহয়, মানুহৰ বাবে তেওঁ লিখিছিল, আপোনালোকৰ বাবে লিখিছিল, ডুমডুমাৰ বাবে লিখিছিল। তেওঁৰ প্ৰতিখন উপন্যাস-গল্পৰে পটভূমি আছিল ডুমডুমা। ডুমডুমাক তেওঁক খুব ভাল পাইছিল। তেওঁ সদায়েই চেষ্টা কৰিছিল যাতে ডুমডুমা বিখ্যাত হয়। ডুমডুমা এখন এমুৰীয়া, সৰু চহৰ। ইফালৰ মানুহে ডুমডুমাক ভালকৈ নাজানে, সেইবাবে তেওঁ নিজৰ লেখা-মেলাবোৰত ডুমডুমাৰ প্ৰসংগ টানি আনিবলৈ চেষ্টা কৰিছিল, যাতে ডুমডুমা বিখ্যাত হয়। এইবোৰ কথা তেওঁ মোক কৈছিল। তেওঁ অৰ্ধশতাধিক কিতাপ লিখিছিল। তেওঁৰ ২৭খন উপন্যাস মই পাইছোঁ, ১২খন চুটি গল্পৰ সংকলনৰ লগতে ১০-১২খন মান প্ৰবন্ধ সংকলনো পাইছোঁ। তেখেতৰ কিতাপবোৰ বজাৰত পোৱা নাযায়।"- এই মন্তব্য বিশিষ্ট চিকিৎসক ডাঃ ইন্দিৰা চৌধুৰীৰ। ডুমডুমাৰ সু-সন্তান, বিশিষ্ট সাংবাদিক, সাহিত্যিক, 'চামেলি মেমচাব'ৰ কাহিনীকাৰ, 'ডুমডুমা ডুমডুমা'ৰ স্ৰষ্টা সাহিত্য সূৰ্য নিৰোদ চৌধুৰীৰ মৃত্যু দিৱসটি সোঁৱৰণৰ অৰ্থে ডুমডুমা শতদল শাখা সাহিত্য সভাৰ উদ্যোগত ইয়াৰ আজাদ ৰোডস্থিত শাখাৰ নিজা ভৱনত মঙ্গলবাৰে বিয়লি ৫ বজাত (১০ ফেব্ৰুৱাৰী) অনুষ্ঠিত কৰা 'সাহিত্য সূৰ্য নিৰোদ চৌধুৰীৰ স্মৃতিচাৰণ অনুষ্ঠান'ত উপস্থিত থাকি এইদৰে কয় প্ৰয়াত নিৰোদ চৌধুৰীৰ সহধৰ্মিনী তথা বিশিষ্ট চিকিৎসক ডাঃ ইন্দিৰা চৌধুৰীয়ে। নিজৰ ভাষণত বিশিষ্ট সাহিত্যিক, সাংবাদিক নিৰোদ চৌধুৰীৰ সহধৰ্মিনী তথা সু-চিকিৎসক ডাঃ ইন্দিৰা চৌধুৰীয়ে আক্ষেপ প্ৰকাশ কৰি কয়, "চৰকাৰক তেখেতৰ গ্ৰন্থৰাজি প্ৰকাশৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছিলোঁ যদিওঁ এইক্ষেত্ৰত তেওঁলোকে কোনো আগ্ৰহ প্ৰকাশ নকৰিলে।" তেওঁ লগতে কয়, "পলিটিকেল হোৱা হ'লে হ'য়তো হ'লহেঁতেন। মোক পলিটি'ত জইন কৰিবলৈ কৈছিল। পলিটি'ত মই মুঠেও ইণ্টাৰেষ্টেড নহয়। সেইবাবেই হ'য়তো আমাক উপেক্ষা কৰিলে।" ডাঃ ইন্দিৰা চৌধুৰীয়ে বছৰত একোখনকৈ হ'লেও প্ৰয়াত স্বামী সাহিত্য সূৰ্য নিৰোদ চৌধুৰীৰ গ্ৰন্থ ছপা কৰাৰ পৰিকল্পনা কৰা বুলি উল্লেখ কৰি স্বামীৰ মৃত্যুবাৰ্ষিকীত প্ৰতিবছৰে এনেদৰে স্মৃতিচাৰণ অনুষ্ঠান কৰি অহাৰ বাবে ডুমডুমা শতদল শাখা সাহিত্য সভাৰ লগতে ডুমডুমাবাসীক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। আনহাতে, নিজৰ চমু ভাষণত সাহিত্য সূৰ্য নিৰোদ চৌধুৰীৰ সু-পুত্ৰ তথা অসম চৰকাৰৰ পৰ্যটন বিভাগৰ উপ-সঞ্চালক ইমন চৌধুৰীয়ে তেখেতৰ পিতৃৰ মৃত্যুৰ ২৫ বছৰৰ পাছতো ডুমডুমাবাসীয়ে মৰম-শ্ৰদ্ধা জনাই অহাত যথেষ্ট সুখী অনুভৱ কৰা বুলি কৈ পিতৃ নিৰোদ চৌধুৰীয়ে মৃত্যুৰ আগৰলৈকে ডুমডুমাক লৈয়ে তেখেতে সাহিত্য চৰ্চা অব্যাহত ৰাখিছিল বুলি উল্লেখ কৰে। অনুষ্ঠানৰ আৰম্ভণিতে প্ৰয়াত সাহিত্য সূৰ্য নিৰোদ চৌধুৰীৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে নিৰোদ চৌধুৰীৰ সহধৰ্মিনী ডাঃ ইন্দিৰা চৌধুৰীয়ে। শ্ৰদ্ধাঞ্জলি অনুষ্ঠান মুকলি কৰে তিনিচুকীয়া জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি অৰ্জুন বৰুৱাই। ডুমডুমা উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ৰ ছাত্ৰীসকলে পৰিৱেশন কৰা "চিৰ চেনেহী মোৰ ভাষা জননী" গীতটিৰ পিছতেই অনুষ্ঠিত হয় স্মৃতিচাৰণ সভা। ডুমডুমা শতদল শাখা সাহিত্য সভাৰ সভাপতি দেবেন ডেকাই পৌৰোহিত্য কৰা সভাত উদ্দেশ্য ব্যাখ্যা কৰে শাখাৰ সম্পাদক নিত্যানন্দ দাসে। অনুষ্ঠানত শাখাৰ সদস্যাসকলে সমৱেত কণ্ঠত চামেলি কথাছবিৰ 'অ' বিদেশী বন্ধু' শীৰ্ষক গীতটি পৰিৱেশন কৰে। অনুষ্ঠানত অভিনন্দা বৰুৱাই 'অ' বিদেশী বন্ধু' গীতত নৃত্য পৰিৱেশন কৰাৰ বিপৰীতে অনামিকা লহকৰে এটি গীত পৰিৱেশন কৰে। অনুষ্ঠানত আমন্ত্ৰিত বক্তা হিচাপে উপস্থিত থাকি সাহিত্য সূৰ্য নিৰোদ চৌধুৰীৰ জীৱন আৰু সাহিত্য কৃতিৰ ওপৰত বিস্তৃতভাৱে বক্তব্য আগবঢ়ায় বিশিষ্ট কবি-সাহিত্যিক তথা ছৈখোৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ প্ৰণতি বৰুৱাই। অনুষ্ঠানত তিনিচুকীয়া জিলা সাহিত্য সভাৰ সভাপতি লম্বেশ্বৰ চেতিয়া, ডিগবৈ মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক তথা ডাঃ ইন্দিৰা চৌধুৰীৰ জ্যেষ্ঠ ভগ্নী ৰঞ্জুমণি দত্তয়ো বক্তব্য আগবঢ়ায়। এই অনুষ্ঠানতে অভিনেতা, গায়ক, সুৰকাৰ-সংগীতজ্ঞ তথা নতুন দিল্লীস্থ নেচনেল স্কুল অৱ ড্ৰামা (এন এছ ডি)ৰ ২০১৪ বৰ্ষৰ প্ৰাক্তন শিক্ষাৰ্থী, কাকপথাৰৰ সু-সন্তান সুনিত কুমাৰ বৰাক 'সাহিত্য সূৰ্য নিৰোদ চৌধুৰী স্মাৰক বঁটা - ২০২৬' প্ৰদান কৰা হয়। এই বঁটাত আছে গামোছা, চেলেং, স্মাৰক, প্ৰশস্তি পত্ৰ, এটি কিতাপৰ টোপোলা আৰু নিৰোদ চৌধুৰীৰ পৰিয়ালে আগবঢ়োৱা নগদ দহ হাজাৰ টকা। বঁটা প্ৰদান অনুষ্ঠানটিৰ আঁত ধৰে বিশিষ্ট নাট্যকৰ্মী তথা ডুমডুমা শতদল শাখা সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক জয়সূৰ্য বৰা আৰু বিশিষ্ট সাংবাদিক অভিজিৎ খাটনিয়াৰে। অনুষ্ঠানত বহু কেইগৰাকী গণ্য-মান্য ব্যক্তি প্ৰমুখ্যে শতাধিক ৰাইজ উপস্থিত থাকে। শেষত জাতীয় সংগীতেৰে অনুষ্ঠানৰ সামৰণি মৰা হয়।

# অসমৰ চাহ ৰপ্তানি ৪০ মিলিয়ন কেজিলৈ বৃদ্ধি

বুধবাৰে দিছপুৰৰ লোকসেৱা ভৱনত অনুষ্ঠিত সংবাদমেলত এই তথ্য প্ৰকাশ কৰি কয় যে, অসম পুনৰ চাহ উৎপাদন আৰু ৰপ্তানিত বিশ্বৰ [illegible] হৈছে। মুখ্যমন্ত্ৰীয়ে জনোৱা মতে, এই [illegible]০ মিলিয়ন কেজি বৃদ্ধি পাইছে। ইয়াৰ ভিতৰত ১০ মিলিয়ন কেজি ঘৰুৱা বজাৰত ব্যৱহাৰ হৈছে আৰু বাকী ৪০ মিলিয়ন কেজি বিদেশলৈ ৰপ্তানি হৈছে। বিশেষকৈ ৰপ্তানি হোৱা চাহৰ প্ৰায় ৫০ শতাংশ অৰ্থড' চাহ, যিয়ে আন্তৰ্জাতিক বজাৰত উচ্চ মূল্য লাভ কৰিছে। দক্ষিণ ভাৰতত চাহৰ উৎপাদন ১০ মিলিয়ন কেজি হ্ৰাস পোৱাৰ বিপৰীতে অসমৰ চাহ বিক্ৰী ১৯ মিলিয়ন কেজি বৃদ্ধি পাইছে। অৰ্থড' চাহৰ উৎপাদন বৃদ্ধিত ৰাজ্য চৰকাৰৰ ৰাজসাহায্যৰ ভূমিকা গুৰুত্বপূৰ্ণ বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে, এই সফলতাৰ পিছতে অৰ্থড' চাহৰ প্ৰতি কেজি ৰাজসাহায্য ১০ টকাৰ পৰা ১৫ টকালৈ বৃদ্ধি কৰাৰ সিদ্ধান্ত লোৱা হৈছে। মঙলবাৰে অসম চাহ সংস্থাসমূহৰ সৈতে অনুষ্ঠিত আলোচনাত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। গুৱাহাটী চাহ নিলাম কেন্দ্ৰত অৰ্থড' চাহৰ বিক্ৰী ১০০ শতাংশ বৃদ্ধি পাইছে—পূৰ্বতে ৪.১৯ মিলিয়ন কেজি হোৱাৰ পৰা এইবাৰ ৯.১৫ মিলিয়ন কেজিলৈ উন্নীত হৈছে। এই বৃদ্ধিৰ কাৰণ হিচাপে মুখ্যমন্ত্ৰীয়ে ভাৰত চৰকাৰৰ ইউৰোপীয় ইউনিয়ন (EU), যুক্তৰাজ্য (UK) আৰু যুক্তৰাষ্ট্ৰ (US)ৰ সৈতে কৰা মুক্ত বাণিজ্য চুক্তি (FTA) আৰু টেৰিফ সুবিধাসমূহক উল্লেখ কৰে। এই চুক্তিসমূহৰ ফলত অসমৰ চাহে নতুন বজাৰত প্ৰৱেশ কৰিব পাৰিব আৰু বিশ্বৰ নেতৃত্ব পুনৰ লাভ কৰিব পাৰিব বুলি তেওঁ আশাবাদ ব্যক্ত কৰে। চাহ শ্ৰমিকসকলৰ কল্যাণৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে, চাহ উদ্যোগসমূহক শ্ৰমিকসকলক সুবিধা প্ৰদান কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। পাঁচ বছৰত দুবাৰ দৰমহা বৃদ্ধি কৰা হৈছে আৰু উৎপাদনৰ লাভৰ অংশ শ্ৰমিকসকলক দিয়াৰ বাবে উৎসাহিত কৰা হৈছে। ফেব্ৰুৱাৰী মাহৰ শেষত এই বিষয়ত পুনৰ আলোচনা কৰা হ'ব। লগতে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসম ভ্ৰমণৰ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে জনায় যে, ১৪ ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰী গুৱাহাটীলৈ আহিব আৰু সম্ভৱতঃ ৬-৭ মাৰ্চত পুনৰ আহিব পাৰে। তেতিয়া অন্তত পাঁচ হাজাৰ চাহ শ্ৰমিকক প্ৰধানমন্ত্ৰীয়ে নিজৰ হাতেৰে মাটিৰ পট্টা প্ৰদান কৰাৰ ইচ্ছা আছে। যদি প্ৰধানমন্ত্ৰী আহিব নোৱাৰে তেন্তে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ যোগেদি এই কাম সম্পন্ন কৰা হ'ব। ১০ মাৰ্চৰ আগতে ৫ৰ পৰা ২০ হাজাৰ চাহ শ্ৰমিকক পট্টা দিয়াৰ পৰিকল্পনা আছে। এই সফলতাই অসমৰ চাহ উদ্যোগক পুনৰ সোণালী যুগলৈ ঘূৰাই অনাৰ সম্ভাৱনা প্ৰকাশ কৰিছে, যিয়ে ৰাজ্যৰ অৰ্থনীতি আৰু চাহ শ্ৰমিকসকলৰ জীৱনযাত্ৰাক শক্তিশালী কৰিব।

# ১৪ ফেব্ৰুৱাৰীত কুমাৰ

এই ভ্ৰমণৰ সম্পূৰ্ণ ৰূপৰেখা প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীয়ে পুৱা ৭: ১৫ বজাত দিল্লীৰ পৰা ৰাওনা হৈ পুৱা ৯: ৫০ বজাত চাবুৱা এয়াৰ ফিল্ডত অৱতৰণ কৰিব। তাৰ পিছত ১০ বজাত চাবুৱাৰ পৰা মৰাণলৈ যাত্ৰা কৰি মৰাণৰ চাৰিলেনযুক্ত ৰাজপথত নিৰ্মিত জৰুৰী অৱতৰণ সুবিধা (Emergency Landing Facility)ত অৱতৰণ কৰিব। সেয়াই এই ভ্ৰমণৰ মূল আকৰ্ষণ। তেওঁ ৰাস্তাত নিৰ্মিত সৰু মঞ্চত উপস্থিত হোৱাৰ পিছত আধা ঘণ্টাৰ ভিতৰত ভাৰতীয় বায়ুসেনাৰ ১৬খন যুদ্ধ বিমানৰ এয়াৰ শ্ব' অনুষ্ঠিত হ'ব। সুখই, ৰাফেল আদি বিমানে ৰাস্তাত অৱতৰণ আৰু উৰণ কৰি প্ৰদৰ্শনী কৰিব। এই অনুষ্ঠানৰ জৰিয়তে প্ৰধানমন্ত্ৰীয়ে এই জৰুৰী অৱতৰণ সুবিধা আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব। মৰাণৰ পৰা ১২: ৩০ বজাত বিশেষ বিমানেৰে গুৱাহাটীলৈ প্ৰত্যাৱৰ্তন কৰি প্ৰধানমন্ত্ৰীয়ে দুপৰীয়া ১ বজাৰ পৰা ১: ১৫ বজালৈ গুৱাহাটী আৰু উত্তৰ গুৱাহাটী সংযোগী দলঙৰ আনুষ্ঠানিক উদ্বোধন কৰিব। দলঙখন নিজে পৰিদৰ্শন কৰি ইয়াৰ কাৰিকৰী অনন্যতাৰ প্ৰশংসা কৰিব। এই দলংখন ভাৰতৰ এক্সট্ৰা-ড'জ ডিজাইনৰ অন্যতম শ্ৰেষ্ঠ দলং হিচাপে বিবেচিত। উদ্বোধনৰ পিছত তেওঁ লাচিত ঘাটলৈ যাব আৰু তাতে আই আই এম গুৱাহাটীৰ অস্থায়ী চৌহদ (বঙৰাত) আনুষ্ঠানিকভাৱে মুকলি কৰিব। এই চৌহদত হোষ্টেলও নিৰ্মাণ কৰা হৈছে আৰু স্থায়ী কেম্পাছ পলাশবাৰীত হ'ব। তাৰ পিছত আমিনগাঁৱত এন আই চিৰ ডাটা চেণ্টাৰ উদ্বোধন কৰি লাচিত ঘাটৰ পৰা কেন্দ্ৰীয় চৰকাৰে গুৱাহাটীৰ বাবে প্ৰদান কৰা ১০০খন ইলেক্ট্ৰিক বাছ আনুষ্ঠানিকভাৱে মুকলি কৰিব। দুপৰীয়া ২ বজাৰ পৰা ৩ বজালৈ খানাপাৰাত বিজেপিৰ বুথ সন্মিলনীত অংশগ্ৰহণ কৰিব। ৰাজ্যৰ প্ৰায় ৩০ হাজাৰ বুথৰ পৰা ২-৩ জনকৈ প্ৰতিনিধিৰ উপস্থিতিত প্ৰায় এক লাখ বুথ পৰ্যায়ৰ কাৰ্যকৰ্তাই এই সন্মিলনীত যোগদান কৰিব। বিজেপিৰ ৭ লাখ সক্ৰিয় বুথ কাৰ্যকৰ্তাৰ মাজৰ এই অনুষ্ঠানৰ উদ্বোধন কৰি প্ৰধানমন্ত্ৰীয়ে ভাষণ দিব। বিয়লি তেওঁ দিল্লীলৈ প্ৰত্যাৱৰ্তন কৰিব। মুখ্যমন্ত্ৰীয়ে লগতে জনায় যে ২১ ফেব্ৰুৱাৰীত গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত চিআৰপিএফৰ ৰেইজিং দিৱস উদযাপন হ'ব আৰু সেই অনুষ্ঠানত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ উপস্থিত থাকিব। গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী দলঙখন ফেব্ৰুৱাৰী মাহত কেৱল খোজ কঢ়াৰ বাবে খোলা থাকিব আৰু মাৰ্চ মাহৰ পৰা যান-বাহন চলাচল আৰম্ভ হ'ব। বাছ আৰু ট্ৰাকৰ পৰা টোল সংগ্ৰহ কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। এই ভ্ৰমণৰ জৰিয়তে অসমৰ প্ৰতিৰক্ষা ক্ষমতা, পৰিকাঠামো উন্নয়ন আৰু ৰাজনৈতিক শক্তি প্ৰদৰ্শন একেলগে হাইলাইট হ'ব বুলি আশা কৰা হৈছে।

# সংশোধন হ'ব গৌৰৱৰ

"গৌৰৱ গগৈয়ে নিজ মুখে স্বীকাৰ কৰিছে যে তেওঁৰ পত্নীয়ে পাকিস্তানৰ পৰা পোনপটীয়াকৈ এমাহৰ দৰমহা লৈছিল। আমি আগতে কৈছিলোঁ যে পৰোক্ষভাৱে লিড ইণ্ডিয়া আৰু লিড পাকিস্তানৰ যোগেদি দৰমহা আহিছিল। কিন্তু গৌৰৱ গগৈয়ে ক'লে- নহয়, পোনপটীয়াকৈ লৈছিল। এই কথা এছ আই টিয়ে নিজৰ প্ৰতিবেদনত সুমুৱাব।" দ্বিতীয়টো তথ্য হ'ল- গৌৰৱ গগৈয়ে ৰাৱালপিণ্ডি ভ্ৰমণ কৰিছিল, কিন্তু তেওঁৰ ভিছাত ৰাৱালপিণ্ডিৰ অনুমতি নাছিল। মুখ্যমন্ত্ৰীয়ে কয়, "এই দুয়োটা তথ্য এছ আই টিৰ প্ৰতিবেদনত সংযোজন কৰি কাইলৈ বা পৰহিলৈ দিল্লীলৈ পঠিয়াই দিয়া হ'ব।" উল্লেখ্য যে ২০২৫ চনৰ ফেব্ৰুৱাৰীত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই গৌৰৱ গগৈ আৰু তেওঁৰ পত্নী এলিজাবেথ ক'লবাৰ্ণক পাকিস্তানী এজেণ্ট বুলি অভিযোগ উত্থাপন কৰিছিল। তাৰ পিছতে অসম চৰকাৰে পাকিস্তানী নাগৰিক আলী তৌকীৰ শ্বেখৰ (যাৰ সৈতে এলিজাবেথৰ ঘনিষ্ঠতাৰ অভিযোগ আছিল)ৰ দ্বাৰা ভাৰতৰ অভ্যন্তৰীণ বিষয়ত হস্তক্ষেপৰ অভিযোগ তদন্তৰ বাবে এছ আই টি গঠন কৰিছিল। এই দলে এলিজাবেথক জেৰা কৰিছিল যদিও গৌৰৱ গগৈক জেৰা কৰা নাছিল। যোৱা দেওবাৰে এছ আই টিৰ প্ৰতিবেদন ৰাজহুৱা কৰি মুখ্যমন্ত্ৰীয়ে অভিযোগ কৰিছিল যে গৌৰৱ গগৈ, তেওঁৰ পত্নী আৰু আলী তৌকীৰ মাজত লিংক আছিল আৰু ইণ্টেলিজেন্স ব্যুৰ'ৰ (IB) তথ্য গোপনে পাকিস্তানলৈ হস্তান্তৰ কৰা হৈছিল। সোমবাৰে গৌৰৱ গগৈয়ে নিজৰ সংবাদমেলত এই অভিযোগসমূহক "ছুপাৰ ফ্লপ" বুলি নস্যাৎ কৰি এছ আই টিৰ তদন্তক কটাক্ষ কৰিছিল। বুধবাৰে গৌৰৱক জেৰা নকৰাৰ প্ৰশ্নৰ সন্মুখীন হৈ মুখ্যমন্ত্ৰীয়ে কয়, "আৰক্ষীয়ে কাৰ লগত কেনেকৈ তদন্ত আগবঢ়াব লাগে সেয়া তেওঁলোকে জানে। তেওঁলোকৰ নিজৰ প্ৰক্ৰিয়া আছে। গৌৰৱ গগৈক জেৰা কৰিলে তেওঁ উকীল লৈ আহিলেহেঁতেন আৰু ৰাৱালপিণ্ডি ভ্ৰমণৰ কথা মুখেৰে নোলালেহেঁতেন।" কেন্দ্ৰীয় গৃহ বিভাগৰ অধীনৰ বিষয়ত ৰাজ্য চৰকাৰে কিয় তদন্ত কৰিছে বুলি প্ৰশ্ন উঠাত মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ প্ৰশংসা কৰি কয়, "অমিত শ্বাহ ডাঙৰীয়াই কাম কৰে, কথা নকয়। তেওঁ মনে মনে থকা দেখিলে গম পাব যে এয়া ধুমুহাৰ ইংগিত। পাকিস্তান লিংকৰ বিষয়ত কোনোৱেই ৰেহাই নাপাব।" এই বিবৃতিয়ে ২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচনৰ পূৰ্বে ৰাজ্যৰ ৰাজনৈতিক উত্তাপক আৰু বৃদ্ধি কৰিছে। কংগ্ৰেছৰ পৰা এই অভিযোগসমূহক ৰাজনৈতিক প্ৰতিহিংসা বুলি অভিহিত কৰা হ'ব পাৰে বুলি ৰাজনৈতিক বিশ্লেষকসকলে মত প্ৰকাশ কৰিছে।

# মৰাণৰ ৰাজপথত নামিল বায়ুসেনাৰ যুদ্ধ বিমান

আৰু জৰুৰী অৱতৰণ সেৱাৰ (Emergency Landing Facility - ELF) আনুষ্ঠানিক উদ্বোধনৰ পূৰ্বে কৰা হৈছে। ভাৰতীয় বায়ুসেনাই আজি প্ৰথমে এখন কাৰ্গো বিমানৰ সফল অৱতৰণৰ পিছতে বিভিন্ন যুঁজাৰু বিমান যেনে ৰাফেল, ছুখয়, মিগ আদিৰ উৰণ-অৱতৰণৰ পৰীক্ষা আৰম্ভ কৰে। এই পৰীক্ষাই সফলতাৰে সম্পন্ন হোৱাত উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰতে প্ৰথমবাৰৰ বাবে এনে জৰুৰী অৱতৰণ সেৱাৰ সম্ভাৱনা প্ৰমাণিত হৈছে। ভৱিষ্যতে যিকোনো জৰুৰী পৰিস্থিতিত মৰাণৰ এই ৰাজপথতে ভাৰতীয় বায়ুসেনাৰ যুদ্ধ বিমানসমূহে অৱতৰণ কৰিব পাৰিব। মৰাণ বাইপাছৰ জঁটিয়নীৰ ওচৰত চাৰিলেনযুক্ত ৰাজপথৰ প্ৰায় ৪.২ কিলোমিটাৰ দৈৰ্ঘ্যৰ অংশত এই ELF নিৰ্মাণ কৰা হৈছে। পশ্চিমবংগৰ এটা ঠিকাদাৰী প্ৰতিষ্ঠানে ভাৰতীয় বায়ুসেনাৰ তত্ত্বাৱধানত নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰিছে। ৬ ফেব্ৰুৱাৰীৰ পৰা এই অংশত যাতায়াত বন্ধ কৰি দিয়া হৈছে আৰু বায়ুসেনাই নিজৰ নিয়ন্ত্ৰণত ৰাখিছে। কঠোৰ নিৰাপত্তা ব্যৱস্থাৰ মাজতে সমগ্ৰ অঞ্চলটোক ঘেৰি ৰখা হৈছে। ৰাইজে ফেন্সিঙৰ বাহিৰৰ পৰাহে বিমান অৱতৰণৰ দৃশ্য উপভোগ কৰিব পাৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ১৪ ফেব্ৰুৱাৰীত চাবুৱা বায়ুসেনা ঘাটিৰ পৰা বিশেষ বিমানেৰে মৰাণৰ ৰাজপথত অৱতৰণ কৰি এই ELF আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব। এই অনুষ্ঠানৰ বাবে দিব্ৰুগড় জিলা প্ৰশাসন, ভাৰতীয় বায়ুসেনা আৰু সংশ্লিষ্ট বিভাগসমূহে তীব্ৰ প্ৰস্তুতি চলাই আছে। প্ৰধানমন্ত্ৰীৰ আগমনৰ দিনা ৰাইজে ফেন্সিঙৰ বাহিৰৰ পৰা নিৰাপদে বিমান অৱতৰণৰ দৃশ্য চাব পৰাকৈ বিশেষ ব্যৱস্থা কৰা হৈছে। এই ELF উদ্বোধনে অসমৰ লগতে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ বাবে এক গুৰুত্বপূৰ্ণ কৌশলগত মাইলৰ খুঁটি হিচাপে বিবেচিত হৈছে। জৰুৰীকালীন অৱস্থাত বিমান অৱতৰণৰ সুবিধাৰ উপৰিও এই পদক্ষেপে দেশৰ প্ৰতিৰক্ষা ব্যৱস্থাক অধিক শক্তিশালী কৰিব।

# দ্বিতীয়বাৰৰ বাবে ন্যায়িক

দ্বিতীয়বাৰৰ বাবে সাক্ষ্য প্ৰদান কৰিলে তেওঁৰ পত্নী গৰিমা শইকীয়া গাৰ্গে। সাক্ষ্যদানৰ সময়ত গৰিমা গাৰ্গে অত্যন্ত আৱেগপূৰ্ণভাৱে প্ৰকৃত দোষীসকলক চিনাক্ত কৰি তেওঁলোকক উচিত শাস্তি প্ৰদানৰ দাবী জনাইছে। গৰিমা শইকীয়া গাৰ্গে কয় যে, অভিযুক্তসকলে ন্যায়িক প্ৰক্ৰিয়াক দীঘলীয়া কৰাৰ চেষ্টা চলাই আছে। তেওঁ স্পষ্টভাৱে মন্তব্য কৰে যে, "জুবিনে যদি ন্যায় নাপায়, তেতিয়াহ'লে অসমত কোনে ন্যায় পাব?" এই বাক্যৰে তেওঁ অসমৰ ন্যায় ব্যৱস্থাৰ প্ৰতি গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। আৰু অধিক আগবাঢ়ি গৰিমা গাৰ্গে কয় যে, জুবিন গাৰ্গে ন্যায় নাপালে ই চৰকাৰৰ লগতে সমগ্ৰ জনসাধাৰণৰ বাবে এক ডাঙৰ বিফলতা হ'ব। তেওঁ আহ্বান জনাইছে যে আসুৰিক শক্তিসমূহক দমন কৰা হওক আৰু দোষীসকলে কঠোৰ শাস্তি পাওক। ন্যায়ৰ স্বাৰ্থত গৰিমা শইকীয়া গাৰ্গে জুবিন গাৰ্গৰ মামলাৰ বাবে বিশেষ আদালত প্ৰতিষ্ঠা কৰাৰ দাবী উত্থাপন কৰিছে। লগতে তেওঁ ন্যায়িক ব্যৱস্থাক অধিক ক্ষিপ্ৰতৰ কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে, যাতে দীঘলীয়া প্ৰক্ৰিয়াৰ ফলত ন্যায় বিলম্ব নহয়জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাই অসমৰ লাখ লাখ অনুৰাগীক শোকাহত কৰিছে। গৰিমা গাৰ্গৰ এই দৃঢ় দাবীসমূহে ন্যায়ৰ প্ৰতি সকলোৰে আশা আৰু প্ৰত্যাশাক পুনৰ জাগ্ৰত কৰিছে। ন্যায়িক আয়োগে এই সাক্ষ্যসমূহক গুৰুত্বসহকাৰে বিবেচনা কৰি তদন্তক আগুৱাই নিয়াৰ আশা কৰা হৈছে।

# বিৰোধীৰ ঐক্য সন্দৰ্ভত মূল দায়িত্ব ভূপেন বৰাক

ভাগ-বাটোৱাৰাৰ বিষয়ে চূড়ান্ত আলোচনাৰ বাবে শুকুৰবাৰক (১৪ ফেব্ৰুৱাৰী) নিৰ্ধাৰণ কৰিছে। এই বৈঠকৰ দায়িত্ব অৰ্পণ কৰা হৈছে অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ (এ পি চি চি) প্ৰাক্তন সভাপতি ভূপেন বৰাক। বুধবাৰে অখিল গগৈয়ে সামাজিক মাধ্যমত জাননী দি কয় যে, মিত্ৰতা সন্দৰ্ভত জৰুৰী কৰ্ণধাৰ বৈঠক আৰু আলোচনাৰ বাবে ১২ ফেব্ৰুৱাৰীৰ পৰা তেওঁৰ সকলো ৰাজহুৱা সভা আৰু কাৰ্যসূচী বাতিল কৰা হৈছে। তেওঁ সংশ্লিষ্ট সকলোৰে ওচৰত ক্ষমা-প্ৰাৰ্থনাও জনায়। কংগ্ৰেছৰ উচ্চস্তৰীয় সূত্ৰ অনুসৰি, ভূপেন বৰাকক এই আলোচনাৰ মূল দায়িত্ব দিয়া হৈছে। অখিল গগৈৰ সৈতে ফোনযোগে যোগাযোগ কৰি ভূপেন বৰাই শুকুৰবাৰে বৈঠকৰ সময় নিৰ্ধাৰণ কৰিছে। অখিল গগৈয়ে লখিমপুৰত সংবাদমাধ্যমৰ আগত কয় যে, ভূপেন বৰা ৰাজনৈতিকভাৱে অভিজ্ঞ আৰু বাস্তৱবাদী নেতা। তেওঁৰ নেতৃত্বত মিত্ৰতাৰ আলোচনা অতি সোনকালে সম্পন্ন হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰে। আলোচনাৰ পিছতে ৰাইজৰ দলেও শুকুৰবাৰে জৰুৰী কৰ্ণধাৰ বৈঠক অনুষ্ঠিত কৰিব। এই বৈঠকতেই ভূপেন বৰাৰ সৈতে হোৱা আলোচনাৰ ভিত্তিত আসন ভাগ-বাটোৱাৰাৰ প্ৰস্তাৱৰ ওপৰত ৰাইজৰ দলৰ কৰ্ণধাৰসকলে চূড়ান্ত অনুমোদন দিব। উল্লেখ্য যে, কংগ্ৰেছে ৰাইজৰ দলক ১১খন আসন দিয়াৰ প্ৰস্তাৱ দিছিল, কিন্তু অখিল গগৈৰ দলে ২০খন আসন বিচাৰিছে। এই ব্যৱধানৰ বাবে আলোচনাত কিছু জটিলতা আছিল যদিও গৌৰৱ গগৈয়ে কাজিৰঙাত অখিল গগৈক লগ কৰি ব্যক্তিগতভাৱে ডাৱৰ আঁতৰাইছিল। এতিয়া ভূপেন বৰাৰ দায়িত্ব গ্ৰহণৰ পিছত বিৰোধী ঐক্যৰ সম্ভাৱনা অধিক শক্তিশালী হৈ উঠিছে। যদি শুকুৰবাৰে এই বৈঠক সফল হয়, তেন্তে ২০২৬ৰ নিৰ্বাচনত বিৰোধী শক্তিসমূহৰ মিত্ৰতাই নতুন গতি লাভ কৰিব আৰু বিজেপিৰ বিৰুদ্ধে এক শক্তিশালী বিকল্প হিচাপে আত্মপ্ৰকাশ কৰিব পাৰিব।

# বিজেপি কৰ্মীৰ অভিযোগৰ ভিত্তিতে

বিশেষ ভোটাৰ তালিকা পুনৰীক্ষণ (Special Summary Revision)ৰ সময়ত খচৰা তালিকাৰ পৰা প্ৰায় ২ লাখ ৪৩ হাজাৰৰো অধিক সন্দেহজনক ভোটাৰৰ নাম কৰ্তন কৰা হৈছে। বুধবাৰে দিছপুৰত অনুষ্ঠিত এক সংবাদমেলত মুখ্যমন্ত্ৰীয়ে কয়, "এয়া মাত্ৰ আৰম্ভণিহে। বিজেপিৰ বহু কৰ্মীয়ে বুথ পৰ্যায়ত অভিযোগ দাখিল কৰিছিল যে কোনো কোনো লোক অসমৰ বাসিন্দা নহয়। সেই অভিযোগসমূহৰ ভিত্তিতে নিৰ্বাচন বিভাগে পৰীক্ষা-নিৰীক্ষা কৰি এই সংখ্যক নাম আঁতৰাইছে।" তেওঁ লগতে উল্লেখ কৰে যে অসম চুক্তি স্বাক্ষৰিত হোৱাৰ পিছত এই পৰিমাণৰ সন্দেহজনক ভোটাৰৰ নাম একেলগে কৰ্তন কৰাৰ ঘটনা এইবাৰেই প্ৰথম। মুখ্যমন্ত্ৰীয়ে কয়, "অবৈধ বাংলাদেশী প্ৰব্ৰজনকাৰীৰ (অবৈধ বাংলাদেশী মুছলমান) বিৰুদ্ধে আমাৰ যুদ্ধ অব্যাহত থাকিব। বিজেপি কৰ্মীসকলে বহু কষ্ট কৰি বুথ অফিচাৰসকলক পতিয়ন নিয়াইছে যে এই লোকসকলৰ নাম তালিকাত থকা উচিত নহয়।" নিৰ্বাচন আয়োগে মঙলবাৰে প্ৰকাশ কৰা চূড়ান্ত ভোটাৰ তালিকাত মুঠ ২ কোটি ৪৯ লাখ ভোটাৰৰ নাম অন্তৰ্ভুক্ত হৈছে। খচৰা তালিকাৰ তুলনাত এই সংখ্যা ০.৯৭ শতাংশ কম। খচৰা তালিকাৰ পৰা কৰ্তিত ২, ৪৩, ৪৮৫ গৰাকী ভোটাৰৰ নামৰ ভিতৰত বহুসংখ্যকৰ নাম বিজেপিৰ অভিযোগৰ ভিত্তিতে আঁতৰোৱা বুলি মুখ্যমন্ত্ৰীয়ে দাবী কৰে। মুখ্যমন্ত্ৰীয়ে অভিযোগ কৰে যে কিছুমান লোকে চৰকাৰক ভয়-ভাবুকি দিবলৈ চেষ্টা কৰিছিল, কিন্তু তেওঁলোকে সকলো বাধা অতিক্ৰম কৰি এই সফলতা লাভ কৰিছে। তেওঁ আৰু কয় যে বিশেষ পৰ্যালোচনাৰ প্ৰক্ৰিয়া এতিয়াও সম্পূৰ্ণ হোৱা নাই আৰু আগন্তুক দিনত আৰু অধিক সন্দেহজনক নাম তালিকাৰ পৰা আঁতৰোৱা হ'ব। এই ঘোষণাই ২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচনৰ পূৰ্বে ভোটাৰ তালিকাৰ বিশুদ্ধতা আৰু অবৈধ প্ৰব্ৰজন সন্দৰ্ভত ৰাজনৈতিক বিতৰ্কক আৰু তীব্ৰতৰ কৰি তুলিছে। মুখ্যমন্ত্ৰীৰ এই মন্তব্যই বিৰোধী দলসমূহৰ পৰা তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিব পাৰে বুলি ৰাজনৈতিক মহলত চৰ্চা হৈছে।

# অখিল গগৈৰ বিৰুদ্ধে পুনৰ দেশদ্ৰোহৰ গোচৰ

যে, "হিমন্ত বিশ্ব শৰ্মাই মোক খুব ভাল পায়। তেওঁ মোৰ ভাল বন্ধু।" এই মন্তব্য শুনি আচৰিত হোৱাটো স্বাভাৱিক যদিও ইয়াৰ পিছফালে লুকাই আছে ২০১৩ চনৰ বৃহৎ নদীবান্ধ বিৰোধী আন্দোলনৰ প্ৰেক্ষাপট। সেই সময়ত লখিমপুৰত তীব্ৰ আন্দোলন চলিছিল আৰু অখিল গগৈ আছিল ইয়াৰ অন্যতম প্ৰধান নেতা। আন্দোলনৰ ফলত নদীবান্ধৰ নিৰ্মাণ কাম বন্ধ হৈ পৰিছিল। কিন্তু পৰৱৰ্তী সময়ত ৰাজনৈতিক পৰিৱৰ্তনৰ লগে লগে প্ৰকল্পৰ কাম পুনৰ আৰম্ভ হয়। আন্দোলনৰ সময়ত অখিল গগৈকে ধৰি কেইবাজনো নেতাৰ বিৰুদ্ধে গোচৰ ৰুজু হৈছিল। তাৰ ভিতৰত এটা গোচৰ আছিল ভাৰতীয় দণ্ডবিধিৰ ১২১(এ) আৰু ১২০(বি) ধাৰাৰ অধীনত ৰুজু হোৱা দেশদ্ৰোহিতাৰ গোচৰ (কেছ নং ৮১৪/১৩)। আন কেইবাটাও ধাৰাৰ গোচৰ আছিল যেনে ১০১, ১১৫, ১১৭ আদি। অখিল গগৈয়ে আদালতৰ পৰা ওলাই আহি স্পষ্ট কৰি কয় যে, এই দেশদ্ৰোহিতাৰ গোচৰ চলাবলৈ চৰকাৰৰ পৰা অনুমতিৰ প্ৰয়োজন। কংগ্ৰেছ চৰকাৰৰ দিনতো আৰু পিছৰ সৰ্বানন্দ সোণোৱাল চৰকাৰৰ দিনতো এই অনুমতি দিয়া হোৱা নাছিল। কিন্তু বৰ্তমানৰ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন চৰকাৰে সেই অনুমতি প্ৰদান কৰিছে। তাৰ ফলতেই বুধবাৰে এই গোচৰত অখিল গগৈক লখিমপুৰ আদালতত হাজিৰ হ'বলগীয়া হৈছে। তেওঁ ব্যঙ্গ কৰি কয়, "হিমন্ত বিশ্ব শৰ্মাই মোক খুব ভাল পায় বাবেই এই গোচৰ চলাবলৈ অনুমতি দিছে। মই সদায় তেওঁক আৰু বিজেপিক সমালোচনা কৰি আহিছোঁ। তেওঁ মোক বিধানসভাত অপমান কৰে, বাহিৰত বদনাম উলিয়ায়। এতিয়া দেশদ্ৰোহী সজোৱাৰ চেষ্টা চলাইছে। এন আই এৰ গোচৰটোকো বিশেষ গোচৰ নহয় বুলি এন আই এয়ে নাইকিয়া কৰিছিল, কিন্তু চৰকাৰে পুনৰ চলাবলৈ দিলে।" অখিল গগৈয়ে লগতে কয় যে, অসমৰ বিভিন্ন থানাত তেওঁৰ বিৰুদ্ধে বহু গোচৰ আছে, কিন্তু পূৰ্বৰ চৰকাৰসমূহে সেইবোৰ চলাবলৈ অনুমতি দিয়া নাছিল। "আমি যুঁজি যাম"— তেওঁ দৃঢ়তাৰে কয়। একেখন সংবাদমেলতে অখিল গগৈয়ে নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্প সন্দৰ্ভত গুৰুত্বপূৰ্ণ ঘোষণা কৰে। তেওঁ কয় যে, ২০০০ মেগাৱাট বিদ্যুৎ উৎপাদনৰ লক্ষ্য লৈ আৰম্ভ হোৱা এই প্ৰকল্পত ইতিমধ্যে ৫০০ মেগাৱাট উৎপাদন আৰম্ভ হৈছে। কিন্তু আগন্তুক বিধানসভা নিৰ্বাচনত যদি বিৰোধী ঐক্য মঞ্চ ক্ষমতালৈ আহে, তেন্তে তেওঁলোকে এই জলবিদ্যুৎ প্ৰকল্প সম্পূৰ্ণৰূপে বন্ধ কৰি দিব। এই মন্তব্যই ২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচনৰ পূৰ্বে ৰাজনৈতিক উত্তাপ বৃদ্ধি কৰিছে। অখিল গগৈৰ এই ব্যঙ্গাত্মক আৰু স্পষ্ট ঘোষণাই ৰাজ্যৰ ৰাজনীতিত নতুন চৰ্চাৰ সৃষ্টি কৰিছে।

# অধিক কঠোৰ হ'ব বনভূমিত

সকলক উচ্ছেদ কৰাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ বাবে এক ঐতিহাসিক সফলতা অৰ্জন হৈছে। উচ্চতম ন্যায়ালয়ে মঙলবাৰে (১০ ফেব্ৰুৱাৰী) দিয়া গুৰুত্বপূৰ্ণ ৰায়ত অসম চৰকাৰক বনভূমিত অবৈধ দখলদাৰীৰ বিৰুদ্ধে উচ্ছেদ অভিযান চলোৱাৰ স্পষ্ট অধিকাৰ প্ৰদান কৰিছে, লগতে যথাযথ প্ৰক্ৰিয়া (due process) অনুসৰণ কৰাৰ নিৰ্দেশ দিছে। এই ৰায়ক মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই "অসমৰ বন বিভাগৰ ইতিহাসত এক নাইদেখা মাইলৰ খুঁটি" বুলি অভিহিত কৰি তীব্ৰ প্ৰশংসা কৰিছে। বুধবাৰে দিছপুৰৰ লোকসেৱা ভৱনত সংবাদমেল সম্বোধন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে, এতিয়াৰ পৰা বনভূমিত উচ্ছেদ চলোৱাৰ ক্ষেত্ৰত আদালতৰ পৰা স্থগিতাদেশৰ সমস্যা বহুলাংশে দূৰ হ'ব। পূৰ্বতে শনি-দেওবাৰে আদালত বন্ধ থকাৰ বাবে শুকুৰবাৰে তৎকালীন উচ্ছেদ কৰিবলগীয়া হৈছিল, কিন্তু এতিয়া সেই প্ৰয়োজন নাই। উচ্চতম ন্যায়ালয়ৰ দুজনীয়া খণ্ডপীঠে (ন্যায়মূৰ্তি পি এছ নৰসিংহ আৰু অলোক অৰাড়ে) দিয়া ৰায়ত স্পষ্ট কৰা হৈছে যে, সংৰক্ষিত বনাঞ্চলত অবৈধ দখল থাকিলে ৰাজ্য চৰকাৰৰ উচ্ছেদ কৰাৰ অধিকাৰ আছে। তথাপি উচ্ছেদৰ আগতে জিলা আয়ুক্তৰ নেতৃত্বত এখন কমিটী গঠন কৰিব লাগিব, য'ত বন বিষয়া, ৰাজহ বিষয়া আদি সদস্য থাকিব। কমিটীয়ে দখলদাৰীৰ অভিযোগ পৰীক্ষা কৰি "স্পিকিং অৰ্ডাৰ" (speaking order) জাৰি কৰিব, য'ত দখলদাৰীক অভিযোগৰ বিৰুদ্ধে নিজৰ যুক্তি দাঙি ধৰাৰ সুযোগ দিয়া হ'ব। যদি মাটি বনভূমি বুলি প্ৰমাণিত হয়, তেন্তে ১৫ দিনৰ নোটিচ দি উচ্ছেদ কৰিব পৰা যাব। যদি ৰাজহ ভূমি বুলি ধৰা পৰে, তেন্তে ৰাজহ বিভাগে পৰৱৰ্তী পদক্ষেপ ল'ব। এই ব্যৱস্থাই পূৰ্বৰ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ এক মাহৰ সময়সীমাক ১৫ দিনলৈ হ্ৰাস কৰিছে। মুখ্যমন্ত্ৰীয়ে জনোৱা মতে, ইতিমধ্যে ৰাজ্য চৰকাৰে সৰুপথাৰ, গোৱালপাৰা, নগাঁও, গোলাঘাট আদি জিলাৰ সংৰক্ষিত বনাঞ্চলত উচ্ছেদ চলাই ১ লাখ ২৫ হাজাৰ ৩২৬ বিঘা বনভূমি মুক্ত কৰিছে (ৰাজহ ভূমিৰ হিচাপত ১.৬০ লাখ বিঘাৰ ওপৰত)। পূৰ্বতে প্ৰায় ৩০০ আবেদনকাৰীৰ বাবে উচ্চতম ন্যায়ালয়ে উচ্ছেদ স্থগিত ৰাখিছিল, যাৰ ফলত ১০-১৫ শতাংশ ভূমিত উচ্ছেদ সম্ভৱ হোৱা নাছিল। এতিয়া এই সমস্যা দূৰ হৈছে। ৰাজ্যত মুঠতে ২৬-২৭ লাখ বিঘা বনভূমি বেদখল হৈ আছে, কিন্তু খিলঞ্জীয়া ভূমিপুত্ৰসকলক ফৰেষ্ট পট্টা প্ৰদান কৰিলে বেদখলৰ পৰিমাণ প্ৰায় ২০ লাখ বিঘালৈ হ্ৰাস পাব। মুখ্যমন্ত্ৰীয়ে আশ্বাস দিয়ে যে, উচ্ছেদ অভিযানৰ সমান্তৰালভাৱে খিলঞ্জীয়া ভূমিপুত্ৰসকলক বনভূমিতো অধিকাৰ দিয়া হ'ব আৰু তেওঁলোকক ফৰেষ্ট পট্টা প্ৰদান কৰা হ'ব। "খিলঞ্জীয়াসকলে উচ্ছেদৰ বাবে ভয় কৰাৰ কোনো প্ৰয়োজন নাই। বনভূমি বেদখল হ'ব নোৱাৰে, কিন্তু ভূমিপুত্ৰসকলক অধিকাৰ দিয়া হ'ব"— তেওঁ কয়। আজি বিয়লি জিলা আয়ুক্তৰ অধ্যক্ষতাত কমিটী গঠন কৰি নটিফাই কৰা হ'ব। এই ৰায়ে কাজিৰঙা, মানাহ, ওৰাং আদি জাতীয় উদ্যান আৰু সংৰক্ষিত বনাঞ্চলৰ মাজত সংযোগ স্থাপনত সহায় কৰিব আৰু পৰিৱেশ সংৰক্ষণক শক্তিশালী কৰিব। চৰকাৰৰ হৈ উচ্চতম ন্যায়ালয়ত যুক্তি দাঙি ধৰিছিল ছ'লিচিটৰ জেনেৰেল তুষাৰ মেহতাই। এই জয়ৰ ফলত অসমৰ বনভূমি সুৰক্ষা আৰু খিলঞ্জীয়াৰ অধিকাৰৰ মাজত ভাৰসাম্য ৰক্ষা কৰা সম্ভৱ হ'ব।

# গছ নকটাকৈয়েই উন্নয়ন

পায়েঙে চৰকাৰক স্পষ্ট বাৰ্তা দিছে- উন্নয়নৰ নামত গছ-গছনি কাটা বন্ধ কৰক। তেওঁ কয় যে, উন্নত ৰাষ্ট্ৰসমূহে বনাঞ্চল ধ্বংস নকৰাকৈয়ে অত্যাধুনিক প্ৰযুক্তিৰ সহায়ত ৰেল, ৰাস্তা আদি নিৰ্মাণ কৰিছে। অসমেও সেই পদ্ধতি গ্ৰহণ কৰিব পাৰে। আমচাং বনাঞ্চল ধ্বংস কৰি ৰিং ৰোড নিৰ্মাণৰ প্ৰস্তাৱৰ প্ৰতি তীব্ৰ আপত্তি জনাই তেওঁ এই মন্তব্য কৰে। বুধবাৰে তেজপুৰ সাহিত্য সভা ভৱনত অসমীয়া সুৰক্ষা মঞ্চই দশম বৰ্ষপূৰ্তি উপলক্ষে আয়োজিত অনুষ্ঠানত যাদৱ পায়েঙক 'অসম নক্ষত্ৰ বঁটা ২০২৬' প্ৰদান কৰা হয়। বঁটা গ্ৰহণ কৰি তেওঁ জলবায়ু পৰিৱৰ্তনৰ ভয়াৱহ পৰিণতিৰ কথা উল্লেখ কৰি কয়, "২০২৪ চনত ৩৯-৪০ ডিগ্ৰী উষ্ণতাতেই বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ মৃত্যু হৈছে। এইবাৰ ৫২ ডিগ্ৰীলৈ উঠিব পাৰে বুলি আশংকা কৰা হৈছে। গতিকে অত্যধিক গৰমত বিদ্যালয় বন্ধ কৰি দিয়া উচিত। পুৱা পাঠদান আৰম্ভ কৰি দুপৰীয়া ছুটী দিলে শিক্ষাৰ্থীসকলে অধিক কষ্ট পায়। মোবাইলত বতৰৰ আগজাননী পোৱা যায়, সেই অনুসৰি বন্ধৰ সিদ্ধান্ত ল'ব লাগে।" যাদৱ পায়েঙে লগতে কয় যে, অসমত গছ ৰোপণ কৰাতকৈ গছ নকটা হ'লেই যথেষ্ট। তেওঁ অভিযোগ কৰে যে, ৰজা-মহাৰাজৰ দিনৰে পৰা ৰাইজে ৰোৱা গছ-গছনি চৰকাৰে ইচ্ছামতে কাটি সেউজীয়া অসমখন ধ্বংস কৰি আছে। তেওঁ বিশেষকৈ হাতী-মানুহ আৰু কপিকুল-মানুহৰ সংঘাত ৰোধৰ বাবে বন বিভাগক আহ্বান জনায়। মহাবাহু ব্ৰহ্মপুত্ৰৰ বুকুত শদিয়াৰ পৰা ধুবুৰীলৈ জাহাজেৰে ভ্ৰমণ কৰি তেওঁ ৫৮টা চৰ-চাপৰি চিনাক্ত কৰিছে। এই চৰ-চাপৰিসমূহত সেউজ উদ্ভিদ ৰোপণ কৰাৰ লগতে হাতী আৰু বান্দৰৰ খাদ্যৰ গছ ৰোপণ কৰিবলৈ তেওঁ জনসাধাৰণ আৰু চৰকাৰক আহ্বান জনায়। অনুষ্ঠানত যাদৱ পায়েঙে উন্নয়ন আৰু পৰিৱেশ সংৰক্ষণৰ মাজত ভাৰসাম্য ৰক্ষাৰ প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰি কয়, "'গ্ৰীণ ইণ্ডিয়া' আৰু 'গ্ৰীণ আছাম'ৰ দৰে পদক্ষেপে জলবায়ু পৰিৱৰ্তন, অত্যধিক গৰম আৰু প্ৰাকৃতিক দুৰ্যোগৰ বিৰুদ্ধে সজাগতা বৃদ্ধি কৰিব পাৰে। অসমত হাতী-মানুহৰ সংঘাত, বন ধ্বংস আৰু ব্ৰহ্মপুত্ৰৰ পাৰিস্থিতিক সংকটক গুৰুত্ব দি চৰকাৰে বিধেয়কসমূহ সঠিকভাৱে পৰ্যালোচনা কৰি জনসাধাৰণক অৱগত কৰা উচিত। সংবাদ মাধ্যমেও এই ক্ষেত্ৰত সক্ৰিয় ভূমিকা ল'ব লাগিব।" যাদৱ পায়েঙৰ এই আহ্বানে পৰিৱেশ সংৰক্ষণ আৰু টেকসই উন্নয়নৰ প্ৰসংগত নতুন চৰ্চাৰ সৃষ্টি কৰিছে।

# আজি বাংলাদেশৰ বিদ্ৰোহৰ

সংসদ নিৰ্বাচন অনুষ্ঠিত হ'ব। এই নিৰ্বাচন হৈছে ২০২৪ চনৰ গণ-বিদ্ৰোহৰ জৰিয়তে প্ৰাক্তন প্ৰধানমন্ত্ৰী শ্বেখ হাছিনাৰ ১৫ বছৰীয়া শাসনৰ অন্ত পৰাৰ পিছত দেশখনৰ প্ৰথমটো সাধাৰণ নিৰ্বাচন। লাখ লাখ যুৱক-যুৱতীৰ প্ৰতিবাদ আৰু বলিদানৰ ফলত সৃষ্টি হোৱা এই নিৰ্বাচনক জনসাধাৰণে গণতান্ত্ৰিক মূল্যবোধ পুনৰ প্ৰতিষ্ঠা, নিৰপেক্ষতা আৰু স্বাধীনতাৰ পুনৰুদ্ধাৰৰ এক মাইলৰ খুঁটি হিচাপে চাই আছে। নোবেল শান্তি বঁটা বিজয়ী ড° মহম্মদ ইউনুছৰ নেতৃত্বত গঠিত অন্তৰ্বৰ্তীকালীন চৰকাৰে এই নিৰ্বাচনৰ সম্পূৰ্ণ দায়িত্ব গ্ৰহণ কৰিছে। অন্তৰ্বৰ্তীকালীন প্ৰশাসনে মুক্ত, ন্যায্য, স্বচ্ছ আৰু শান্তিপূৰ্ণ নিৰ্বাচন অনুষ্ঠিত কৰাৰ দৃঢ় প্ৰতিশ্ৰুতি দিছে। নিৰ্বাচনৰ নিৰপেক্ষতা নিশ্চিত কৰিবলৈ ইউৰোপীয় ইউনিয়ন, কমনৱেলথ আদিৰ লগতে প্ৰায় ৫০০জন বিদেশী পৰ্যবেক্ষকে দেশখনত উপস্থিত থাকিব। দেশৰ প্ৰায় ১২.৭ কোটিৰো অধিক যোগ্য ভোটাৰে ভোটদান কৰিব। মুঠ ১, ৯৮১ গৰাকী প্ৰাৰ্থীয়ে ৩০০টা একক সদস্য সমষ্টিৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰিব। ইয়াৰ উপৰিও ৫০টা আসন মহিলাৰ বাবে সংৰক্ষিত। এইবাৰৰ নিৰ্বাচনত এক উল্লেখযোগ্য পৰিৱৰ্তন দেখা গৈছে। বিদেশত বসবাস কৰা বাংলাদেশী নাগৰিকসকলে প্ৰথমবাৰৰ বাবে ডাক ভোটৰ জৰিয়তে ভোটদান কৰিব পাৰিব। এই ব্যৱস্থাৰ জৰিয়তে দেশৰ বৃহৎ সংখ্যক প্ৰবাসী জনসংখ্যাক নিৰ্বাচনী প্ৰক্ৰিয়াত অন্তৰ্ভুক্ত কৰাৰ লক্ষ্য ৰখা হৈছে। নিৰ্বাচনৰ লগতে প্ৰধানমন্ত্ৰীৰ কাৰ্যকাল নিৰ্ধাৰণ, কাৰ্যবাহী ক্ষমতাৰ সীমাবদ্ধতা, সংসদীয় ক্ষমতাৰ শক্তিশালীকৰণ আৰু অন্যান্য গুৰুত্বপূৰ্ণ ৰাজনৈতিক সংস্কাৰৰ বিষয়তো গণভোট অনুষ্ঠিত হ'ব। এই নিৰ্বাচনে বাংলাদেশত প্ৰকৃত গণতান্ত্ৰিক পৰিৱৰ্তন আনিব নে কেৱল ক্ষমতাৰ গাঁথনিৰ পুনৰ্বিন্যাস হ'ব সেয়া এক ডাঙৰ পৰীক্ষা। ১৯৭১ চনৰ স্বাধীনতাৰ পিছত সামৰিক শাসন, দুৰ্বল গণতান্ত্ৰিক ব্যৱস্থা আৰু বিতৰ্কিত নিৰ্বাচনৰ ইতিহাস থকা দেশখনৰ বাবে এই নিৰ্বাচনে স্থিতিশীলতা আৰু গণতন্ত্ৰৰ ভৱিষ্যত নিৰ্ধাৰণ কৰিব। দশক দশক ধৰি বাংলাদেশৰ ৰাজনীতি দুটা পৰিয়ালৰ চাৰিওফালে আৱৰ্তিত হৈ আহিছে- আৱামি লীগ (শ্বেখ হাছিনা) আৰু বাংলাদেশ নেচনেলিষ্ট পাৰ্টি (খালেদা জিয়াৰ পৰিয়াল)। আৱামি লীগ নিষিদ্ধ হোৱাৰ পিছত বিএনপিয়ে আগশাৰীৰ দল হিচাপে উত্থান ঘটাইছে। খালেদা জিয়াৰ পুত্ৰ তাৰিক ৰহমানে দলৰ নেতৃত্ব দিছে। ১৭ বছৰৰ স্বনিৰ্বাসনৰ পিছত ডিচেম্বৰত দেশলৈ উভতি অহা তাৰিকে গণতান্ত্ৰিক প্ৰতিষ্ঠান পুনৰ্নিৰ্মাণ, আইনৰ শাসন পুনৰুদ্ধাৰ আৰু অৰ্থনীতিৰ পুনৰুজ্জীৱনৰ প্ৰতিশ্ৰুতি দিছে। অন্যফালে জামাত-ই-ইছলামীৰ নেতৃত্বত ১১টা দলৰ মিত্ৰজোঁটে বিএনপিক প্ৰত্যাহ্বান জনাইছে। এই মিত্ৰজোঁটত ২০২৪ৰ বিদ্ৰোহৰ সময়ত গঠিত নেচনেল চিটিজেন পাৰ্টীও অন্তৰ্ভুক্ত। ভাৰতত নিৰ্বাসিত হৈ থকা শ্বেখ হাছিনাৰ অনুপস্থিতিত এইটোৱেই প্ৰথম নিৰ্বাচন। অন্তৰ্বৰ্তীকালীন বিশেষ ন্যায়াধিকৰণে তেওঁক মৃত্যুদণ্ডৰ শাস্তি প্ৰদান কৰিছে। হাছিনাই এই আদালতক "কেংগাৰু কোৰ্ট" বুলি অভিহিত কৰিছে আৰু নিজৰ দলক নিৰ্বাচনত অংশগ্ৰহণৰ পৰা বাদ দিয়াৰ সিদ্ধান্তক সমালোচনা কৰিছে। নিৰ্বাচনৰ আগতে এটা ডাঙৰ উদ্বেগৰ বিষয় হৈ পৰিছে কঠোৰপন্থী গোটৰ ক্ৰমবৰ্ধমান প্ৰভাৱ। ধৰ্মীয় সংখ্যালঘু বিশেষকৈ হিন্দু সম্প্ৰদায়ৰ মাজত হিংসা আৰু অসুৰক্ষাৰ ভয় বাঢ়িছে। দেশৰ জনসংখ্যাৰ প্ৰায় ৮ শতাংশ হিন্দু আৰু ৯০ শতাংশৰো অধিক মুছলমান। জামাত-ই-ইছলামীৰ মিত্ৰজোঁটৰ প্ৰভাৱ বৃদ্ধিৰ সম্ভাৱনাই সংখ্যালঘুসকলৰ মাজত আতংকৰ সৃষ্টি কৰিছে। এই নিৰ্বাচনে বাংলাদেশৰ গণতান্ত্ৰিক ভৱিষ্যত, সংখ্যালঘুৰ সুৰক্ষা আৰু ৰাজনৈতিক স্থিতিশীলতাৰ দিশ নিৰ্ধাৰণ কৰিব বুলি বিশ্লেষকসকলে মত প্ৰকাশ কৰিছে।

# ঘাঁহীৰ লখিমী পথাৰৰ প্ৰাকৃতিক নৈসৰ্গিক পৰিৱেশৰ পঞ্চতীৰ্থ মন্দিৰৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

**অসম বাৰ্তা, বেবেজীয়া, ১১ ফেব্ৰুৱাৰী ঃ** নগাঁও জিলাৰ বেবেজীয়াৰ সমীপৰ ঘাঁহীত লখিমী পথাৰত প্ৰাকৃতিক নৈসৰ্গিক পৰিৱেশত শোভাবৰ্ধন কৰা পঞ্চতীৰ্থ মন্দিৰৰ প্ৰতিষ্ঠা দিৱস আজি ধৰ্মীয় ৰীতি-নীতিৰে উলহ-মালহৰে উদ্‌যাপন কৰা হয়। ধূপ-ধুনা, নৈবদ্য আদিৰে মাঙ্গলিক পৰিৱেশৰ মাজৰে প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কৰা হয়। পুৰোহিতৰ মন্ত্ৰোচ্চাৰণে আধ্যাত্মিক পৰিৱেশত বিধৌত হৈ পৰে মন্দিৰ চৌহদ। এই অনুষ্ঠানত পুৰোহিত গৌতম শৰ্মা, প্ৰদীপ বেজবৰাৰ সহিতে কেইবাগৰাকীও ভক্তিপ্ৰাণ লোকে পূজা পাঠ কৰে। দুপৰীয়া ব্ৰাহ্মণ গাৱঁৰ মহিলা সকলে নাম পৰিৱেশন কৰি মন্দিৰৰ চৌহদ জীপাল কৰি তোলে। প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত অঞ্চলৰ বিশিষ্ট ব্যক্তি অৱনী শৰ্মা, তৰুণ শৰ্মা, মন্দিৰৰ সম্পাদক নিকুঞ্জ শৰ্মা, গোলাপ শৰ্মা মনোৰঞ্জন শৰ্মা, পদুম শৰ্মা, অৱসৰপ্ৰাপ্ত অধ্যক্ষ লৱকান্ত শৰ্মা, জোতিষী নলিনী ভট্টাচাৰ্য, ইলি শৰ্মা আদিয়ে অংশগ্ৰহণ কৰে। সন্ধিয়া বন্তি প্ৰজ্বলন কৰা হয়। উল্লেখ্য যে জ্যোতিষী নলিনী ভট্টাচাৰ্যই এই মন্দিৰ স্থাপন কৰিছিল। মন্দিৰ ভাগত গণেশ মন্দিৰ, কালি মন্দিৰ, হৰ-গৌৰীৰ মন্দিৰ, লক্ষ্মীনাৰায়ণ মন্দিৰ, আৰু হনুমান মন্দিৰকে ধৰি পঞ্চতীৰ্থ মন্দিৰৰ নামে জনাজাত হৈ আছে।

# বিজনীত আমছুৰ উদ্যোগত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ "পুত্তলিকা দাহন"

**অসম বাৰ্তা, বিজনী, ১১ ফেব্ৰুৱাৰী ঃ** বিজেপিয়ে সোমবাৰে সামাজিক মাধ্যমৰ পৃষ্ঠাত সাম্প্ৰদায়িক ভিডিঅ' প্ৰচাৰ কৰাৰ অভিযোগ উত্থাপন কৰি মঙলবাৰে চিৰাং জিলাৰ বিজনীত সদৌ অসম ছাত্ৰ সন্থা(আমছু)ৰ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ। বিজনী জিলা আমছুৰ উদ্যোগত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ "পুত্তলিকা



দাহন"শীৰ্ষক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ। "পুত্তলিকা দাহন" শীৰ্ষক প্ৰতিবাদী কাৰ্যসূচীত প্ৰতিবাদকাৰী-সকলে হিমন্ত বিশ্ব শৰ্মা গো-বেক, হিমন্ত বিশ্ব শৰ্মা মুৰ্দাবাদ, বিজেপি চৰকাৰ হায় হায় আদি শ্লোগান দি পৰিৱেশ উত্তাল কৰি তোলে। বিজনী থানাৰ আৰক্ষীয়ে "পুত্তলিকা দাহন" কাৰ্যসূচীত বাধা প্ৰদান। এই"পুত্তলিকা দাহন" কাৰ্যসূচীত সদৌ অসম ছাত্ৰ সন্থা(আমছু)ৰ কেন্দ্ৰীয় সমিতিৰ সহকাৰী সম্পাদক ৰছুল খান, বিজনী জিলা আমছুৰ সভাপতি জাহেদ আলীসহ আমছুৰ কাৰ্যকৰ্তা সকল উপস্থিত থাকে।

# গৰৈমাৰীৰ হাঁহচৰীত মুখ্যমন্ত্ৰীৰ প্ৰতিকৃতি দাহ কৰি আমছুৰ উত্তাল প্ৰতিবাদ

## সাম্প্ৰদায়িক বিষবাষ্প বিয়পোৱাৰ অভিযোগ

**অসম বাৰ্তা, গৰৈমাৰী, ১১ ফেব্ৰুৱাৰী ঃ** ৰাজ্যত সাম্প্ৰদায়িক বিষবাষ্প বিয়পোৱাৰ অভিযোগ উত্থাপন কৰি ভাৰতীয় জনতা পাৰ্টিৰ বিৰুদ্ধে আমছুৱে ছমৰীয়া সমষ্টিৰ অন্তৰ্গত গৰৈমাৰীৰ হাঁহচৰীত আজি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে আমছুৰ কৰ্মীসকলে অসমৰ মুখ্যমন্ত্ৰীৰ প্ৰতিকৃতি দাহ কৰে। আজি দুপৰীয়া আমছুৰ দক্ষিণ কামৰূপ জিলা সমিতিৰ উদ্যোগত জোৰশিমুলী আঞ্চলিক সমিতিৰ সহযোগত ৰূপায়ণ কৰা কাৰ্যসূচীৰ জৰিয়তে প্ৰতিবাদকাৰীসকলে অভিযোগ কৰে যে বিজেপি নেতৃত্বাধীন চৰকাৰে ইচ্ছাকৃতভাৱে সাম্প্ৰদায়িক বিভাজন সৃষ্টি কৰি সমাজৰ শান্তি-সম্প্ৰীতি বিনষ্ট কৰিবলৈ চেষ্টা চলাই আছে। সেয়ে আমছুৰ নেতাসকলে চৰকাৰক তৎক্ষণাত সাম্প্ৰদায়িক ৰাজনীতি পৰিহাৰ কৰিবলৈ দাবী জনায়। উল্লেখ্য যে বিজেপিৰ অসমৰ অফিচিয়েল সামাজিক মাধ্যমৰ একাউণ্ট (এক্স হেণ্ডল) এটাত কৃত্ৰিম বুদ্ধিমত্তা (এআই) দ্বাৰা সৃষ্ট অত্যন্ত ঘৃণামূলক ভিডিঅ' আপলোড কৰা হৈছিল। ভিডিঅ'টোত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাইফলেৰে দুজন সংখ্যালঘু মুছলমান ব্যক্তিৰ প্ৰতি পইণ্ট-ব্লাংক ৰেঞ্জত গুলীচালনা কৰা দেখুৱা হৈছে। ভিডিঅ'টোত ঘৃণা বিয়পোৱা কেপচন আছিল। উক্ত ভিডিঅ'ই ৰাজ্য তথা দেশজুৰি তীব্ৰ সমালোচনা, ক্ষোভ আৰু গৰিহণা দিয়াৰ পিছত উক্ত ভিডিঅ' ডিলিট কৰা হৈছে। এনে এক সাংবিধানিক পদত অধিষ্ঠিত ব্যক্তিৰ নামত এই ধৰণৰ সাম্প্ৰদায়িক ঘৃণা প্ৰচাৰ আৰু সংখ্যালঘু সম্প্ৰদায়ৰ প্ৰতি হিংসাত্মক মনোভাৱ প্ৰকাশ কৰাটো অত্যন্ত নিন্দনীয়, অসাংবিধানিক আৰু সমাজত বিভাজন সৃষ্টি কৰা কাৰ্য বুলি



সচেতন মহলৰ মাজত প্ৰতিক্ৰিয়া সৃষ্টি হৈছে। জানিব পৰামতে সাম্প্ৰদায়িক বিষবাষ্প বিয়পোৱা বিজেপিৰ বিৰুদ্ধে আমছুৰ কৰ্মকৰ্তাসকল সৰৱ হৈ গৰৈমাৰীৰ হাঁহচৰীত আজি ড° হিমন্তবিশ্ব শৰ্মাৰ প্ৰতিকৃতি দাহ কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদকাৰীসকলে হিমন্তবিশ্ব শৰ্মা গ'বেক-মুৰ্দাবাদ, জয় আই অসম, সংখ্যালঘু লোকৰ ওপৰত অত্যাচাৰ বন্ধ কৰক, বিজেপি গ''বেক, অসম চৰকাৰ হায় হায় আদি শ্ল'গান দি পৰিবেশ উত্তাল কৰি তোলে। কাৰ্যসূচীত আমছুৰ দক্ষিণ কামৰূপ জিলা সমিতিৰ সভাপতি আমিনুল ইছলাম আহমেদ (ৰুহুল), সাধাৰণ সম্পাদক ফুলৌজ উদ্দিন আহমেদ, কেন্দ্ৰীয় কাৰ্যকৰী সদস্য লোকমান হেকিম, লতিফ মণ্ডল, জোৰশিমুলী আঞ্চলিক সমিতিৰ সভাপতি ছেকান্দাৰ আলী, আচলপাৰা আঞ্চলিক সমিতিৰ সভাপতি ৰাশিদুল ইছলাম, গৰৈমাৰী আঞ্চলিক সমিতিৰ সাধাৰণ সম্পাদক ৰুহুল আমিন, মাহতলী আঞ্চলিক সমিতিৰ সভাপতি তালেব আলী, মালিবাৰী আঞ্চলিক সমিতিৰ সভাপতি ৰুহুল আমিনকে প্ৰমুখ্য কৰি আমছুৰ বিষয়ববীয়া ও কাৰ্যকৰ্তাসকল উপস্থিতি থাকে।

## ৩৪ গৰাকীকৈ সাংবাদিকক সম্বৰ্ধনা

# নগাঁৱত অসমীয়া সাহিত্য সন্মিলনীৰ প্ৰতিষ্ঠা দিৱস



**অসম বাৰ্তা, নগাঁও, ১১ ফেব্ৰুৱাৰী ঃ** অসমীয়া সাহিত্য সন্মিলনীৰ ত্ৰয়োদশ বাৰ্ষিক প্ৰতিষ্ঠা দিৱস আজি সন্মিলনীৰ নগাঁও জিলা সমিতিৰ উদ্যোগত দ্ৰোণাচাৰ্য ছিনিয়ৰ ছেকেণ্ডেৰী স্কুলত উদ্‌যাপন কৰা হয়। পুৱা জিলা সমিতিৰ সভাপতি ডাঃ ঋষেশ্বৰ ঠেঙাল শইকীয়াই পতাকা উত্তোলন কৰি প্ৰতিষ্ঠা দিৱসৰ শুভাৰম্ভ কৰে। স্মৃতি তৰ্পণ অনুষ্ঠান মুকলি কৰে দ্ৰোণাচাৰ্য ছিনিয়ৰ ছেকেণ্ডেৰী স্কুলৰ অধ্যক্ষ চন্দ্ৰকান্ত বৰাই। দুপৰীয়া জিলা সভাপতি ডাঃ ঋষেশ্বৰ ঠেঙাল শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদিকা নিজৰা শইকীয়াই। সভাত সন্মিলনীৰ মাহেকীয়া ক্ষুদ্ৰ আলোচনী "মাহিলী" উন্মোচন কৰে বিশিষ্ট চিকিৎসক ডাঃ কৃষ্ণ বৰাই। নিজৰ উন্মোচনী ভাষণত ডাঃ বৰাই কয় যে- আলোচনী আকাৰ সৰু হলেও ইয়াৰ গুৰুত্ব কমি নাযায়। বৰঞ্চ এনে আলোচনীয়ে সাহিত্য চৰ্চাৰ এক পৰিবেশ সৃষ্টি কৰিব পাৰে। এনেধৰণৰ আলোচনী এটা সাহিত্য অনুষ্ঠানে নিৰন্তৰ প্ৰকাশ কৰি থকাটো মনকৰিবলগীয়া বিষয়। ইয়াৰ বাবে নগাঁও জিলা অসমীয়া সাহিত্য সন্মিলনী ধন্যবাদৰ পাত্ৰ। সভাত নগাঁৱৰ ৩৪ গৰাকী সাংবাদিকক সন্মিলনীৰ তৰফৰ পৰা ফুলাম গামোচা, মানপত্ৰ, গছপুলি আদিৰে সম্বৰ্ধনা জনোৱা হয়। সভাত ডেৰকুৰিৰো অধিক কবিয়ে কবিতা পাঠ কৰি অনুষ্ঠানটো জীপাল কৰি তোলে।

# মাকুম আৰক্ষীৰ জালত পৰি এটা গভাইত চোৰ

**অসম বাৰ্তা, মাকুম, ১১ ফেব্ৰুৱাৰী ঃ** বৃহত্তৰ মাকুম অঞ্চলত সন্ত্ৰাস সৃষ্টি কৰা তথা যোৱা ইংৰাজী ৯ ফেব্ৰুৱাৰীৰ নিশা মাকুম অশোক নগৰ আৰু আনন্দবাগৰ ৯ খনকৈ দোকানত চুৰিকাণ্ড সংঘটিত কৰা গভাইত চোৰটো অৱশেষত মাকুম আৰক্ষীয়ে আটক কৰিবলৈ সক্ষম হয়। চুৰিকাণ্ড সংঘটিত হোৱাৰ পাছৰে পৰা মাকুম আৰক্ষীৰ দলে যুদ্ধকালীনভাৱে অভিযান চলাই আজি দিনৰ ভাগত আনন্দবাগৰ পৰা আটক কৰিবলৈ সক্ষম হয়। ধৃতচোৰটো আনুমানিক বয়স ১৭-১৮ বছৰ। আন কেইবাজনো সৈতে উক্ত চুৰি কাৰ্য সংঘটিত কৰিছিল বুলি ধৃতচোৰটোৱে আৰক্ষীৰ সন্মুখত স্বীকাৰ কৰে। বৰ্তমান চুৰিকাণ্ডৰ লগত জড়িত থকা অন্য চোৰকেইটা আটক কৰিবলৈ আৰক্ষীয়ে ধৃতচোৰটোক জেৰা অব্যাহত ৰাখিছে। ২৪ ঘণ্টা সময় পাৰ নৌহওঁতে চুৰিকাৰ্য সংঘটিত কৰা চোৰক মাকুম আৰক্ষীয়ে আটক কৰিবলৈ সক্ষম হোৱাত অঞ্চলটোৰ ব্যৱসায়ী সকলৰ লগতে ৰাইজে স্বস্তিৰ নিশ্বাস পেলাইছে।

# যোৰহাটত অগপৰ সংকল্প সমাৱেশ সম্পন্ন

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ১১ ফেব্ৰুৱাৰী ঃ** অসম গণ পৰিষদ দলে আগন্তুক বিধানসভা নিৰ্বাচনৰ শক্তি প্ৰদৰ্শনৰ বাবে সংকল্প সমাৱেশ অনুষ্ঠিত কৰি আছে। অসমৰ সুৰক্ষিত ভৱিষ্যতৰ বাবে অসম গণ পৰিষদ দলৰ দেৰগাঁও বিধানসভা সমষ্টি সমিতিৰ উদ্যোগত পশ্চিম যোৰহাটৰ তিলিকিআমৰ মুকলি পথাৰত প্ৰায় ১০ হেজাৰ লোকৰ উপস্থিতিত ১০ ফেব্ৰুৱাৰীত সংকল্প সমাৱেশ অনুষ্ঠিত হয়। অগপ জিলাৰ সভাপতি সৌৰভপ্ৰাণ বৰাৰ সভাপতিত্বত সম্পাদক বাবুল হাতীবৰুৱাই আঁতধৰা সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে আনজন সম্পাদক দ্বীপেন বৰগোহাঞিয়ে। আদৰণি ভাষণ আগবঢ়ায় কেন্দ্ৰীয় সমিতিৰ সম্পাদক যোৰহাটৰ বিকাশ শইকীয়াই। কেন্দ্ৰীয় নেতৃত্বৰ লগতে মহিলা পৰিষদ, ছাত্ৰ পৰিষদ, কৃষক পৰিষদ আদিৰ উপৰি যোৰহাট আৰু গোলাঘাট জিলা সমিতি, বিধান পৰিষদ কেইটাৰ বিষয়ববীয়া, সদস্য, সদস্যাৰ উপৰি অগপ কৰ্মীসকলে অংশগ্ৰহণ কৰা সমাৱেশত দলৰ কাৰ্যকৰী সভাপতি কেশৱ মহন্তই কয়, সমাৱেশ সফলভাৱে সমাপন কৰা হৈছে। পূৰ্বৰ দেৰগাঁও, যোৰহাটৰ একাংশ লৈ নৱগঠিত টীয়ক বিধানসভা সমষ্টি গঠন কৰা হ'ল। ১৯৮৫ চনতে প্ৰতিষ্ঠা হোৱা অগপ দলটোৱে যোৰহাটৰ প্ৰায়কেইটা সমষ্টিতে বিধানসভা দখল কৰি আছে। অঞ্চলটোৰ বাবে কাম কৰিলে আঞ্চলিকতাবাদ আৰু জাতিটোৰ বাবে কাম কৰিলেই জাতীয়তাবাদ কৰা হয়। অগপ দল ৰাষ্ট্ৰীয় দলৰ সৈতে প্ৰতিষ্ঠাৰে পৰা জড়িত হৈ আছে। দেশৰ অন্য ৰাজ্যবোৰত আঞ্চলিক দলবোৰ চৰকাৰৰ সৈতে থাকি ক্ষমতা দখল কৰে কিন্তু অগপ দল তাৰ বিপৰীত। ক্ষমতাৰ বাবে নহয় আঞ্চলিকতাবাদ আৰু জাতীয়তাবাদৰ বাবেহে চৰকাৰৰ সৈতে অগপ দল সংযুক্ত হৈ আছে। অসমৰ অস্তিত্ব ৰক্ষা আন্দোলনৰ পৰিসমাপ্তি চুক্তিৰে হৈছিল। সেই চুক্তি অনুযায়ী বহু কাম কৰা হ'ল আৰু বহু কৰিবলৈ থাকিল। পৰ্যায়ক্ৰমে কামবোৰ সমাপন হৈছে। চুক্তি অনুযায়ী নুমলিগড় শোধনাগাৰ হোৱাৰ পাছত ১১৬ বিঘা মাটিত আন্দোলনত শ্বহীদ হোৱা সকলক সোঁৱৰণ কৰি শ্বহীদ স্মাৰক বনোৱা হ'ল। কৰ্মীসকল শক্তিশালী হ'লেহে দল শক্তিশালী হ'ব। শক্তিশালী লোকেহে ভক্তি কৰিব পাৰে। আগন্তুক বিধান সভা নিৰ্বাচনত কংগ্ৰেছত সমূলঞ্চে উৎখাত কৰিব লাগিব। বৃহত্তৰ অসমীয়া জাতিক সুৰক্ষিত কৰা আৰু নিৰাপত্তা দিয়াই অগপৰ মুখ্য উদ্দেশ্য আছিল আৰু ভৱিষ্যতেও থাকিব। দলৰ সভাপতি অতুল বৰাই ভাষণৰ আৰম্ভণিতে অগপ প্ৰতিষ্ঠা সময়ৰে জড়িত সেই সময়ৰ শক্তি মন্ত্ৰী ললিত চন্দ্ৰ ৰাজখোৱাক শ্ৰদ্ধাৰে স্মৰণ কৰে আৰু সকলোকে থিয় হৈ এক মিনিট মৌন প্ৰাৰ্থনাৰ বাবে আহ্বান জনায়। সকলোৱে সহযোগিতা কৰাৰ পাছত তেওঁ কয়, সিংহ পুৰুষ ললিত চন্দ্ৰ ৰাজখোৱা আছিল অগপ দলৰ প্ৰেৰণাৰ উৎস। অগপৰ শক্তি প্ৰদৰ্শনৰ বাবেই ৰাজ্যৰ ভিন্ন স্থানত সংকল্প সমাৱেশ অনুষ্ঠিত কৰা হৈছে। অগপ কৰ্মীসকলে যোগদান কৰি সমাৱেশ সফল কৰি তুলিছে। যোৰহাট আঞ্চলিকতাবাদৰ দুৰ্গ



১৯৮৫ চনত জাতীয় অভিবৰ্তনৰ জৰিয়তে অগপ দল গঠন হৈছিল। জাতীয় অভিবৰ্তন অসম কৃষি বিশ্ববিদ্যালয়তে প্ৰথম অনুষ্ঠিত হৈছিল। অগপ দল ৰাইজে গঢ়া দল। এই দল ৰাইজেই পৰিচালনা কৰে। ১৯৮৫ চনৰেপৰা অগপই যোৰহাট জিলা সমষ্টিৰপৰা প্ৰতিনিধিত্ব কৰিছে। বৰ্তমান অগপ দল এন ডি এ-ৰ লগত থাকি কাম কৰি আছে। পূৰ্বৰ দেৰগাঁও সমষ্টি গোলাঘাট জিলাৰ অন্তৰ্ভুক্ত হ'ল। যোৰহাট জিলাত দেৰগাঁও সমষ্টি বিলুপ্ত হ'ল। পূৰ্বৰ দেৰগাঁও সমষ্টিৰ ১৪খন গাঁও পঞ্চায়ত, যোৰহাট বিধান সভা সমষ্টিৰ ৭খন গাঁও পঞ্চায়ত আৰু টীয়ক বিধানসভা সমষ্টিৰ ৫ খন গাঁও পঞ্চায়তৰ লগতে টীয়ক পৌৰসভাক লৈ নৱগঠিত টীয়ক বিধানসভা সমষ্টি কৰা হ'ল। অগপ দলৰপৰা একাংশ লোক আঁতৰি গ'ল যদিও বহুলোক এতিয়াও দলটোতে জড়িত হৈ আছে। এইসকল কৰ্মীৰ প্ৰতি আমাৰ আস্থা, বিশ্বাস আছে। তেওঁলোকৰো আমাৰ প্ৰতি আস্থা, বিশ্বাস আছে। দলটো প্ৰতিষ্ঠাৰেপৰা অগপ বিজেপিৰ সৈতে মিত্ৰ হৈ আছে। অগপ দল প্ৰতিষ্ঠা কৰোঁতে জাতীয় অভিবৰ্তনতে সিদ্ধান্ত লৈছিল- 'বনৰীয়া হাতী ধৰিবলৈ ঘৰচীয়া হাতী ব্যৱহাৰ কৰিব লাগিব। সেয়ে অগপ দলৰ প্ৰতীক হাতী।' অসম চুক্তিৰ বিভিন্ন দফাবোৰ পৰ্যায়ক্ৰমে ৰূপায়ণ কৰি থকা হৈছে। তাৰবাবে নেতৃত্বই প্ৰতিখন চৰকাৰৰ সৈতে কাম কৰি আছে। লক্ষ্যত উপনীত হ'বলৈ এতিয়াও বহু বাকী যদিও শ্বহীদসকলক সোঁৱৰণৰ উদ্দেশ্যে স্মাৰক উদ্যান ১৭৮ কোটি টকাৰে নিৰ্মাণ কৰাটো অগপ দলৰ বৃহৎ সাফল্য। এন ডি এ চৰকাৰৰ সংগত থকাৰ বাবে এইকাম সফল হ'ল। ভৱিষ্যতেও এন ডি এ চৰকাৰৰ লগত অগপ দল থাকিব। তাৰবাবে আলোচনা ইতিমধ্যে সম্পন্ন হৈছে। অসমত বিৰোধী দল নাই। সেয়ে, অগপক শক্তিশালী কৰি তুলিব লাগিব। তাৰ বাবে কৰ্মীসকলে ত্যাগ কৰিব লাগিব, সময় দিব লাগিব। প্ৰতিটো বুথলৈ গৈ কৰ্মীসকলক সবল আৰু শক্তিশালী কৰিব লাগিব। অসমত ৮২৬খন চাহ বাগিচা আছে। তাতো অগপ কৰ্মীসকল আছে। তেওঁলোককো সংগঠিত কৰিব লাগিব। আগন্তুক নিৰ্বাচনত অগপই এনডিএৰ সৈতে আলোচনাৰ মাধ্যমেৰে ভালেকেইটা সমষ্টিত প্ৰাৰ্থী দিব। সেইসকল প্ৰাৰ্থীক জয়ী কৰোৱাৰ দায়িত্ব কৰ্মীসকলে কাণ পাতি ল'ব লাগিব। তাৰবাবেই এই সংকল্প সমাৱেশৰ আয়োজন কৰা হ'ল। অগপ কৰ্মীসকলে যোৰহাট মহানগৰৰপৰা দলৰ সভাপতি অতুল বৰা আৰু কেশৱ মহন্তক মটৰ চাইকেলেৰে আদৰি অনাৰ পাছত ঝুমুৰৰ দলে মঞ্চলৈ আগবঢ়াই নিয়ে। আৰম্ভণিতে তেওঁলোকে শ্বহীদ তৰ্পণ কৰে। অগপ কৰ্মীসকলে অগপ জিন্দাবাদ, অতুল বৰা জিন্দাবাদ, কেশৱ মহন্ত জিন্দাবাদ, জয় আই অসম আদি ধ্বনি দিয়ে। জাতীয় সংগীত পৰিৱেশনৰে সংকল্প সমাৱেশ আৰম্ভ হয়।

# হোজাইত তিনি সমষ্টিৰ ২০২৬ৰ চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ



**অসম বাৰ্তা, মোৰাঝাৰ, ১১ ফেব্ৰুৱাৰী ঃ** আজি হোজাই জিলাৰ নিৰ্বাচনী অধীনস্থ ৬২ নং বিন্নাকান্দি, ৬৩ নং হোজাই আৰু ৬৪ নং লামডিং বিধানসভা সমষ্টিৰ ফটোযুক্ত চূড়ান্ত ভোটাৰ তালিকা আনুষ্ঠানিকভাৱে প্ৰকাশ কৰা হয়। এই উপলক্ষে হোজাই জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত এখন সংবাদ মেলৰ আয়োজন কৰা হয়। উক্ত সংবাদ মেলত জিলা নিৰ্বাচনী বিষয়া বিদ্যুৎ বিকাশ ভাগৱতী, লামডিং সম-জিলাৰ সম-জিলা আয়ুক্ত চন্দন বৰগোহাঁই, অতিৰিক্ত জিলা আয়ুক্ত বনি ইনাম ছাদ্দব, অতিৰিক্ত জিলা আয়ুক্ত (নিৰ্বাচন) প্ৰীতম ৰাজা শৰ্মা, নিৰ্বাচন বিষয়া আৰাধনা দাসৰ লগতে বিভিন্ন ৰাজনৈতিক দলৰ প্ৰতিনিধিসকল উপস্থিত থাকে। বিভিন্ন ৰাজনৈতিক দলৰ উপস্থিতিতেই এই চূড়ান্ত ভোটাৰ তালিকা মুকলি কৰা হয়। সংবাদ মেলত জিলা আয়ুক্তই কয় যে ইয়াৰ মাজতো যদি কাৰোবাৰ নাম, ঠিকনাত ভুল হয় তেন্তে আপত্তি দৰ্শাবলৈ অনুৰোধ জনায়।

## "সত্ৰ সংস্কৃতি আৰু জনজাতীয় পৰম্পৰাৰ সমন্বয়েই মাজুলীৰ আত্মা, এই সমন্বয় সুৰক্ষিত থাকিব লাগিব" ঃ ড° পীতাম্বৰ দেৱ গোস্বামী

# ক্ৰমে মাজুলীৰ সাংস্কৃতিক ঐতিহ্য আৰু ভৌগোলিক ক্ষেত্ৰলৈ আহিছে ভাবুকি

### মাজুলী সমন্বয় মঞ্চৰ সভাত একেখন মঞ্চত একত্ৰিত হৈ সত্ৰাধিকাৰ, জনজাতীয় সচেতন ব্যক্তিৰ গুৰুত্বপূৰ্ণ আলোচন

**অসম বাৰ্তা, উজনী মাজুলী, ১১ ফেব্ৰুৱাৰী ঃ** ঐতিহ্য আৰু পৰম্পৰা লুণ্ঠিত কৰি মাজুলীৰ মাটি, পানী, বায়ুৰে সম্পৰ্ক নথকা সংস্কৃতিয়ে মাজুলীৰ প্ৰধান অংগ জনগোষ্ঠীয় সংস্কৃতিক আঘাত হনা আৰু সামগ্ৰিকভাৱে মাজুলীৰ সাংস্কৃতিক ঐতিহ্য ৰক্ষা আৰু সংৰক্ষণৰ উদ্দেশ্যে যোৱা ২৮ জানুৱাৰীত মাজুলীৰ আউনীআটী সত্ৰৰ অসম ভাওনা সমাৰোহৰ অন্তিম দিনা সমাৰোহ থলী মণিকাঞ্চন ৰংগক্ষেত্ৰত মাজুলীৰ জনজাতীয় লোকসকলৰ লগতে মাজুলীৰ বিভিন্ন সত্ৰৰ সত্ৰাধিকাৰ, সত্ৰীয়া তথা নেতৃস্থানীয় ব্যক্তিৰ উপস্থিতিত গঠন হোৱা মাজুলী সমন্বয় মঞ্চৰ প্ৰথমখনি বৈঠক আজি অনুষ্ঠিত হয়। আউনীআটী সত্ৰৰ সাংস্কৃতিক সেৱা সমিতিৰ প্ৰেক্ষাগৃহত দিনৰ ২ বজাৰ পৰা অনুষ্ঠিত সভাখনত সভাপতিত্ব কৰে আউনীআটী সত্ৰৰ অধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামীয়ে। মাজুলী সমন্বয় মঞ্চৰ অন্যতম আহ্বায়ক জগত হাজৰিকাই সভাৰ উদ্দেশ্য ব্যাখ্যা কৰাৰ পিছতেই সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামীয়ে মঞ্চৰ ভৱিষ্যৎ কাৰ্যব্যৱস্থা আৰু দিশ নিৰ্ধাৰণৰ উদ্দেশ্যে আলোচনাৰ বাবে বিষয়টো সভালৈ আগবঢ়াই দিয়ে। ইয়াৰ পিছতেই যুৱ সমাজকৰ্মী জয়ন্ত হাজৰিকাই মাজুলীৰ বায়ু পানীৰে সম্পৰ্ক নথকা কোনো শক্তিয়ে যাতে মাজুলীৰ সাতামপুৰুষীয়া ঐতিহ্য সমন্বয়ক আঘাত হানিব নোৱাৰে তাৰ বাবে প্ৰয়োজনীয় কাৰ্যব্যৱস্থাৰ বাবে সভাক পৰামৰ্শ আগবঢ়োৱাৰ লগতে মাজুলীৰ উত্তৰ আৰু দক্ষিণ পাৰে দলং সংযোগৰ পিছত আহি পৰিব পৰা বিভিন্ন সমস্যাক বিশেষভাৱে গুৰুত্ব আৰোপ কৰি বক্তব্য প্ৰদান কৰে। ইয়াৰ পিছতেই মাজুলী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° আনন্দ হাজৰিকাই মাজুলীৰ সাংস্কৃতিক দৃশ্য পট অঞ্চল আইন -২০০৬খন কাৰ্যকৰী কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° ইন্দ্ৰনীল পেগুৱে আধুনিকতাই চুই গলেও মাজুলীৰ সাতামপুৰুষীয়া ঐতিহ্য পৰম্পৰাক আমি ধৰি ৰাখিব লাগিব বুলি উল্লেখ কৰি ঐতিহ্য পৰম্পৰাক আমি ধৰি ৰাখিলেহে মাজুলীক সদায় মাজুলী কৰি ৰাখিব পৰা হ'ব বুলি তেওঁ উল্লেখ কৰে। সমাজকৰ্মী নীলকান্ত পেগুৱে মাজুলীৰ ঐতিহ্য, সংস্কৃতিৰ সুৰক্ষাৰ স্বাৰ্থত মাজুলীৰ সকলো সত্ৰাধিকাৰে একেখন মঞ্চত থিয় হৈ সকলোকে আঁকোৱালি লৈ আগবঢ়াৰ ওপৰত গুৰুত্ব আৰোপ কৰে। সভাতে সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামীয়ে প্ৰসংগত ক্ৰমে উল্লেখ কৰি কয় মাজুলীৰ যিটো বৈশিষ্ট্য, মাজুলীৰ যিটো হেৰিটেজ বুলি ইয়াৰ গৌৰৱ আছে সেয়া ৰক্ষা হবলৈ হ'লে মাজুলীৰ সত্ৰ সংস্কৃতি, মূল পৰম্পৰাগত সংস্কৃতি চিৰদিনৰ বাবে সুৰক্ষিত থাকিব লাগিব। মাজুলীত ধুনীয়া দালান নাই, মাজুলী ধুনীয়া কাৰোকাৰ্য্য নাই যদিও ইয়াৰ যিটো নান্দনিক পৰিৱেশ, ইয়াৰ যিটো প্ৰাকৃতিক পৰিৱেশ, সত্ৰ সমূহৰ বৈশিষ্ট্য সেই কথা চাবৰ কাৰণে মানুহ ইয়ালৈ ঢপলিয়াই আহে বুলি উল্লেখ কৰি সত্ৰাধিকাৰ গৰাকীয়ে মাজুলীৰ যুগমীয়া সংস্কৃতি বিপদাপন্ন নোহোৱাকৈ ৰাখিব পাৰিলেহে মাজুলীৰ এই খিতাপ অক্ষুণ্ণ থাকিব বুলি উল্লেখ কৰে। লগতে তেওঁ উত্তৰ আৰু দক্ষিণ পাৰ সংযোগী দলং নিৰ্মাণৰ পিছত মাজুলীত প্ৰৱেশ কৰা লোকসকলৰ বাবে চেকপোষ্ট ব্যৱস্থাৰ প্ৰস্তাৱ আগবঢ়ায়। লগতে মাজুলীলৈ অহা প্ৰতিজন পৰ্যটকৰ মন, শৰীৰ আৰু উদ্দেশ্য পৰীক্ষা কৰিহে প্ৰৱেশৰ অনুমতি দিব লাগে বুলি মত প্ৰকাশ কৰে। এই সন্দৰ্ভত তেওঁ মুখ্যমন্ত্ৰী অৱগত কৰিবৰ বাবে সভাক এক প্ৰস্তাৱ ল'বলৈ আহ্বান জনায়। সত্ৰাধিকাৰ গৰাকীয়ে লগতে খিলঞ্জীয়া জাতি জনগোষ্ঠীৰ মাজত সমন্বয়, সত্ৰীয়া সকলৰ সমন্বয়, ধৰ্মীয় আচাৰ নীতি, সাংস্কৃতিক বাতাবৰণ, নামঘৰ সত্ৰানুষ্ঠান সমূহৰ মাজত সমন্বয়, ভৌগোলিক সমন্বয়, পৌৰাণিক আৰু আধুনিকতাৰ মাজত সমন্বয় আদি বিষয় সমূহো মাজুলী সমন্বয় মঞ্চই সামৰি ল'ব বুলি উল্লেখ কৰে। ইফালে সভাতে মাজুলী সমন্বয় মঞ্চৰ এখন পূৰ্ণাংগ সমিতি গঠন কৰে। সেই অনুসৰি আউনীআটী সত্ৰৰ অধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামীক সভাপতি, সৰু গড়মূৰ সত্ৰৰ অধিকাৰ সভাপতি হৰিদেৱ গোস্বামীক কাঃ সভাপতি, ক্ৰমে নতুন কমলাবাৰী সত্ৰৰ ডেকাধিকাৰ সত্যজিৎ মহন্ত, পুতল মহন্ত, চন্দন গোস্বামী, অতুল মহন্ত, জনাৰ্দ্দন দেৱ গোস্বামী, প্ৰৱীণ মহন্ত, ড° আনন্দ হাজৰিকা, ঘন নাথ, ড° ইন্দ্ৰনীল পেগু, সুভদ্ৰা বৰা, আৰতি বৰাক উপ-সভাপতি, জগত হাজৰিকাক সম্পাদক আৰু ক্ৰমে জয়ন্ত হাজৰিকা, তুলসী ৰাজখোৱা, নীলকান্ত পেগু, ব্ৰজেন পেগুক সহ সম্পাদক হিচাপে লৈ মুঠ ২১ জনীয়া এখন পূৰ্ণাংগ সমিতি গঠন কৰে। ইফালে সভাতে উত্তৰ আৰু দক্ষিণ পাৰ সংযোগী দলং নিৰ্মাণৰ পিছত মাজুলীত প্ৰৱেশ কৰা লোকসকলৰ বাবে চেকপোষ্ট ব্যৱস্থাৰ লগতে মাজুলীলৈ অহা প্ৰতিজন পৰ্যটকৰ মন, শৰীৰ আৰু উদ্দেশ্য পৰীক্ষা কৰিহে প্ৰৱেশৰ অনুমতি দিয়া, মাজুলীৰ সাংস্কৃতিক দৃশ্যপট অঞ্চল আইন -২০০৬ অনতিবিলম্বে কাৰ্যকৰী কৰিবলৈ প্ৰস্তাৱ গ্ৰহণ কৰে আৰু উক্ত প্ৰস্তাৱ মুখ্যমন্ত্ৰীক সাক্ষাৎ কৰি প্ৰদান কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। মঞ্চৰ নিয়মাৱলী প্ৰস্তুতৰ বাবে ড° আনন্দ হাজৰিকা আৰু কমল দত্তকে প্ৰমুখ্যে কৰি এখন উপ-সমিতি গঠন কৰে। সৰু গড়মূৰ সত্ৰৰ অধিকাৰ হৰিদেৱ গোস্বামীয়ে সভাৰ শলাগৰ শৰাই আগবঢ়ায়। উল্লেখযোগ্য যে সমষ্টি পুনঃ নিৰ্ধাৰণৰ পিছত আগন্তুক ২০ বছৰলৈ অসমৰ খিলঞ্জীয়াৰ হাতত ৰাজনৈতিক অধিকাৰ সুৰক্ষিত হ'ল বুলি ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সততে উল্লেখ কৰি আহিছে। ইয়াৰ উপৰিও বৰপেটা, বৰদোৱা, মাজুলী, নাৰায়ণপুৰ আদিৰ দৰে ঐতিহ্য ক্ষেত্ৰ সমূহৰ সুৰক্ষাৰ বাবে শেহতীয়াকৈ ৰাজ্য চৰকাৰে উক্ত অঞ্চল সমূহক হেৰিটেজ ব্লক এণ্ড বেল্ট হিচাপে ঘোষণা কৰিছে। সেইদৰে সত্ৰ নগৰী মাজুলীও হেৰিটেজ ব্লক এণ্ড বেল্টৰ আওতালৈ আহিছে। পূৰ্বে চাৰিওফালে নদীৰে আগুৰা মাজুলী বহুক্ষেত্ৰত এক সুৰক্ষিত আৱেষ্টনীৰ মাজত আছিল যদিও শেহতীয়াকৈ মাজুলীৰ দক্ষিণপাৰ আৰু উত্তৰ পাৰেৰে প্ৰায় দলংৰে সংযোগ হ'বলৈ গৈ থকাৰ লগতে বৰ্তমান ঢকুৱাখনা দিশেৰে মাজুলীলৈ স্থল যাতায়ত সম্ভৱ হৈ উঠিছে। গতিকে চাৰিওফালে যাতায়তৰ পোনপটীয়া যোগাযোগ হৈ উঠিলে মাজুলীৰ সমাজ ব্যৱস্থালৈ আহিব পৰা পৰিৱৰ্তনে স্বাভাৱিকতে ৰাইজক চিন্তাত ৰাখিছে। ইফালে সম্প্ৰতি মাজুলীৰ সাংস্কৃতিক ঐতিহ্য আৰু ভৌগোলিক ক্ষেত্ৰত যি ধৰণৰ পৰিস্থিতিৰ সৃষ্টি হৈ আহিছে, সেই পৰিস্থিতিৰ সন্মুখীন হ'বলৈ মাজুলীৰ সাংস্কৃতিক দৃশ্য পট অঞ্চল আইন-২০০৬ মাজুলাবাসীৰ বাবে এখন শক্তিশালী অস্ত্ৰ। কিন্তু উক্ত আইন খনে যথেষ্ট সুযোগ দিছিল যদিও ৰাইজৰ সচেতনতাৰ অভাৱ আৰু চৰকাৰৰ সদিচ্ছাৰ অভাৱত একপ্ৰকাৰ অকামিলা হৈ আছে। উল্লেখযোগ্য যে মাজুলীক ইউনেস্কয়ে বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ স্বীকৃতি প্ৰদানৰ ক্ষেত্ৰত প্ৰয়োজন হোৱা প্ৰতিৰক্ষা আৰু সংৰক্ষণৰ আইনী বন্ধন সমূহৰ আন্তঃগাঁথনি সৃষ্টিৰ উদ্দেশ্যত এই আইনখন প্ৰণয়ন কৰা হৈছিল। ভাৰতৰ কেন্দ্ৰীয় চৰকাৰ আৰু প্ৰাদেশিক চৰকাৰ সমূহৰ ভিতৰত এইখনেই এনেধৰণৰ আৰু একমাত্ৰ আইন বুলি উল্লেখ পোৱা যায়। সাংস্কৃতিক ঐতিহ্য ৰক্ষা আৰু সংৰক্ষণৰ ক্ষেত্ৰত এইখনেই একমাত্ৰ আইন। বাস্তৱত এতিয়া আইন থাকিও মাজুলীৰ যুগমীয়া সংস্কৃতি আজি বিপদাপন্ন হোৱাৰ উপক্ৰম ঘটিছে।

## জিলাৰ প্ৰবীণ সাংবাদিক প্ৰশান্ত বৰুৱাক সম্বৰ্ধনা

# মঙলদৈ বিধানসভা সমষ্টিৰ বিধায়ক বসন্ত দাসৰ পদক্ষেপ

**অসম বাৰ্তা, মঙলদৈ, ১১ ফেব্ৰুৱাৰী ঃ** মঙলদৈ বিধানসভা সমষ্টিৰ বিধায়ক বসন্ত দাসে আজি দৰং জিলাৰ প্ৰবীণ সাংবাদিক প্ৰশান্ত বৰুৱাক উষ্ম সম্বৰ্ধনা জ্ঞাপন কৰে। ১৯৭৪ চনত নতুন অসমীয়া বাতৰি কাকতত সাংবাদিকতা আৰম্ভ কৰি ১৯৭৮ চনৰ এপ্ৰিল মাহত মঙলদৈৰ দৰে সৰু মফচলীয় চহৰৰ পৰা মৰসাহ কৰি প্ৰকাশ কৰা সাপ্তাহিক মঙ্গল বাতৰিৰ বৰ্তমানৰ মুখ্য সম্পাদক প্ৰশান্ত বৰুৱাক বিধায়ক বসন্ত দাসৰ হৈ বিজেপিৰ দৰং জিলা সমিতিৰ সদস্য ৰাকেশ বৰুৱা, দৰং জিলা নাট্য সন্মিলনীৰ প্ৰাক্তন সম্পাদক হীৰেণ ডেকা, শিল্পী নিলোৎপল ডেকাই সম্বৰ্ধনা জ্ঞাপন কৰে। আজি ৪৮ বছৰে নীৰবচ্ছিন্ন ভাৱে সাপ্তাহিক মঙ্গল বাতৰি প্ৰকাশ আৰু সম্পাদনা কৰি অহা প্ৰশান্ত বৰুৱাক ফুলাম গামোচা, চেলেং, এৰী চাদৰ, গ্ৰন্থৰ টোপোলা, সম্বৰ্ধনা পত্ৰ বিধায়কৰ হৈ প্ৰদান কৰা হয়। এই উপলক্ষে আজি পুৱা ৯.৩০ বজাত সাপ্তাহিক মঙ্গল বাতৰিৰ মঙলদৈ কৰিমচ'কৰ কাৰ্যালয়ত হোৱা চমু অনুষ্ঠানৰ আঁত ধৰে সাপ্তাহিক মঙ্গল বাতৰিত সাংবাদিকতাৰ আদিপাঠ শিকি বৰ্তমান অসমীয়া প্ৰতিদিন কাকতৰ মঙলদৈৰ বিশেষ সংবাদদাতা হিচাপে কৰ্মৰত গণেশ দত্তই। অনুষ্ঠানত প্ৰবীণ সাংবাদিক প্ৰশান্ত বৰুৱাই কয় যে, এই মৰমে মোক সাংবাদিকতাৰ প্ৰতি আৰু দায়িত্ব বঢ়ালে। তেওঁ প্ৰাক্তন মন্ত্ৰী তথা বৰ্তমানৰ বিধায়ক বসন্ত দাসক প্ৰশংসা কৰি কয়- 'ৰাজনৈতিক ক্ষেত্ৰত তেওঁ আৰু উজলি উঠক- তাৰেই কামনা কৰিলোঁ।' উল্লেখ্য যে, যোৱা ৪ ফেব্ৰুৱাৰীত বিধায়ক বসন্ত দাসৰ আছিল ৫৫ সংখ্যক শুভ জন্মদিন। শুভ জন্মদিন উপলক্ষে তেওঁ বিভিন্ন ক্ষেত্ৰত উজলি উঠা মঙলদৈৰ মুঠ ৮জন বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জ্ঞাপন কৰিছিল। পিছে শাৰীৰিক অসুস্থতাৰ বাবে সাংবাদিক প্ৰশান্ত বৰুৱা সেইদিনা সম্বৰ্ধনা গ্ৰহণ কৰিব পৰা নাছিল।

# ৰুদ্ৰাক্ষীৰ উদ্যোগত ৰক্তদান শিবিৰ

**অসম বাৰ্তা, যোৰহাট, ১১ ফেব্ৰুৱাৰী ঃ** যোৰহাটৰ অন্যতম বেচৰকাৰী সংস্থা "ৰুদ্ৰাক্ষী এটি নাম সহায়ৰ" উদ্যোগত আৰু যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ ৰক্তকোষৰ সহযোগত অসমীয়াৰ হিয়াৰ আমঠু, দেৱদূত জুবিন গাৰ্গৰ সোঁৱৰণত অহা ১১ ফেব্ৰুৱাৰী, পুৱা ১০ বজাত গড় আলি লাহটি পেট্ৰল পাম্পৰ কাষৰ অংকিত মটৰচৰ চৌহদত এক ৰক্তদান শিবিৰৰ আয়োজন কৰা হয়। উক্ত ৰক্তদান শিবিৰত অঙ্কিত মটৰচৰ কৰ্মচাৰী সহ প্ৰায় ২০জন ৰক্ত দাতা ৰক্তদান কৰে। উল্লেখ্য যে এই ৰক্ত দান শিবিৰত চিকিৎসা মহাবিদ্যালয়ৰ ড° ছেমিম ৰহমান, ড° আকাংক্ষা মেধি, টুটুমনি বৰা, প্ৰেৰণা দেৱী, জ্যোতিষ্মান ফুকন, কৰুণা তুমুঙ, জেষ্ঠ সাংবাদিক যোগেশ ওজা, ৰুদ্ৰাক্ষীৰ হৈ সম্পাদক বাবলি দে, শ্ৰীমন্ত শইকিয়া, ৰিণ্টু দাস, বিষ্ণুৰাম বৰা, গৌতম ৰাজখোৱা, অংকিত মটৰচৰ হৈ ইন্দ্ৰাশীষ চন্দ, শেখৰ জ্যোতি দাম সহ বহু শুভাকাংখী উপস্থিত থাকি বিশেষ ভাবে সহায় কৰে।

# ডিব্ৰুগড় কানৈ বাণিজ্য মহাবিদ্যালয়ৰ ৬২ সংখ্যক মহাবিদ্যালয় সপ্তাহৰ সামৰণী অনুষ্ঠান

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১১ ফেব্ৰুৱাৰী ঃ** ডিব্ৰুগড় চহৰৰ অন্যতম অগ্ৰণী শিক্ষানুষ্ঠান কানৈ বাণিজ্য মহাবিদ্যালয়ত ৬২ সংখ্যক মহাবিদ্যালয় সপ্তাহৰ সামৰণি অনুষ্ঠান অতি গাম্ভীৰ্যপূৰ্ণভাৱে মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হৈ যায়। অনুষ্ঠানত প্ৰথমে জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰা হয়। ইয়াৰ পাছত ছাত্ৰ একতা সভাৰ সভাপতি অংকুৰ গগৈয়ে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে। বিশিষ্ট অতিথি মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথা পৰিচালনা সমিতিৰ সন্মানীয় সদস্য চাৰ্টাৰ্ড একাউণ্টেণ্ট জ্যোতি প্ৰসাদ কানৈয়ে ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি নিয়মানুৱৰ্তিতা আৰু শৃঙ্খলাৰ গুৰুত্ব সম্পৰ্কে বক্তব্য ৰাখে। মহাবিদ্যালয়ৰ উপাধ্যক্ষ শৈলেন গগৈ, বাংলা বিভাগৰ মুৰব্বী সহযোগী অধ্যাপক ড° স্বপ্না নাথ আৰু স্নাতকোত্তৰ পাঠ্যক্ৰমৰ সমন্বয়ক ড° সত্য ৰঞ্জন দলেইও ভাষণ প্ৰদান কৰে। পোন প্ৰথমবাৰৰ বাবে প্ৰৱৰ্তন কৰা অধ্যক্ষ বিশেষ মেধা বঁটাৰ অধীনত প্ৰথম ষাণ্মাসিকৰ ছাত্ৰী অংকিতা ভট্টাচাৰ্য্য, তৃতীয় ষাণ্মাসিকৰ ছাত্ৰী স্মৰণিকা দাস আৰু পঞ্চম ষাণ্মাসিকৰ ছাত্ৰ ক্ৰমে য়ুনুছ আনছাৰি আৰু ইশা দে'ক যুটীয়াভাৱে শেষান্ত পৰীক্ষাত সৰ্বোচ্চ এছ জি পি এ আৰু চি জি পি এ লাভ কৰাৰ বাবে সম্বৰ্ধনা জনোৱা হয়। বঁটাস্বৰূপে মানপত্ৰ, গ্ৰন্থ, গামোচা আৰু নগদ ২, ৫০০ টকা প্ৰদান কৰা হয়। ইয়াৰ উপৰিও মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন প্ৰতিযোগিতাত বঁটা লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলকো বঁটা প্ৰদান কৰা হয়। সভাপতি তথা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জয়দেৱ গগৈয়ে সভাপতিৰ মন্তব্যত ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি অনুপ্ৰেৰণা মূলক বক্তব্য আগবঢ়ায় আৰু লগতে কয় যে ছাত্ৰ-ছাত্ৰী সকলে যাতে পঢ়াশুনাত ভালদৰে মনোনিবেশ কৰি আগন্তুক দিনত আৰু ভাল ফলাফল দেখুৱাই নিজৰ তথা মহাবিদ্যালয়ৰ নাম আৰু উজ্জ্বলাই তুলিব পাৰে সেই উদ্দেশ্য আগত ৰাখিয়েই এই বিশেষ বঁটা প্ৰদান কৰা হৈছে। ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা পৰিবেশিত মনোমুগ্ধকৰ সাংস্কৃতিক কাৰ্য্যসূচীয়ে অনুষ্ঠানটো আৰু অধিক মনোৰম কৰি তোলে। এই বছৰৰ পৰা মহাবিদ্যালয় সপ্তাহৰ এক বিশেষ কাৰ্য্যসূচী হিচাপে "স্বচ্ছতা অভিযান" শীৰ্ষক এক ব্যতিক্ৰমী পদক্ষেপ গ্ৰহণ কৰা হৈছে। এই অভিযানৰ অংশ হিচাপে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জয়দেৱ গগৈৰ তত্ত্বাৱধানত মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, শিক্ষক আৰু কৰ্মচাৰীসকলে একেলগে ডিব্ৰুগড় চহৰৰ থানা চাৰিআলিৰ পৰা নালিয়াপুল পৰ্যন্ত অতি ব্যস্ত কেশৱ চন্দ্ৰ গগৈ পথ পৰিষ্কাৰ কৰে। এই ব্যতিক্ৰমী উদ্যোগক মহাবিদ্যালয়ৰ পৰিয়ালৰ সকলো সদস্য, স্থানীয় ৰাইজ তথা বিভিন্ন দল সংগঠনে ভূয়সী প্ৰশংসা কৰে।

## সনাতনী হিন্দুৰ ওপৰত আক্ৰমণ হ'লে প্ৰত্যাক্ৰমণ কৰা হ'ব ঃ আংচ কাইদ পাঠক

# মিঠাআম বঙালী গাঁৱত কট্টৰ সনাতনী হিন্দু সন্মিলন অনুষ্ঠিত, সনাতনী সভ্যতাৰ ওপৰত সত্যৰঞ্জন বৰাৰ তীব্ৰ ভাষণ

**অসম বাৰ্তা, ঢেকীয়াজুলি, ১১ ফেব্ৰুৱাৰী ঃ** শোণিতপুৰ জিলাৰ অন্তৰ্গত ঢেকীয়াজুলি ৰাজহচক্ৰ এলেকাৰ মিঠাআম বঙালী গাঁৱত আজি এক কট্টৰ সনাতনী হিন্দু সন্মিলন সফলভাৱে অনুষ্ঠিত হয়। উক্ত সন্মিলনত মুখ্য অতিথি হিচাপে উপস্থিত থাকে কট্টৰ হিন্দুত্ববাদী নেতা হিন্দু সম্ৰাট সত্যৰঞ্জন বৰা, লগতে আমন্ত্ৰিত বক্তা হিচাপে উপস্থিত থাকে হিন্দু সমাজৰ বলিষ্ঠ কণ্ঠ তথা হিন্দুত্ববাদী নেতা আংচ কাইদ পাঠক। সন্মিলনত উপস্থিত হৈ সত্যৰঞ্জন বৰাই বৰ্তমান সমাজত চলি থকা বিভিন্ন অপকৰ্ম, সামাজিক অৱক্ষয় আৰু নৈতিক স্খলনৰ ওপৰত গুৰুত্বপূৰ্ণ ভাষণ আগবঢ়ায়। তেখেতে সমাজত শৃঙ্খলা, সংস্কৃতি আৰু পৰম্পৰা সংৰক্ষণৰ প্ৰয়োজনীয়তাৰ ওপৰত আলোকপাত কৰে। লগতে হিন্দু সমাজে সন্মুখীন হৈ থকা সমস্যাসমূহৰ সন্দৰ্ভতো তেখেতে নিজৰ মত প্ৰকাশ কৰে। সমান্তৰালভাৱে গৌৰৱ গগৈকো তীব্ৰ ভাষাৰে সমালোচনা কৰে সত্যৰঞ্জন বৰাই। উক্ত সন্মিলনত হিন্দুত্ববাদী যুৱ নেতা আংচ কাইদ পাঠকে উদাত্ত কণ্ঠৰে কয় সনাতনী সভ্যতা, সংস্কৃতি আৰু সনাতনী হিন্দুৰ ওপৰত মিঞাৰ দপদপনি হস্য কৰা নহ'ব। আনকি হিন্দু প্ৰধান গাঁৱত মিঞা ফেৰিয়লা, সৰা চুলিৰ বেপৰী সম্পূৰ্ণ নিষিদ্ধ কৰা হ'ব বুলি হুংকাৰ দিলে আংচ কাইদ পাঠকে। লগতে প্ৰতিগৰাকী সনাতনী হিন্দু মহিলাক কমেও ৫ টাকৈ সন্তান জন্ম দিয়াৰ আহ্বান জনালে নেতাগৰাকীয়ে। আজিৰ উক্ত হিন্দু সন্মিলনত গুপ্তেশ্বৰ জিলা পৰিষদৰ সদস্য নিৰ্মল দাস, দুৰ্গা বাহিনীৰ নেত্ৰী ৰূপালী দাস, হিন্দুত্ববাদী নেতা সোণাই দাস, বিশাল সৰকাৰ, সমাজকৰ্মী জোটন শ্বা, বিদ্যুৎ শ্বাৰ লগতে বহুতো বিশিষ্ট ব্যক্তি আৰু স্থানীয় ৰাইজ উপস্থিত থাকে। উপস্থিত বক্তাসকলে হিন্দু সমাজৰ ঐক্য, ধৰ্মীয় মূল্যবোধ সংৰক্ষণ আৰু সংগঠিতভাৱে আগবাঢ়ি যোৱাৰ আহ্বান জনায়। কাৰ্যসূচীৰ অন্তত আয়োজক সমিতিৰ তৰফৰ পৰা মণিকণ দাস আৰু মিঠুন সেন দেৱে সন্মিলন সফল কৰিবলৈ সহযোগ আগবঢ়োৱা সকলো অতিথি, বক্তা আৰু স্থানীয় ৰাইজলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে।

## উন্নয়নৰ ৰূপৰেখা সম্বলিত পুস্তিকা উন্মোচন

# মৰিয়নিত বিধায়ক ৰূপজ্যোতি কুৰ্মীৰ উদ্যোগত জ্যেষ্ঠ নাগৰিক সভা

**অসম বাৰ্তা, মৰিয়নি, ১১ ফেব্ৰুৱাৰী ঃ** ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বিশেষ পৰামৰ্শ মৰ্মে মৰিয়নিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীৰ উদ্যোগত মঙ্গলবাৰে মৰিয়নি নকছাৰিত এক ব্যতিক্ৰমী জ্যেষ্ঠ নাগৰিক সভা অনুষ্ঠিত হৈ যায়। নকছাৰিৰ নৱ বিকাশ সংঘত অনুষ্ঠিত এই বিশেষ সভাত সমষ্টিটোৰ দুই শতাধিক জ্যেষ্ঠ নাগৰিকে অংশগ্ৰহণ কৰে। আৰু উপস্থিত প্ৰতিগৰাকী জ্যেষ্ঠ নাগৰিকক অসমীয়াৰ স্বাভিমান 'গামোচা' পিন্ধাই বিশেষভাৱে আদৰণি আৰু সন্মান জনোৱা হয়। বিধায়কগৰাকীয়ে নিজে উপস্থিত থাকি জেষ্ঠসকলৰ আশীৰ্বাদ গ্ৰহণ কৰাৰ লগতে তেওঁলোকৰ কুশল মংগল কামনা কৰে। আনফালে জ্যেষ্ঠ নাগৰিক সভাৰ এক উল্লেখযোগ্য কাৰ্যসূচী আছিল বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে লিখি উলিওৱা "বৰ্ণিল ইতিহাসত বিকশিত মৰিয়নিৰ উন্নয়নৰ ৰূপৰেখা" শীৰ্ষক এখন পুস্তিকাৰ উন্মোচন। এই পুস্তিকাখনত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বলিষ্ঠ নেতৃত্বত মৰিয়নি সমষ্টিত হোৱা বিভিন্ন উন্নয়নমূলক প্ৰকল্প আৰু জনহিতকৰ কাম-কাজৰ সবিশেষ খতিয়ান দাঙি ধৰা হৈছে। উল্লেখজে অঞ্চলটোৰ বহু বিশিষ্ট ব্যক্তি আৰু স্থানীয় ৰাইজে অংশগ্ৰহণ কৰা এই জ্যেষ্ঠ নাগৰিক সভাই নকছাৰিত এক বিশেষ চৰ্চা লাভ কৰিছে।

# তিতাবৰত বিজ্ঞান প্ৰকল্প প্ৰতিযোগিতা সম্পন্ন

**অসম বাৰ্তা, যোৰহাট, ১১ ফেব্ৰুৱাৰী ঃ** সমগ্ৰ শিক্ষা অসম আৰু অসম বিজ্ঞান, প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদৰ পৃষ্ঠপোষকতাত তিতাবৰ আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰই ৭ ফেব্ৰুৱাৰীত নৱমৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত প্ৰকল্প প্ৰতিযোগিতা অনুষ্ঠিত কৰে। প্ৰতিযোগিতাত তিতাবৰ শিক্ষাখণ্ডৰ অধীনৰ কেইবাখনো উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। প্ৰতিযোগিতাত বিচাৰক হিচাপে অংশগ্ৰহণ কৰে ড° অঞ্জন কুমাৰ বৰা, বিজ্ঞানকৰ্মী ৰুবুল বৰা আৰু বিজ্ঞান শিক্ষক সুনীল কলিতাই। তিতাবৰ আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ সমন্বয়ক বুধিন দত্তই আঁত ধৰা সামৰণী অনুষ্ঠানত যোৰহাট জিলা আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ সমন্বয়ক ধীৰেন্দ্ৰ কুমাৰ গগৈ, পঞ্জাৱৰ লাভলী প্ৰফেচনেল বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° অঞ্জন কুমাৰ বৰা, বিজ্ঞান শিক্ষক ৰুবুল বৰা, সুনীল কলিতাৰ লগতে বিভিন্ন বিদ্যালয়ৰ তত্ত্বাৱধায়ক শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে। সভাত জিলা পৰ্যায়লৈ নিৰ্বাচিত ছাত্ৰ-ছাত্ৰীসকলক প্ৰমাণ পত্ৰ আৰু পুৰস্কাৰ বিতৰণ কৰা হয়।

# বিহালীত চিপিআই (এম-এল)ৰ শ্বহীদ কমৰেড অনিল বৰুৱালৈ শ্ৰদ্ধাঞ্জলি আৰু সংকল্প সভা

**অসম বাৰ্তা, জিনজিয়া, ১১ ফেব্ৰুৱাৰী ঃ** অসমৰ চিপিআই এম-এলৰ প্ৰতিষ্ঠাপক সদস্য তথা তিনিচুকীয়া মহাবিদ্যালয়ৰ সেই সময়ৰ গণিত বিভাগৰ প্ৰৱক্তা অনিল কুমাৰ বৰুৱা ১৯৯৮ চনৰ সংসদীয় নিৰ্বাচনত অংশগ্ৰহণ কৰা প্ৰাৰ্থী আছিল। সেই সময়ত আলফা নামৰ সশস্ত্ৰ সংগ্ৰাম কৰা সংগঠনে নিৰ্বাচন বৰ্জ্জনৰ আহ্বান জনোৱাৰ অচিলা লৈ ডিব্ৰুগড় জিলাৰ নাহৰনীত প্ৰচাৰ সভাত গুলীয়াই হত্যা কৰিছিল। আজি ১১ ফেব্ৰুৱাৰী শ্বহীদ অনিল কুমাৰ বৰুৱাৰ মৃত্যু দিৱস উপলক্ষে চিপিআই (এম-এল) বিশ্বনাথ জিলা সমিতিয়ে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে সংকল্প সভা অনুষ্ঠিত কৰে। চিপিআই ( এম-এল)ৰ ইতিহাস আৰু অনিল কুমাৰ বৰুৱাৰ জীৱন পৰিক্ৰমা সভাক অৱগত কৰে। "অসমত বিৰোধী দলৰ প্ৰচাৰ সভাৰ ওপৰত বিজেপি দলৰ আক্ৰমণ বন্ধ কৰক, ২০২৬ত স্বচ্ছ আৰু মুক্ত নিৰ্বাচন নিশ্চিত কৰক, মুখ্যমন্ত্ৰীৰ পদ কলংকৃত কৰা হিমন্ত বিশ্ব শৰ্মাক গ্ৰেপ্তাৰ কৰক" শ্লোগানৰে আৰম্ভ কৰা সভাখন সঞ্চালনা কৰে পুৰাতন সদস্য প্ৰবোধ বৰুৱাই। সভাত চিপিআই (এম-এল)ৰ ৰাজ্যিক সম্পাদক বিবেক দাসে অনিল কুমাৰ বৰুৱাৰ সংগ্ৰামী জীৱন শৈলী সোঁৱৰণ কৰি বৰ্তমান নিৰ্বাচন আয়োগৰ প্ৰতি আস্থা হেৰুৱাৰ আৰু অসমত বিৰোধী ঐক্যমঞ্চৰ সৈতে নিৰ্বাচনত অৱতীৰ্ণ হোৱাৰ মাজেদি কৃষক শ্ৰমিকৰ অধিকাৰ প্ৰতিষ্ঠাৰ শ্ৰেনী সংগ্ৰামৰ যুঁজখন আগুৱাই নিয়াৰ সংকল্প লোৱাৰ বিষয়ে বক্তব্যত উল্লেখ কৰে। সভাত ২০২৬ ৰ নিৰ্বাচনৰ বাবে চৰ্চিত চিপিআই (এম-এল)ৰ প্ৰাৰ্থী জ্ঞানেন্দ্ৰ চৰকাৰৰ লগতে গোপাল চেত্ৰী, চিওজ জজোৱাৰকে ধৰি বিভিন্ন জনে বক্তব্য প্ৰদান কৰা সভাৰ আৰম্ভণিতে শ্বহীদ অনিল কুমাৰ বৰুৱাৰ প্ৰতিকৃতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয় আৰু সভাৰ আঁত ধৰে দলৰ জিলা সম্পাদক নাৰায়ণ পৌড়েলে। শেষত মটৰ চাইকেলৰে শোভাযাত্ৰা উলিওৱাই জিনজিয়াত সামৰণি মাৰে।

# নগাঁও গোপীনাথ দেৱগোস্বামী মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহ সমাৰোহৰ সফল সামৰণি

**অসম বাৰ্তা, বেবেজীয়া, ১১ ফেব্ৰুৱাৰী ঃ** মধ্য অসমৰ বাণিজ্য শিক্ষাৰ অগ্ৰণী শিক্ষানুষ্ঠান ঐতিহ্যমণ্ডিত নগাঁও গোপীনাথ দেৱগোস্বামী বাণিজ্য মহাবিদ্যালয়ত যোৱা ৩ ফেব্ৰুৱাৰীৰ পৰা অনুষ্ঠিত হোৱা বাৰ্ষিক সপ্তাহ সমাৰোহৰ আজি সফল সামৰণি পৰে। এই উপলক্ষে মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত আজি বঁটা বিতৰণি অনুষ্ঠানটি সম্পন্ন হয়। উক্ত অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশ গ্ৰহণ কৰি লেখক- সাংবাদিক দেৱজিৎ হাজৰিকাই কয় যে, ছাত্ৰ-ছাত্ৰী সকলে অধ্যয়নৰ সমান্তৰালকৈ খেলা ধুলাত আত্ম নিয়োগ কৰি আমাৰ জাতিটোৰ উত্তৰণ ঘটাব লাগিব। লগতে কয় যে সমাজ সংস্কাৰৰ লগতে শিক্ষাগুৰু আৰু পিতৃ-মাতৃক শ্ৰদ্ধা ভক্তি কৰিব লাগিব। সৰুকালৰ পৰাই ছাত্ৰ-ছাত্ৰী সকল ভক্তি পৰায়ণ আহ্বান জনাই সাংবাদিক দেবজিৎ হাজৰিকাই। মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ভূপেশ তুমুঙে আঁত ধৰা অনুষ্ঠানটিত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মৃগাঙ্ক শইকীয়াই কয় যে ছাত্ৰ-ছাত্ৰী সকলৰ শাৰীৰিক আৰু মানসিক বিকাশৰ ক্ষেত্ৰত আৰু অনান্য সাংস্কৃতি অনুষ্ঠানৰ প্ৰয়োজনীয়তা বিষয়ে আলোকপাত কৰে। লগতে এনেধৰণৰ বাৰ্ষিক সপ্তাহ সমাৰোহে ছাত্ৰ-ছাত্ৰী সকলক নিজস্ব প্ৰতিভা বিকাশ কৰাৰ লগতে ক্ৰীড়া আৰু সাংস্কৃতিক পথাৰ খনত তেওঁলোক যাতে উজ্জ্বলি উঠে তাৰ কামনা কৰে। অনুষ্ঠানত মহাবিদ্যালয়ৰ উপাধ্যক্ষা বিজুমনি পাঠকে ছাত্ৰ-ছাত্ৰী সকলক উদ্দেশ্যে মবাইল ইণ্টাৰনেটৰ সৎ প্ৰয়োগ কৰিবলৈ আহবান জনায়। মহাবিদ্যালয়ৰ অধ্যাপিকা নাতাশা বৰুৱা আৰু বন্তি কলিতাই বটা বিতৰণি অনুষ্ঠানটি পৰিচালনা কৰা বাৰ্ষিক সপ্তাহ সমাৰোহৰ বিজয়ী প্ৰতিযোগী সকলক মান পত্ৰ আৰু মেডেল প্ৰদান কৰা হয়। উল্লেখ যে মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহ সমাৰোহত বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰাৰে শুভাৰম্ভ হোৱা সপ্তাহ সমাৰোহত ছাত্ৰ-ছাত্ৰীৰ মাজত ১০০ মিটাৰ দৌৰ, ৪০০ মিটাৰ দৌৰ, হাই জাম্প, লং জাম্প, গধুৰ বস্তু দলিউৱা, কাঢ়ি দলিউৱা, কেৰেম, দবা, পাঞ্জা, বেদমিণ্টন, মেহেণ্ডী, ৰন্ধা বঢ়া, ভলীবল, ক্ৰিকেট প্ৰতিযোগিতা আদি অনুষ্ঠিত হয়। উল্লেখযোগ্য যে মহাবিদ্যালয়ৰ শিক্ষক কৰ্মচাৰী সকলে অতি উৎসাহে ৰচি টনা ক্ৰিকেট প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি ক্ৰিকেটৰ দ্বিতীয় শ্ৰেষ্ঠ দলৰ খিতাপ অৰ্জন কৰে। মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰী সকল উপস্থিত থকা অনুষ্ঠানৰ শেষত শলাগৰ শৰাই আগবঢ়াই ছাত্ৰ একতা সভাৰ উপ সভাপতি পল্লৱ জ্যোতি বৰাই।

## জিলা আয়ুক্তৰ উপস্থিতিত সংবাদমেল আৰু ৰাজনৈতিক দলৰ সৈতে বৈঠক সম্পন্ন

# ডিমৌ বিধানসভা সমষ্টিৰ চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ

## মুঠ ভোটাৰৰ সংখ্যা ১, ৭৮, ৩৯০ গৰাকী

**অসম বাৰ্তা, ডিমৌ, ১১ ফেব্ৰুৱাৰী ঃ** ভাৰতৰ নিৰ্বাচন আয়োগৰ নিৰ্দেশনা মৰ্মে ১ জানুৱাৰী ২০২৬ তাৰিখক ভিত্তি হিচাপে লৈ আজি ১০ ফেব্ৰুৱাৰী ২০২৬ তাৰিখে ৯৫ নং ডিমৌ বিধানসভা সমষ্টিৰ চূড়ান্ত ফটোযুক্ত ভোটাৰ তালিকা প্ৰকাশ কৰা হয়। বিশেষ সংশোধনী-২০২৬ (SR-2026)ৰ সময়ছোৱাত লাভ কৰা সকলো দাবী আৰু আপত্তিৰ সফল নিষ্পত্তিৰ অন্তত জিলাখনৰ আন দুটা সমষ্টি ক্ৰমে শিৱসাগৰ আৰু নাজিৰাৰ লগতে ডিমৌৰো এই তালিকা মুকলি কৰা হয়। আজি প্ৰকাশিত চূড়ান্ত তালিকা অনুসৰি ডিমৌ বিধানসভা সমষ্টিত মুঠ ভোটাৰৰ সংখ্যা হৈছে ১, ৭৮, ৩৯০ গৰাকী। ইয়াৰ ভিতৰত- পুৰুষ ভোটাৰ: ৮৭, ৭১৬গৰাকী। মহিলা ভোটাৰ: ৯০, ৬৭৩ গৰাকী। তৃতীয় লিংগৰ ভোটাৰ: ১গৰাকী। ভোটকেন্দ্ৰ: সমষ্টিটোত মুঠ ২৩০টা ভোটকেন্দ্ৰ আছে। উল্লেখ্য যে, যোৱা বৰ্ষৰ (২০২৫) তুলনাত ডিমৌ সমষ্টিত ৪২ গৰাকী ভোটাৰ বৃদ্ধি পাইছে (০.০২ শতাংশ)। এই সন্দৰ্ভত আজি শিৱসাগৰ জিলা আয়ুক্ত কাৰ্যালয়ৰ চুকাফা সভাকক্ষত জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া মৃদুল যাদৱৰ সভাপতিত্বত এখন সংবাদমেল অনুষ্ঠিত হয়। সংবাদমেলত অতিৰিক্ত জিলা আয়ুক্ত (নিৰ্বাচন) মীনাক্ষী পেৰ্মে, নিৰ্বাচন পঞ্জীয়ন বিষয়া সোণতৃষ্ণা ঘৰফলীয়া আৰু প্ৰতিভা মেশ্ৰাম, সহকাৰী আয়ুক্ত চন্দনা জাহ্নৱী আৰু নিৰ্বাচনী বিষয়া অদিতি নেওঁগ উপস্থিত থাকে। প্ৰশাসনৰ তৰফৰ পৰা জনোৱা হৈছে যে ভোটাৰসকলে নিজৰ তথ্যসমূহ 'Voter Helpline App' বা আয়োগৰ ৱেবছাইটৰ জৰিয়তে পৰীক্ষা কৰিব পাৰিব। নিৰ্বাচন পঞ্জীয়ন বিষয়াৰ (ERO) সিদ্ধান্তৰ বিৰুদ্ধে কোনো আপত্তি থাকিলে অহা ২৫ ফেব্ৰুৱাৰীৰ ভিতৰত জিলা আয়ুক্তৰ ওচৰত আৰু ১২ মাৰ্চৰ ভিতৰত মুখ্য নিৰ্বাচনী বিষয়াৰ ওচৰত আপীল দাখিল কৰিব পাৰিব।

# শ্ৰীভূমি জেলাত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ ৫৪, ৩৯৭জন ভোটাৰৰ নাম কৰ্তন, সৃষ্টি হৈছে ব্যাপক প্ৰতিক্ৰিয়া

**অসম বাৰ্তা, শ্ৰীভূমি, ১১ ফেব্ৰুৱাৰী ঃ** শ্ৰীভূমি তথা কৰিমগঞ্জ জেলাত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ পোৱাৰ লগে লগে এক গুৰুত্বপূৰ্ণ আৰু উদ্বেগজনক তথ্য পোহৰলৈ আহিছে। জেলাখনৰ বিভিন্ন বিধানসভা সমষ্টিত সৰ্বমোট ৫৪, ৩৯৭জন ভোটাৰৰ নাম ভোটাৰ তালিকা পৰা কৰ্তন কৰা হৈছে। এইবৃহৎ সংখ্যক নাম বাদ পৰাৰ ঘটনাই সাধাৰণ নাগৰিকৰ লগতে ৰাজনৈতিক মহলতো তীব্ৰ প্ৰতিক্ৰিয়া সৃষ্টি কৰিছে। প্ৰশাসনৰ প্ৰকাশিত তথ্য অনুসাৰে, সমষ্টি ভিত্তিকভাৱে ভোটাৰ নাম কৰ্তনৰ সংখ্যা উল্লেখযোগ্য। দক্ষিণ কৰিমগঞ্জ বিধানসভা সমষ্টিত ১৩, ৫০৯জন ভোটাৰৰ নাম বাদ পৰিছে। উত্তৰ কৰিমগঞ্জ সমষ্টিত সৰ্বাধিক ১৯, ৩৮১জন ভোটাৰৰ নাম কৰ্তন কৰা হৈছে। আনহাতে, পাথাৰকান্দি সমষ্টিত ১০, ০৬৪জন আৰু ৰামকৃষ্ণনগৰ সমষ্টিত ১১, ৪৩৪জন ভোটাৰৰ নাম চূড়ান্ত তালিকাত অন্তৰ্ভুক্ত হোৱা নাই। চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশৰ পাছতেই বহু নাগৰিকে নিজৰ নাম ভোটাৰ তালিকাত নেদেখি হতভম্ব হৈপৰে। কেইবাজনো ভোটাৰে অভিযোগ কৰে যে তেওঁলোকে পূৰ্বৰ নিৰ্বাচনত ভোটদান কৰিছিল যদিও এইবাৰ হঠাতে নাম বাদ পৰাত তেওঁলোক গভীৰ উদ্বিগ্ন। এই ঘটনাই আগন্তুক নিৰ্বাচনৰ পূৰ্বে ভোটাৰসকলৰ মাজত অনিশ্চয়তা বৃদ্ধি কৰিছে। জিলা প্ৰশাসনৰ সূত্ৰই জনোৱা মতে, নিৰ্বাচন আয়োগৰ নিৰ্দেশনা অনুসৰি নিয়মমাফিক যাচাই, সংশোধন আৰু শুদ্ধিকৰণ প্ৰক্ৰিয়া সম্পন্ন কৰাৰ পাছতেই চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰা হৈছে। মৃত ভোটাৰ, স্থানান্তৰিত নাগৰিক, দ্বৈত নাম আৰু নথিপত্ৰত ত্ৰুটি থকা নামসমূহ বাদ দিয়া হৈছেবুলি প্ৰশাসনে দাবী কৰে। তথাপিও, ইমান বৃহৎ পৰিসৰত ভোটাৰ নাম কৰ্তনৰ ঘটনাই গণতান্ত্ৰিক প্ৰক্ৰিয়াৰ স্বচ্ছতা আৰু ভোটাধিকাৰ সুৰক্ষাক লৈ এক নতুন বিতৰ্কৰ সৃষ্টি কৰিছে। বহু সচেতন নাগৰিকে প্ৰশাসনৰ পৰা স্পষ্ট ব্যাখ্যা আৰু নাম বাদ পৰা ভোটাৰসকলৰ বাবে সহজ সংশোধনী ব্যৱস্থাৰ দাবী উত্থাপন কৰিছে। ভোটাৰ তালিকা গণতন্ত্ৰৰ মুল আধাৰ। সেই তালিকাত ইমান বৃহৎ পৰিবৰ্তনে শ্ৰীভূমি (কৰিমগঞ্জ) জেলাৰ ৰাজনৈতিক পৰিস্থিতিত কেনে প্ৰভাৱ পেলায়, সেয়া আগন্তুক দিনসমূহত গুৰুত্বপূৰ্ণ হৈ উঠিব।

# বিহালীৰ কেটেলাত তৃতীয় বাৰ্ষিক বেডমিণ্টন প্ৰতিযোগিতাৰ সামৰণি

**অসম বাৰ্তা, জিনজিয়া, ১১ ফেব্ৰুৱাৰী ঃ** বিহালী বিধানসভা সমষ্টিৰ অন্তৰ্গত কেটেলাত তিনিদিনীয়া কাৰ্যসূচীৰে কেটেলো ক্ৰীয়া সন্থাৰ উদ্যোগত আৰম্ভ হোৱা বেডমিণ্টন প্ৰতিযোগিতাখন কালি সামৰণি পৰে প্ৰতিযোগিতা শুভ আৰম্ভণি কৰে কেটেলা চাহ বাগিচাৰ পৰিচালক এছ এম ৰহমানে সামৰণি অনুষ্ঠান উপস্থিত থাকে কেথলিক হস্পিটালৰ জ্যেষ্ঠ চিকিৎসক সীমান্ত দলে, আদিবাসী ছাত্ৰ নেতা পৱন বাউৰি চেৰেলিয়া গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি বিকো কেওট, চেৰেলিয়া গাঁও পঞ্চায়তৰ সভাপতি বৈষ্ণৱ কেওট, উদ্যোগপতি নিত্য মুদৈ ক্ৰীয়া প্ৰেমী আব্দুল আলী, বিপ্লৱ দাস, চঞ্চো ৰয়, বিনোদ লোহাৰ, সুৰজ চাহ আদি উপস্থিত থাকে, উক্ত প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰি শ্ৰেষ্ঠ দল হিচাপে পৰিগণিত হয় বৰঙাবাৰী অঞ্চলৰ পল্লৱ আৰু ৰোমনে, দ্বিতীয় শ্ৰেষ্ঠ দল হিচাপে পৰিগণিত হয় জিনজিয়া অঞ্চলৰ ৰাজিপ আৰু শ্যামল তৃতীয় পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হয় জিনজিয়া অঞ্চলৰ যুৱক ৰোহন আৰু পিংকু ৰাজ পালে লগতে চতুৰ্থ পুৰস্কাৰ লাভ কৰে বিহালীৰ যুৱক আশ্ৰাকুল আৰু ৰেকিবোলে।

## কেবিনেট সিদ্ধান্ত বাতিল কৰা সম্পৰ্কে গুৱাহাটী উচ্চ ন্যায়ালয়ত মকৰদমা ৰুজু

# অসম চৰকাৰৰ অবিবেচক কাণ্ড

**অসম বাৰ্তা, দেৰগাঁও, ১১ ফেব্ৰুৱাৰী ঃ** সদৌ অসম আভ্যন্তৰীণ জলপৰিবহণ শ্ৰমিক সংঘৰ সাধাৰণ সম্পাদক শ্ৰী অম্বিকা চকণ বৈশ্যই এক প্ৰেছ বিবৃতিৰ জৰিয়তে জানিবলৈ দিয়ে যে; অসম চৰকাৰৰ জাননী নং ১৫৫, ১৬৬, ১৬৭, ১৬৮, ১৬৯ নং অনুযায়ী আভ্যন্তৰীণ জল পৰিবহণ বিভাগটো All Assam inland water Transport Reguletory Authority Compeney L.T.D, নামেৰে সম্পূৰ্ণ-ভাৱে বিভাগটোৰ অস্তিত্ব নাইকিয়া কৰিবলৈ প্ৰায় সম্পূৰ্ণ প্ৰস্তুতি কৰিছে। উল্লেখযোগ্য যে-জলপৰিবহণ বিভাগটো-অসম চৰকাৰৰ এটা স্থায়ী বিভাগ আৰু এটা অত্যাৱশ্যকীয় বিভাগ বৰাক আৰু ব্ৰহ্মপুত্ৰ ভেলীত প্ৰৰ্য্যন্ত পৰিমাণে দলং নথকাৰ বাবে এই জল পথৰ-জৰিয়তে দুয়োপাৰৰ বান জন-সাধাৰণক পাৰা-পাৰৰ সুবিধা ১০০ শতাংশ, সেৱা কৰি আহিছে। আনহাতে বিভাগৰ সঞ্চালকায়লৰ মুখ্য কাৰ্যালয়টো



উঠাই দিয়া, বিভাগৰ অনুমোদিত বিভিন্ন স্তৰৰ পদ সমূহ বিলুপ্ত কৰণ কৰা, বিভাগৰ নাবিক প্ৰশিক্ষণ কেন্দ্ৰটো হস্তান্তৰ কৰা বিভাগৰ সকলো নাও জাহাজ তিনিটা সংমণ্ডল কাৰ্যালয় কোম্পানীলৈ, হস্তান্তৰ কৰা আদি সকলো কাৰ্য্যক জলপৰিবহণ শ্ৰমিক সংঘই তীব্ৰ প্ৰতিবাদ জনাই। ইয়াৰ উপৰিও যোৱা ২০১৫ চনত বিভাগটো নিগমলে নিয়াৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছিল যদিও শ্ৰমিক সংঘই এটা মকৰদমা ৰুজু কৰি চৰকাৰৰ এনে একপক্ষীয় নীতিক বাধাদি বিচাগটোক বিভাগৰ দ্বাৰা পৰিচালনা কৰাৰ বাবে উচ্চ ন্যায়ালয়ে আদেশ দিয়ে। সেইমতে আজি পৰ্য্যন্ত জলপৰিবহণ বিভাগটো বিভাগ হিচাপে আছিল। কিন্তু অসম চৰকাৰে হঠাৎ-ওপৰত উল্লেখ কৰা জাননীৰ জৰিয়তে অবিবেচক ভাৱে লোৱা কেবিনেট সিদ্ধান্তক শ্ৰমিক সংঘই তীব্ৰ গৰিহনা দিয়ে আৰু উক্ত জাননী সমূহ বন্ধ কৰি জল পৰিবহণ বিচাগটোৰ স্থায়িত্ব বজাই ৰাখিবলৈ শ্ৰমিক সংঘই চৰকাৰৰ ওচৰত দাবী জনাই লগতে জাননীৰ যোগে জাৰি কৰা অধিসূচনা সমূহ স্থগিত ৰখাৰ বাবে গুৱাহাটী উচ্চ ন্যায়ালয়ত ৬১৭/২০২৬ নং অনুসৰি জল পৰিবহণ শ্ৰমিক সংঘই এটা মকৰদমা ৰুজু কৰে।

# বজৰং ইলেভেনে চেম্পিয়নশ্বিপৰ খিতাপ অৰ্জন 'এম এল এ কাপ ২০২৬' ক্ৰিকেট টুৰ্নামেণ্টত

**অসম বাৰ্তা, দেওমৰনৈ, ১১ ফেব্ৰুৱাৰী ঃ** দৰং জিলাৰ ছিপাঝাৰ সমষ্টিৰ অন্তৰ্গত কমাৰগাঁও হেমজ্যোতি সংঘৰ খেল-পথাৰত অসম ৰাইনো ক্ৰিকেট ক্লাৱ আৰু ভাৰতীয় জনতা পাৰ্টী, পাথৰিঘাট মণ্ডলৰ উদ্যোগত অনুষ্ঠিত MLA কাপ ২০২৬' ক্ৰিকেট টুৰ্ণামেণ্টত চেম্পিয়নশ্বিপ অৰ্জন বজৰং ইলেভেনৰ। অতিকৈ আকৰ্ষণীয় তথা উত্তেজনাপূৰ্ণ ফাইনেল খেলখনত বজৰং ইলেভেনে বিজয়ীৰ খিতাপ অৰ্জনৰে নগদ একলাখ টকাসহ ট্ৰফি আৰু ৰাৰ্ণাৰ্চ আপ চেঙেলীয়াঝাৰ স্পৰ্ট এচোছিয়েচনে নগদ ৭০, ০০০ হেজাৰ টকাসহট্ৰফি লাভ কৰিবলৈ সক্ষম হয়। ভিন্নপ্ৰান্তৰ দৰ্শকৰে পৰিপূৰ্ণ ক্ৰিকেট টুৰ্ণামেণ্টৰ চূড়ান্ত খেলৰ বটাবিতৰণী অনুষ্ঠানত বিধায়ক ড° পৰমানন্দ ৰাজবংশী, সমাজসেৱী ওমৰ ফাৰুক, ছিপাঝাৰ আঞ্চলিক পঞ্চায়তৰ সভাপতি জয়ন্ত শৰ্মা, দিপীলা গাঁও পঞ্চায়ত সভাপতি গজেন্দ্ৰ কলিতা, বিজেপি পাথৰিঘাট মণ্ডলৰ সভাপতি তপন চহৰীয়াৰ লগতে ভালেমান বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। অসমৰ আগশাৰীৰ কেইবাটিও দলে অংশগ্ৰহণ কৰা খেল খনৰ অন্তত অভুতপূৰ্ব দৰ্শকৰে পৰিপূৰ্ণ প্ৰণৱ কলিতাই আতধৰা বটাবিতৰণী সভাত মেন অৱ দ্য চিৰিজ ইমজামানুল হক আৰু মেন অৱ দ্য মেষ্ট চন্দন দাসক প্ৰদান কৰা হয়।

# মাজুলী বিধানসভা সমষ্টিৰ চূড়ান্ত ফটোযুক্ত ভোটাৰ তালিকা প্ৰকাশ

**অসম বাৰ্তা, মাজুলী, ১১ ফেব্ৰুৱাৰী ঃ** যোৰহাট লোক সভা সমষ্টিৰ অন্তৰ্গত ৯৮ নং মাজুলী (এচ টি) বিধান সভা সমষ্টিৰ চূড়ান্ত ফটোযুক্ত ভোটাৰ তালিকা আজি আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। এই উপলক্ষে জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত হোৱা সভাত জিলা নিৰ্বাচন বিষয়া তথা জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকে ৰাষ্ট্ৰীয় ৰাজনৈতিক দলৰ প্ৰতিনিধি, বি এল অ', এ ই আৰ অ', বি এল অ' চুপাৰভাইজাৰ, নিৰ্বাচন বিষয়াৰ উপস্থিতিত জিলা নিৰ্বাচনী বিষয়াই প্ৰকাশ কৰা চূড়ান্ত ভোটাৰ তালিকা ৰাষ্ট্ৰীয় ৰাজনৈতিক দলৰ প্ৰতিনিধিৰ হাতত অৰ্পণ কৰে। চূড়ান্ত ভোটাৰ তালিকা ৰাজনৈতিক দলৰ প্ৰতিনিধিৰ লগতে ৰাইজৰ সঁহাৰি আৰু নিৰ্বাচনী কাম-কাজৰ লগত জড়িত সকলক ধন্যবাদ জ্ঞাপন কৰি জিলা নিৰ্বাচনী বিষয়াই ভোটাধিকাৰ থকা সকলোকে মুক্তমনে গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিবলৈ ওলাই আহিবলৈ আহ্বান জনায়। তেওঁ যিসকল লোকে ভোটাধিকাৰ সাব্যস্ত কৰাৰ মন থাকিলেও যিসকল আহিব নোৱাৰে সেইসকলে ঘৰতে ভোট প্ৰদান কৰাৰ সুবিধা কৰি দিব বুলি সদৰি কৰে। চূড়ান্ত ভোটাৰ তালিকা মতে সমষ্টিটোৰ মুঠ ভোটাৰৰ সংখ্যা হ'ল-১, ৪৪, ৮৩৭ গৰাকী। ইয়াৰে পুৰুষ ভোটাৰ-৭৩, ৫৪৫ আৰু মহিলা ভোটাৰ-৭১, ২৯২ গৰাকী। ১৮ ৰ পৰা ১৯ বছৰৰ ভিতৰৰ ভোটাৰৰ সংখ্যা হ'ল - ৩, ৫৭০ গৰাকী। ৮৫ বছৰৰ উৰ্দ্ধৰ ভোটাৰৰ সংখ্যা ৫৪৬ গৰাকী। চাৰ্ভিচ ভোটাৰ ৩৯৬ গৰাকী আৰু ডি ভোটাৰ ১০ গৰাকী। সমষ্টিটোত যাতে শান্তি-শৃংখলাৰে ভোটদান প্ৰক্ৰিয়া সমাপ্ত হয় তাৰ প্ৰতি ৰাজনৈতিক দলৰ লগতে সচেতন নাগৰিক সকলক সচেষ্ট হ'বলৈ আহ্বান জনায়। সভাত অতিৰিক্ত আয়ুক্ত ভাস্কৰ জ্যোতি বৰা, নিৰ্বাচনী বিষয়া ৰিমঝিম কোঁৱৰ, সহকাৰী আয়ুক্ত অনুৰাগ প্ৰীতম বৰবৰা প্ৰমুখ্যে এ ই আৰ অ', বি এল অ', বি এল অ' চুপাৰভাইজাৰ সকল উপস্থিত থাকে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ | বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com | ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ | ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶

◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •

● সম্পাদক ঃ তনয় বৰা | ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন